## ভিতৰৰ পৃষ্ঠাত


| | |
|---|---|
| সন্তানৰ পৰীক্ষাত... | পৃষ্ঠা ৪ |
| আমেৰিকাৰ অহংকাৰ... | পৃষ্ঠা ৫ |
| পূৰ্বাকাশত সূৰ্যাস্ত | পৃষ্ঠা ৭ |
| মনময়ুৰী এগৰাকী | পৃষ্ঠা ৮ |
| আলি-আয়ে-লৃগাং | পৃষ্ঠা ৯ |



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ


# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ


■ Vol:13 ■ Issue: 27 ■ Guwahati ■ Wednesday ■ 18 February, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ২৭ ■ গুৱাহাটী ■ বুধবাৰ ■ ৫ ফাগুণ, ১৯৪৭ শক ■ মূল্য ঃ ৫ টকা


### অসম বিধানসভাত ২০২৬-২৭ বৰ্ষৰ লেখানুদান দাখিল কৰি বিত্তমন্ত্ৰী অজন্তা নেওগ

# দেশৰ দ্ৰুততম বিকাশশীল ৰাজ্যত পৰিণত অসম

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ভাৰতীয় ৰিজাৰ্ভবেংকৰ শেহতীয়া মূল্যায়ন অনুসৰি অসম ভাৰতৰ ভিতৰতে দ্ৰুততম বিকাশশীল ৰাজ্য হিচাপে পৰিগণিত হৈছে। স্থিৰ মূল্যৰ হিচাপত ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ২০১৯-২০ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৪৫ শতাংশ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় গড় ২৯ শতাংশৰ তুলনাত যথেষ্ট বেছি। বৰ্তমানৰ মূল্য অনুসৰি অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি) ২০২১-২২ বিত্তীয় বৰ্ষত ৪,১০,৭২৪ কোটিৰ পৰা ১৭ শতাংশতকৈ অধিক উৎসাহজনক বৃদ্ধিৰ হাৰ প্ৰতিফলিত কৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭,৪৫,২৯৩ কোটিলৈ বৃদ্ধি হ'ব বুলি অনুমান কৰা হৈছে। যোৱা মঙলবাৰে অসম বিধানসভাৰ মজিয়াত ২০২৬-২৭ বৰ্ষৰ লেখানুদান দাখিল কৰি এই মন্তব্য কৰে অসমৰ বিত্তমন্ত্ৰী অজন্তা নেওগে।



বিধানসভাত মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ অৰ্থনৈতিক জৰীপে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১৬.৯৩ শতাংশ বৃদ্ধিৰ হাৰ প্ৰক্ষেপ কৰিছে আৰু ৰাজ্যিক ঘৰুৱা উৎপাদন ৮,৭১,৪৫১ কোটি টকা ১৫ পৃষ্ঠাত



### আধৰুৱা আন্তঃগাঁথনি

## বৰঝাৰত নতুন টাৰ্মিনেল ভৱনত ২২ ফেব্ৰুৱাৰীৰ পৰা ঘৰুৱা বিমান সেৱা

**অসম ভূমি সেৱা, আজাৰা ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰটোৰ যাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণে প্ৰায় চাৰি হাজাৰ কোটি টকা ব্যয়ৰে বৰ্তমানৰ বিমানবন্দৰটোৰ টাৰ্মিনেল ভৱনটোৰ পৰা প্ৰায় দুই কিলোমিটাৰ নিলগত মিৰ্জাপুৰত বৰ্ত্তমানতকৈ কেইবাগুণ ডাঙৰ এটা টাৰ্মিনেল ভৱন নিৰ্মাণ কৰিছে। আনকি প্ৰায় দুটা মাহ পূৰ্বে বিগত ২০২৫ বৰ্ষৰ ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নৱনিৰ্মিত টাৰ্মিনেল ভৱনটো উদ্বোধন কৰিছিল। সেই সময়ত বিমানবন্দৰটোৰ পৰিচালনাৰ দায়িত্বত থকা আদনি গ্ৰুপৰ ফালৰ পৰা চলিত বৰ্ষৰ ১১ জানুৱাৰীৰ পৰা নতুন টাৰ্মিনেল ভৱনৰ পৰা ঘৰুৱা বিমান সেৱা আৰম্ভ কৰা হ'ব ■ দুই পৃষ্ঠাত



### তামুলপুৰ-বাক্সা-ওদালগুৰিৰ উদ্যোগীলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ধনৰাশি বিতৰণৰ আৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মা

# অসমত উদ্যোগীকৰণৰ এক নতুন যুগৰ সূচনা হৈছে

**অসম ভূমি সেৱা, তামুলপুৰ ঃ** আমাক এতিয়া কেৱল 'এমপ্লয়ী' নহয়, এনে 'এমপ্লয়াৰ'ৰহে প্ৰয়োজন, যিয়ে নিয়োগ সৃষ্টি কৰি আমাৰ ল'ৰা-ছোৱালীক বহিঃৰাজ্যলৈ যোৱাৰ পৰা ৰক্ষা কৰিব পাৰে এই মন্তব্য অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। যোৱা সোমবাৰে তামুলপুৰ জিলাৰ বৰখাটা খেলপথাৰত আয়োজিত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ প্ৰথম কিস্তিৰ ধনৰাশি তামুলপুৰ, বাক্সা আৰু ওদালগুৰি জিলাৰ হিতাধিকাৰীসকলৰ মাজত বিতৰণৰ শুভাৰম্ভ কৰি তেওঁ এইদৰে কয়। সভাত তিনিখন জিলাৰ মুঠ ৪,৭৬৮ গৰাকী উদ্যমী যুৱক-যুৱতীৰ মাজত ৪৭ কোটি টকাৰো অধিক ধনৰাশি বিতৰণৰ শুভাৰম্ভ কৰা হয়। ইয়াৰে ১,১৩১ গৰাকী তামুলপুৰ জিলাৰ, ১,২৩৩ গৰাকী বাক্সা জিলাৰ আৰু ২,৪০৪ গৰাকী ওদালগুৰি জিলাৰ ■ দুই পৃষ্ঠাত

## বাইহাটা ৰে'লৱে য়াৰ্ড দখলক লৈ তৎপৰ দুই ফৈদ

**অসম ভূমি সেৱা, কমলপুৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত বাইহাটা ৰে'লৱে ষ্টেছনৰ ব্যৱসায়িক য়াৰ্ড দখলৰ বাবে দুটা ফৈদৰ মাজত সংঘাত আৰম্ভ হৈছে। দুটা ফৈদৰ মাজত য়াৰ্ড দখলৰ বাবে খোৱা-কামোৰাই বৃহত্তৰ অঞ্চলটোত ব্যাপক চৰ্চা লাভ কৰিছে। প্ৰণিধানযোগ্য যে বাইহাটা ৰে'লৱে ষ্টেছনৰ ব্যৱসায়িক য়াৰ্ডত পূৰ্বে কয়লা লোডিং আনলোডিং হৈছিল যদিও বৰ্তমান য়াৰ্ডটোত টাটা, মহিন্দ্ৰাকে ধৰি বিভিন্ন কোম্পানীৰ সৰু-বৰ বাহন, লোৰ বাৰ, টাইলচ, বিভিন্ন বহুজাতিক উদ্যোগৰ সামগ্ৰী লোডিং আনলোডিং কৰা হয়। ব্যৱসায়িকভাৱে যথেষ্ট গুৰুত্বপূৰ্ণ য়াৰ্ডটো এখন সমিতিয়ে পৰিচালনা কৰে। এই পৰিচালনা সমিতিখন পূৰ্বৰ ■ দুই পৃষ্ঠাত

### অসমীয়া চলচ্চিত্ৰই বিগত নটা দশকত বহু যুগান্তকাৰী পৰিৱৰ্তনৰ সাক্ষী হৈছে ঃ বিমল বড়া




# অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান

**গুৱাহাটী ঃ** 'ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱে বাট কাটি দিয়া অসমীয়া চলচ্চিত্ৰই বিগত নটা দশকত বহু যুগান্তকাৰী পৰিৱৰ্তনৰ সাক্ষী হৈছে'— গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত যোৱা ৰপ্ত ফেব্ৰুৱাৰীত অনুষ্ঠিত নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাপ্ৰদান অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই এইদৰে কয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ যৌথ উদ্যোগত আয়োজিত নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাপ্ৰদান অনুষ্ঠানত উপস্থিত থাকি সাংস্কৃতিক মন্ত্ৰী বড়াই অসমীয়া চলচ্চিত্ৰ উদ্যোগক আগবঢ়াই নিয়াৰ দিশত দৰ্শকৰ দায়িত্ব  সন্দৰ্ভতো মত ব্যক্ত কৰে। বহুকেইগৰাকী নতুন চলচ্চিত্ৰ নিৰ্মাতাই বিশ্বমানৰ ছবি নিৰ্মাণেৰে সাম্প্ৰতিক অসমীয়া ছবিৰ উত্তৰণত বিশেষ বৰঙণি যোগোৱাৰ কথাও মন্ত্ৰীগৰাকীয়ে ■ ১৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# বৰঝাৰত নতুন টাৰ্মিনেল

বুলি কোৱা হৈছিল; কিন্তু ১১ জানুৱাৰী পাৰ হোৱাৰ পাঁচোটা সপ্তাহ পাৰ হোৱাৰ পাছতো এই পৰ্যন্ত নতুন টাৰ্মিনেল ভৱনৰ পৰা বিমান সেৱা আৰম্ভ কৰিব পৰা হোৱা নাই। আনকি অভিযোগ অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰিচালনা কৰাৰ দায়িত্বত থকা গুৱাহাটী আদানি এয়াৰপৰ্ট হল্ডিং লিমিটেড (এ এ এইছ এল)ৰ ফালৰ পৰা ভাৰত চৰকাৰ আৰু অসম চৰকাৰক বিপথে পৰিচালিত কৰি যাৱতীয় আন্তঃগাঁথনি সম্পূৰ্ণ নকৰাকৈয়ে নতুন টাৰ্মিনেল ভৱনটো স্বয়ং প্ৰধানমন্ত্ৰীৰ দ্বাৰা উদ্বোধন কৰা হৈছিল তাক ওলাই পৰিছে। শেহতীয়াকৈ এ এ এইছ এলে ২২ ফেব্ৰুৱাৰীত নতুন টাৰ্মিনেল ভৱনৰ পৰা ঘৰুৱা বিমান সেৱা আৰম্ভ কৰা হ'ব বুলি কোৱা হৈছে; কিন্তু টাৰ্মিনেল ভৱনটোৰ চৌহদত বৰ্তমান পাৰ্কিং স্থান, প্ৰৱেশ আৰু প্ৰস্থান পথ, নিৰাপত্তাৰক্ষীৰ চেকিং গেট, বিমান যাত্ৰীৰ বাবে টাৰ্মিনেল ভৱনৰ ভিতৰলৈ অহা-যোৱা কৰা পথ, পাৰ্কিং পৰিচালনা কৰা কৰ্মচাৰীৰ বাবে ইলেকট্ৰিক গেটকে ধৰি যাৱতীয় কাম-কাজসমূহ এতিয়াও সম্পূৰ্ণৰূপে সম্পন্ন হোৱা নাই। সেই কাম কেতিয়ালৈ সম্পূৰ্ণ হ'ব তাকো নিশ্চিত কৰিব পৰা হোৱা নাই। বৰ্তমান চলি থকা কামৰ ধৰণ কৰণলৈ চাই যাৱতীয় আন্তঃগাঁথনি সম্পূৰ্ণ হোৱালৈকে কমেও যে এক মাহ লাগিব সেয়া প্ৰায় নিশ্চিত। উল্লেখ্য যে বিগত বৰ্ষত পৰিবহণ ব্যৱস্থাৰ পৰিচালনাৰ লগতে নতুন টাৰ্মিনেল ভৱনৰ ডিজাইনৰ বাবে দুটা সন্মানীয় আন্তৰ্জাতিক বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছিল। তথ্য মতে কেন্দ্ৰীয় চৰকাৰৰ বিমান বন্দৰ ব্যক্তিগতকৰণ কাৰ্যসূচীৰ আধাৰত ২০২১ চনৰ আগষ্টৰ পৰা বিমাবন্দৰটোৰ পৰিচালনাৰ দায়িত্ব আদানি গ্ৰুপক হস্তান্তৰ কৰা হৈছিল। ইফালে, বিশ্বমানৰ আৰ্হিত নিৰ্মাণ কৰা টাৰ্মিনেল ভৱনটোত অসমকে ধৰি উত্তৰ-পূৰ্বৰ কৃষ্টি সংস্কৃতি প্ৰতিফলিত কৰাৰো ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে যোগাযোগ, পৰ্যটন আৰু সৰ্বাংগীণ উন্নয়নক ত্বৰান্বিত কৰি গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত যাত্ৰীৰ বৰ্দ্ধিত সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণে ২০১৮ চনত অৰ্থাৎ নৰেন্দ্ৰ মোডী চৰকাৰৰ প্ৰথমটো কাৰ্যকালতে এটা নতুন টাৰ্মিনেলৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। অৱশেষত পলমকৈ হ'লেও নতুন টাৰ্মিনেলৰ নিৰ্মাণ কাৰ্য ২০২৫ বৰ্ষত সম্পূৰ্ণ কৰা হয়। বৰ্তমানৰ টাৰ্মিনেলতকৈ প্ৰায় ৭ গুণ ডাঙৰ ১.৪ লাখ বৰ্গ মিটাৰ এলেকাৰ নতুন টাৰ্মিনেলটোৱে বছৰি ১ কোটি ৩১ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ সাজু কৰি তোলা হৈছে। নতুন টাৰ্মিনেলটো উদ্বোধন কৰাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিমান পৰিবহনৰ ক্ষেত্ৰত অসমত নতুন দিগন্তৰ সূচনা হ'ব। কিয়নো পুৰণি টাৰ্মিনেলটোতকৈ নতুন টাৰ্মিনেলটো প্ৰায় ৭ গুণ ডাঙৰকৈ নিৰ্মাণ কৰা হৈছে। টাৰ্মিনেলটো উদ্বোধন কৰাৰ পাছত বিমানবন্দৰটোৰ জৰিয়তে অধিক লোকৰ আকাশী পথেৰে পৰিবহনৰ সুযোগ সৃষ্টি হ'ব। তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমত প্ৰথমবাৰৰ বাবে 'এডভান্টেজ আছাম' অনুষ্ঠিত কৰিছিল আৰু প্ৰথম এডভান্টেজ আছামৰ জৰিয়তে বৰঝাৰ বিমানবন্দৰত নতুন টাৰ্মিনেলটো নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বুজাবুজি চুক্তিমৰ্মেই ২০১৮ চনত নিৰ্মাণৰ আৰম্ভ কৰা হৈছিল। উল্লেখ্য যে অসমসহ উত্তৰ-পূৰ্বত উপলব্ধ হোৱা থলুৱা প্ৰজাতিৰ বাঁহেৰে বিশেষভাৱে সজাই-পৰাই তোলা কৰ্পৌ ফুলৰ আৰ্হিত নিৰ্মাণ কৰা টাৰ্মিনেলটো মুকলিৰ বাবে সাজু হৈ উঠিছে। ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে টাৰ্মিনেলৰ সন্মুখৰ বাকৰিত ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ২১ ফুট উচ্চতাৰ এক বিশাল প্ৰতিমূৰ্তিও উন্মোচন কৰিছিল; কিন্তু বিমানবন্দৰটোৰ টাৰ্মিনেল ভৱনৰ চৌহদৰ লগতে সন্মুখৰ বাকৰিত যাত্ৰীৰ সহায়ক হোৱাকৈ তথা যাত্ৰীৰ বাবে উপলব্ধ হ'বলগীয়া সা-সুবিধাসমূহ নোহোৱাকৈ বিমান সেৱা আৰম্ভ কৰিলে যাত্ৰীৰ লগতে, যাত্ৰীক থবলৈ বা নিবলৈ অহা লোক, দায়িত্ববাহী কৰ্মচাৰী-নিৰাপত্তাৰক্ষী অসুবিধাৰ সন্মুখীন হোৱাটো নিশ্চিত। ইফালে ২০২১ চনত বিমানবন্দৰৰ পৰিচালনা কৰাৰ দায়িত্ব আদানি গ্ৰুপ হস্তান্তৰ কৰাৰ পাছত বিমানবন্দৰত যাত্ৰীক থবলৈ অহা বাহনৰ পাৰ্কিং মাচুল পূৰ্বৰ আধাঘন্টাত ৩০ টকাৰ বিপৰীতে একেকোবে ৯০ টকালৈ বৃদ্ধি কৰা হয়।

# বাইহাটা ৰে'লৱে য়াৰ্ড দখলক লৈ তৎপৰ দুই ফৈদ

কমলপুৰ আৰু বৰ্তমানৰ বৰঁড়িয়া বিধান সভা সমষ্টিৰ এগৰাকী ৰাজনৈতিক নেতাই পৰিচালনা কৰি আহিছিল; কিন্তু যিহেতু য়াৰ্ডটো কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সেয়েহে কমলপুৰৰ একাংশ ৰাজনৈতিক কৰ্মীয়ে য়াৰ্ডটো দখলৰ বাবে উঠি-পৰি লাগিছে। ৰে'লৱেৰ য়াৰ্ড দখলৰ বাবে বাইহাটা ৰে'লৱে ষ্টেছনত একেটা ৰাজনৈতিক দলৰ দুটা ফৈদৰ মাজত আৰম্ভ হোৱা সংঘাত এতিয়া ৰাইজৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছে।

# অসমত উদ্যোগীকৰণৰ এক নতুন যুগৰ সূচনা হৈছে

হিতাধিকাৰী। সভাত মুখ্যমন্ত্ৰীয়ে তামুলপুৰ বিধানসভা সমষ্টিত নতুনকৈ নিৰ্মাণ কৰা চাৰিখন আৰ চি চি দলঙো উদ্বোধন কৰে। ইয়াৰে তিনিখন দলং মটঙা নৈৰ ওপৰত আৰু এখন বাল্টি নৈৰ ওপৰত নিৰ্মাণ কৰা হৈছো মটঙা নৈৰ ওপৰত নিৰ্মিত দুখন দলং আৰু বাল্টি নৈৰ ওপৰত নিৰ্মিত দলংখন কুমাৰীকাটা-কাউলি-গুৱাবাৰী পথত নিৰ্মাণ কৰা হৈছে। আনহাতে মটঙা নৈৰ ওপৰত নিৰ্মিত তৃতীয়খন দলং দক্ষিণ কুমাৰীকাটা-নাগ্ৰীজুলি পথত নিৰ্মাণ কৰা হৈছে। মটঙা নৈৰ ওপৰত নিৰ্মিত দলংকেইখনৰ দৈৰ্ঘ্য হৈছে প্ৰায় ১৫২ মিটাৰ, প্ৰায় ২৬ মিটাৰ আৰু প্ৰায় ১২৭ মিটাৰ। আনহাতে বাল্টি নৈৰ ওপৰত নিৰ্মাণ কৰা দলংখনৰ দৈৰ্ঘ্য প্ৰায় ১৫২ মিটাৰ। নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৩১.২৬ কোটি টকা ব্যয়ৰে দলংকেইখন নিৰ্মাণ কৰা হৈছে। জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে অসমৰ যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ আৰম্ভ কৰিছে। তেওঁ কয় যে সমগ্ৰ ৰাজ্যত এই আঁচনিৰ জৰিয়তে ফেব্ৰুৱাৰীৰ ভিতৰতে হিতাধিকাৰীসকলক পুঁজি বিতৰণৰ কাম সম্পূৰ্ণ কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকী কয় যে বিগত বিধানসভা নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰে ইতিমধ্যে ১ লাখ ৬০ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰিছে। তেওঁ কয় যে অসমত প্ৰতি বছৰে প্ৰায় ৫ লাখ শিক্ষাৰ্থী মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয় আৰু নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ থাকে, যাৰ পৰিপ্ৰেক্ষিতত সকলোকে কেৱল চৰকাৰী চাকৰিৰে সংস্থাপন দিয়াটো সম্ভৱ নহয়। সেয়েহে চাকৰি নাপাই অসমৰ প্ৰায় ২০ লাখ ল'ৰা-ছোৱালীয়ে মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু কৰ্ণাটকৰ দৰে ৰাজ্যলৈ মাত্ৰ ১২-১৩ হাজাৰ টকাৰ চাকৰি কৰিবলৈ যাবলগীয়া হয়। অসমৰ বাহিৰত কৰ্মৰত যুৱক-যুৱতীসকলৰ দুখজনক পৰিস্থিতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে বাহিৰত কাম কৰিবলৈ গৈ দুখজনক পৰিস্থিতিত মৃত্যুক সাৱট ল'ব লগা হোৱা অসমৰ ল'ৰা-ছোৱালীৰ মৃতদেহ চৰকাৰী খৰচত ঘৰলৈ আনি মাক-দেউতাকক গতাই দিবলৈ চৰকাৰে 'শ্ৰদ্ধাঞ্জলি' আঁচনি আৰম্ভ কৰিছিল। যোৱা জানুৱাৰী মাহতে চৰকাৰে বাহিৰৰ পৰা এনে ৪৮ টা মৃতদেহ উভতাই আনিবলগীয়া হৈছে, যি অত্যন্ত দুখজনক পৰিসংখ্যা। মাত্ৰ ১২ হাজাৰ টকাৰ দৰমহাত চিকিৎসা বা ঘৰ ভাড়াৰ খৰচ উলিয়াব নোৱাৰি তীব্ৰ আৰ্থিক সংকটৰ বাবেই আমাৰ যুৱকসকলে বাহিৰত মৃত্যুবৰণ কৰিবলগীয়া হয় আৰু এই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈকে ঘৰতে সংস্থাপনৰ বাবে 'আত্মনিৰ্ভৰ অসম' অভিযান আৰম্ভ কৰা হৈছে। অসমৰ নিবনুৱা সমস্যাৰ মূল কাৰণসমূহৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা ৭০ বছৰ ধৰি অসমত পৰিকল্পিতভাৱে উদ্যোগীকৰণৰ কাম নোহোৱাৰ বাবেই আমাৰ যুৱ প্ৰজন্মাই কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া হৈছে। তেওঁ কেইদিনমান পূৰ্বে বেংগালুৰুত মিছিং জনগোষ্ঠীৰ চাৰিজন যুৱকে একেলগে মৃত্যুবৰণ কৰা শোকাবহ ঘটনাটোৰ কথা সোঁৱৰাই দি কয় যে বানপানীৰ বাবে আমাৰ ৰাজ্যত কৃষকে বছৰি মাত্ৰ এটা খেতিহে কৰিব পাৰে, যাৰ ফলত নিবনুৱা সমস্যাই এক ডাঙৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছো এই প্ৰত্যাহান নেওচিবলৈ চৰকাৰী চাকৰিয়েই একমাত্ৰ সমাধান নহয় বুলি স্পষ্ট কৰিদি তেওঁ কয় যে এজন চৰকাৰী কৰ্মচাৰীয়ে নিজে চাকৰি কৰিব পাৰে যদিও নতুন সংস্থাপনৰ সৃষ্টি কৰিব নোৱাৰে। ইয়াৰ বিপৰীতে এজন যুৱকে যদি নিজে ব্যৱসায় বা উদ্যোগ আৰম্ভ কৰে নাইবা জেচিবি বা পাৱাৰ টিলাৰ আদি কিনে, তেন্তে তেওঁ আৰু আন দহজনক চাকৰি দিয়াৰ ক্ষমতা লাভ কৰিব পাৰে মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কয় যে বৰ্তমানৰ অসমত কেৱল এমপ্লয়ী নহয়, আমাক এনে এমপ্লয়াৰ বা নিয়োগকৰ্তাৰহে প্ৰয়োজন যিয়ে নিয়োগ সৃষ্টি কৰি আমাৰ লখা-ছোৱালীক বহিঃৰাজ্যলৈ যোৱাৰ পৰা ৰক্ষা কৰিব পাৰে। ৰাজ্যখনত আৰম্ভ হোৱা শেহতীয়া উদ্যোগিক বিপ্লৱৰ বিষয়ে উল্লেখ কৰি কয় যে বৰ্তমান অসমত প্ৰায় ৫ লাখ কোটি টকাৰ বিনিয়োগেৰে উদ্যোগীকৰণৰ এক নতুন যুগৰ সূচনা হৈছে। চাপৰৰ থাৰ্মেল পাৱাৰ প্লেন্ট, নুমলীগড়ৰ বায় বিফাইনেৰী, জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰজেক্ট আৰু নামৰূপৰ সাৰ কাৰখানাৰ দৰে বৃহৎ প্ৰকল্পসমূহে কেৱল প্ৰত্যক্ষ চাকৰিয়েই নহয়, বৰঞ্চ একো একোটা বিশাল কৰ্মসংস্থাপনৰ পৰিৱেশ সৃষ্টি কৰিব। তেওঁ কয় যে উদাহৰণস্বৰূপে চাপৰৰ থাৰ্মেল পাৱাৰ প্লেন্টলৈ কয়লা কঢ়িয়াবলৈকে প্ৰায় ২০০ খন ট্ৰাকৰ প্ৰয়োজন হ'ব। সেইদৰে জাগীৰোডত ৩০ হাজাৰ মানুহে কাম কৰিলে তাত থকা ১ লাখ লোকৰ নতুন বসতিৰ বাবে বিদ্যালয়, টেইলবিং, মেকানিক, স্কুটাৰ মেৰামতিৰ কাৰখানা, চাহৰ হোটেল আৰু পৰিবহণৰ দৰে খণ্ডত হাজাৰ হাজাৰ লোকৰ সংস্থাপনৰ পথ মুকলি হ'ব ইয়াৰ লগতে 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম' আঁচনিৰ ৰ লাখ হিতাধিকাৰীয়ে যদি নিজক বাদ দি মাত্ৰ দুজনকৈ লোকক নিয়োগ কৰে, তেন্তে একেলগে ৩ লাখ চাকৰিৰ সৃষ্টি হৈ ৰাজ্যৰ অৰ্থনীতি এক নতুন দিশলৈ ধাৱমান হ'ব বুলি তেওঁ মন্তব্য কৰে। ভাষণ তেওঁ পুনৰ কয় যে আত্মনিৰ্ভৰ অসম আঁচনিৰ এই ২ লাখ টকা কোনো দান নহয়, ই হ'ল যুৱক-যুৱতীসকলৰ বাবে নিজৰ ভৰিত থিয় হোৱাৰ এক বিশেষ সুযোগ। ইয়াৰে ১ লাখ টকা হ'ল চৰকাৰী ৰাজসাহায্য আৰু বাকী ১ লাখ টকা ৫ বছৰৰ ভিতৰত বিনা সুতত ওভতাই দিব লাগিব্য হিতাধিকাৰীসকলে প্ৰথম কিস্তিৰ টকা পোৱাৰ পিছত তেওঁলোকৰ কাম চোৱাচিতা কৰিবলৈ এজন চিএম ফেল নিয়োজিত থাকিব আৰু তেওঁ প্ৰদান কৰা নম্বৰৰ ওপৰত ভিত্তি কৰিহে উদ্যোগীসকলে পৰৱৰ্তী পুঁজি লাভ কৰিব বুলি মন্তব্য কৰে। বিটিচি অঞ্চলৰ উন্নয়নৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ৰাস্তা-ঘাট আৰু দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে বিটিচিক অতিৰিক্ত ১০০০ কোটি টকাৰ অনুমোদন জনাইছে। তেওঁ কয় যে শান্তি আছে বাবেই আজি উন্নয়নৰ কথা পাতিব পৰা গৈছে। নাগ্ৰিজুলীত এখন নতুন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে যুৱক-যুৱতীসকলক উদ্দেশ্য কৰি তেওঁ পুনৰ কয় যে হিতাধিকাৰীসকলে যদি মটৰচাইকেল বা আমোদ-প্ৰমোদত টকা খৰচ নকৰি ব্যৱসায়ত বিনিয়োগ কৰে, তেন্তে ভৱিষ্যতে বেংকৰ পৰা অধিক ঋণ লাভ কৰিব। ৰাজ্য চৰকাৰে পৰৱৰ্তী কাৰ্যকালত আৰু ২ লাখ চৰকাৰী চাকৰি দিয়াৰ লগতে প্ৰায় ১০ লাখ যুৱক-যুৱতীক এই স্বাৱলম্বন আঁচনিৰ অধীনত সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰিছে বুলিও তেওঁ সদৰী কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আদি দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী তথা তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী চৰণ বড়ো, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, বিটিচিৰ অধ্যক্ষ ত্ৰিদিৱ দৈমাৰী আৰু উপাধ্যক্ষ বিজিৎ গৌড়া নাজাৰী, বিধায়ক ফণীধৰ তালুকদাৰ, জলেন দৈমাৰী আৰু ভূপেন বড়ো, বিটিচিৰ কেইবাগৰাকীও পাৰিষদকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি, জিলা আয়ুক্ত চিমি কৰণ বিভাগীয় বিষয়ববীয়াসকল তথা তামুলপুৰ, বাক্সা আৰু ওদালগুৰি জিলাৰ জিলাৰ পৰা অহা যুৱ উদ্যোগীসকল উপস্থিত থাকে।

# কামৰূপ মহানগৰত চলিত বৰ্ষৰ আশা অভিবৰ্তন

**গুৱাহাটী ঃ** কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত যোৱা শুক্ৰবাৰে দিনজোৰা কাৰ্যসূচীৰে চলিত বৰ্ষৰ আশা অভিবৰ্তন সফলভাৱে অনুষ্ঠিত হয়। আশা কৰ্মীসকলে স্বাস্থ্য বিভাগ আৰু সমাজৰ মাজত এক গুৰুত্বপূৰ্ণ যোগসূত্ৰ হিচাপে কাম কৰি আহিছে। বৰ্তমান মহানগৰত মুঠ ৬৮৬ গৰাকী আশাকৰ্মী জিলাখনৰ বিভিন্ন স্বাস্থ্য খণ্ডত নিষ্ঠা আৰু দায়িত্বশীলতাৰে কৰ্মৰত হৈ আছে। স্বাস্থ্য বিভাগৰ প্ৰতিটো কাৰ্যসূচীৰ ৰূপায়ণত তেওঁলোকৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। জিলাখনৰ আশাকৰ্মীসকলৰ অৱদানক আনুষ্ঠানিক স্বীকৃতি আৰু সন্মান জনোৱাৰ উদ্দেশ্যে এই অভিবৰ্তনৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত জিলাখনৰ প্ৰতিটো মণ্ডল আৰু খণ্ডৰ পৰা তিনিগৰাকীকৈ মুঠ ১৫ গৰাকী উল্লেখযোগ্য অৱদান আগবঢ়োৱা আশাকৰ্মীৰ লগতে সোনাপুৰ খণ্ডৰ এগৰাকী আশা চুপাৰভাইজাৰক একোখনকৈ মানপত্ৰ আৰু পুৰস্কাৰেৰে সন্মানিত কৰা হয়। তদুপৰি কৰ্মৰ পৰা অব্যাহতি গ্ৰহণ কৰা ১১ গৰাকী আশাকৰ্মীকো এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। আনহাতে, আশাকৰ্মী হিচাপে কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা জিলাখনৰ দুগৰাকী আশাকৰ্মীৰ পৰিয়ালৰ সদস্যক 'আশা-কিৰণ' আঁচনিৰ অধীনত এক লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মহানগৰ জিলা পুথিভঁৰালত অনুষ্ঠিত আশা অভিবৰ্তনখন আৰম্ভ কৰে জিলা উন্নয়ন আয়ুক্ত পাৰিজাত ভূঞাই। ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ নাৰায়ণ দত্ত শৰ্মাকে ধৰি স্বাস্থ্য বিভাগৰ বিষয়াসকল তথা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আৰু খণ্ডভিত্তিক বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে।



## সাংসদ ৰকিবুল হুছেইনৰ সাংসদ পুঁজিৰ ধনেৰে ধুবুৰীত এম্বুলেন্স প্ৰদান

**গুৱাহাটী ঃ** ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত ১১টা বিধানসভা সমষ্টিৰ বাবে ১১খনকৈ এম্বুলেন্স প্ৰদান কৰা হয়। যোৱা দেওবাৰে ধুবুৰী জিলাৰ বালাজানত পতাকা উৰুৱাই এম্বুলেন্সকেইখন ৰাইজৰ সেৱাৰ বাবে মুকলি কৰে ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে। জৰুৰী স্বাস্থ্যসেৱা অধিক সুলভ আৰু দ্ৰুত কৰাৰ লক্ষ্যৰে সাংসদ পুঁজিৰ ধনেৰে গ্ৰহণ কৰা এই পদক্ষেপে সমষ্টিবাসীক উপকৃত কৰিব বুলি আশা কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত লোকসভাৰ অন্তৰ্গত প্ৰায়সকল বিধায়ক, সমষ্টিভিত্তিক কংগ্ৰেছ নেতা, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নেতৃবৃন্দ, ধুবুৰী জিলা কংগ্ৰেছ কমিটি আৰু বিভিন্ন ব্লক কংগ্ৰেছ কমিটিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে গৌৰীপুৰ বিধানসভা সমষ্টিৰ বালাজান-সাহেবগঞ্জ পথত ধুবুৰী জিলা ইয়ং ব্ৰিগেডৰ উদ্যোগত আয়োজিত এখন ৰাজহুৱা সভাত উপস্থিত থাকি সাংসদ ৰকিবুল হুছেইনে দলীয় কৰ্মী আৰু ৰাইজৰ সৈতে মত বিনিময় কৰে। সভাত বিভিন্ন সামাজিক আৰু উন্নয়নমূলক বিষয় সম্পৰ্কে আলোচনা কৰা হয়। ইফালে, ধুবুৰী বিধানসভা সমষ্টিৰ আদাবাৰীত বুথ স্তৰৰ প্ৰশিক্ষণ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে সাংসদ হুছেইনে। এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে সাংগঠনিক ভেটি অধিক মজবুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে, সাংসদগৰাকীয়ে বুথ পৰ্যায়ত কৰ্মীসকলক অধিক সক্ৰিয় আৰু সুসংগঠিত হৈ কাম কৰিবলৈ আহ্বান জনায়।


অসম চৰকাৰ

শ্ৰদ্ধাঞ্জলি আঁচনি

বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ

আঁচনিখনৰ সবিশেষ সেৱা সেতু প'ৰ্টেলত উপলব্ধ

বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-
৯১৮১০-১৪৮৮৮
১১২
০৩৬১-২৩৮১৫১১

RO no. 4490/25/18-Feb-26

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

■ অসম ভূমি ■ ১৮ ফেব্ৰুৱাৰী, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# পৰিৱৰ্তনৰ জোৱাৰ

কুৰি শতিকাৰ বিশ্বত আৰম্ভ হোৱা পৰিৱৰ্তনৰ জোৱাৰে এতিয়া সমাজৰ সকলো স্তৰতে প্ৰৱেশ কৰিছে। প্ৰযুক্তি আৰু বিজ্ঞানৰ অভূতপূৰ্ব বিকাশৰ ফলত পূৰ্বতে মানুহে কৰিব নোৱৰা অনেক কাম যন্ত্ৰৰ ব্যৱহাৰেৰে এতিয়া কম আয়াসতে সিদ্ধ কৰি দিয়ে। তাৰ ফলত শ্ৰম আৰু সময়ৰ ৰাহি হোৱাৰ লগতে গুণগত মান উন্নত হয়। সমান্তৰালভাৱে মানুহৰ প্ৰয়োজন বৃদ্ধি হ'ল। পৃথিৱীৰ বৰ্ধিত জনসংখ্যাক পেটৰ ভাতমুঠি যোগান দিবলৈ পৰম্পৰাগত কৃষিপদ্ধতি অসমৰ্থ হ'ল। তাৰ ফলত একে পৰিমাণৰ মাটিতে অধিক শস্য উৎপাদনৰ প্ৰয়োজন আৰু কৃষিত বিজ্ঞান-প্ৰযুক্তিৰ ব্যৱহাৰ হ'ল। মানুহৰ শাৰীৰিক শ্ৰমৰ প্ৰয়োজন কমি আহিল। ইয়ে এটা সমস্যাৰ সমাধান কৰিলে। কিন্তু লগে লগে এটা নতুন সমস্যাৰ জন্ম দিলে। পূৰ্বতে কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰা লোকৰ অধিকাংশ কৰ্মহীন হৈ পৰিল। এইসকল লোকৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰাটো এতিয়া বিশ্বজোৰা সমস্যা। আনহাতে, পুঁজিবাদৰ প্ৰসাৰৰ লগে লগে নানা ধৰণৰ নতুন নতুন সামগ্ৰীয়ে বজাৰ ছানি ধৰিলে। ম'বাইল ফোন, ইণ্টাৰনেট আদিৰ ব্যাপক প্ৰচলনে এহাতেদি মানুহৰ ৰুচিৰ পৰিৱৰ্তন ঘটালে আৰু আনহাতেদি খৰচৰ মাত্ৰা বৃদ্ধি কৰিলে। মানুহৰ প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখন সলনি হ'ল। ম'বাইল ফোন এতিয়া বিলাসৰ সামগ্ৰী নহয়। আধুনিক শিক্ষা ব্যৱস্থাৰ স'তে ম'বাইল ফোন অংগৰূপে যুক্ত হৈ পৰিছে। সেইবোৰ সন্তানক যোগান দিয়াৰ দায়িত্ব যিহেতু অভিভাৱকৰ ওপৰত ন্যস্ত, প্ৰতিটো পৰিয়ালৰ খৰচৰ পৰিমাণ বাঢ়িছে। মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখনো দীঘল হৈ গৈ আছে। এইখিনিতে প্ৰশ্ন আহে ব্যয় বৃদ্ধিৰ স'তে সংগতি ৰাখি সমানুপাতিকভাৱে মানুহৰ আয় বৃদ্ধি হৈছে নে নাই? যদি হোৱা নাই, বৰ্ধিত খৰচৰ জোৰা মাৰিবলৈ ধন আহিছে কেনে উৎসৰ পৰা? অভাৱগ্ৰস্ত মানুহৰ সংখ্যা বৃদ্ধি হ'লে সমাজত অস্থিৰতাই দেখা দিয়ে। ইয়ে যাতে জনৰোষলৈ পৰিৱৰ্তিত নহয়, তাৰ বাবে প্ৰতিখন চৰকাৰেই চেষ্টা কৰে। ই নিতান্তই স্বাভাৱিক। কিন্তু আমাৰ দেশত বৰ্তমান দেখা গৈছে নানা ছল-চাতুৰীৰ আশ্ৰয় লৈ চৰকাৰে জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে। আপদ কালত দৰিদ্ৰ জনসাধাৰণক আৰ্থিক সকাহ দিবলৈ যিকোনো কল্যাণকামী চৰকাৰ আগবাঢ়ি অহা উচিত। দুৰ্ভিক্ষ, বানপানী, প্ৰাকৃতিক দুৰ্যোগ আদিৰ সময়ত দুৰ্গত জনতাক সাহায্য কৰাটো প্ৰয়োজন। কিন্তু তেনে সাহায্য সাময়িক হোৱা উচিত। দুৰ্যোগৰ সময় পাৰ হোৱাৰ পাছত মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা পুনৰ আৰম্ভ হয় আৰু চৰকাৰী সাহায্যও বন্ধ কৰা হয়। কিন্তু বৰ্তমান দেখা গৈছে, উপাৰ্জনৰ কোনো পথ নথকা কোটি কোটি লোকক অনাহাৰৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰৰ খৰচত অন্ন যোগান ধৰাটো নিয়মত পৰিণত হৈছে। কৰ্মহীন লোকৰ সংস্থাপনৰ ব্যৱস্থা কৰাটো চৰকাৰৰ দায়িত্ব। কামৰ বিনিময়ত উপাৰ্জন কৰাটো সমাজৰ প্ৰচলিত ৰীতি। এতিয়া সেই চিৰাচৰিত প্ৰথাৰ পৰা আঁতৰি গৈ দৰিদ্ৰ অথচ কৰ্মক্ষম লোকক বিনামূলীয়াকৈ খাদ্য যোগান ধৰাৰ ব্যৱস্থা চৰকাৰে কৰিছে। তাৰ বাবে নানা ধৰণৰ আঁচনিৰ প্ৰৱৰ্তন কৰা হৈছে। এনে আঁচনিৰ যোগেদি উপকৃত হোৱা লোকসকলক হিতাধিকাৰী আখ্যা দিয়া হৈছে। এই হিতাধিকাৰীসকল কৰ্মক্ষম, কিন্তু কৰ্মহীন। ৰাজকোষৰ ধনেৰে এওঁলোকক পোহপাল দি থকা হয়। হিতাধিকাৰীসকলৰ বাবে ব্যয় হোৱা ধনৰ পৰা কোনো ৰাজহুৱা সম্পদৰ সৃষ্টি নহয়। দেশৰ বা সমাজৰ অৰ্থনৈতিক উন্নয়নত ইয়ে কেনে ধৰণৰ অৰিহণা যোগাব, সেয়া পণ্ডিতসকলৰ বিচাৰ্য বিষয়। কিন্তু এই ব্যৱস্থাই যে এচাম কৰ্মবিমুখ লোকৰ সৃষ্টি কৰিছে তাত কোনো সন্দেহ নাই। এনে এদল কৰ্মবিমুখ লোকক লৈ এটা সবল জাতি গঠন কৰাটো যে সম্ভৱ নহয় সেই কথা কাৰো অজানা নহয়। তথাপি এইবোৰ অনুৎপাদনশীল আঁচনি চলাই নিয়া হৈছে শাসক দলৰ ৰাজনৈতিক লাভৰ প্ৰতি দৃষ্টি ৰাখি।

আমাৰ দেশৰ দৰিদ্ৰ লোকক আৰ্থিক সকাহ দিয়াৰ বাবে কল্যাণমূলক আঁচনিৰ প্ৰয়োজন আছে। কিন্তু তেনে আঁচনিয়ে মানুহৰ বাবে কৰ্মসংস্থান সৃষ্টি কৰিব লাগিব। মানুহৰ বাবে কাম থাকিলে আয় বৃদ্ধি পাব আৰু জীৱনৰ মান উন্নত হ'ব। কৰ্মইহে সম্পদ সৃষ্টি কৰে। অকল জনমোহিনী আঁচনি কিছুমান গ্ৰহণ শাসন ক্ষমতা ধৰি ৰখাৰ লক্ষ্য ল'লে দেশ আৰু দেশৰ অৰ্থনীতিৰ বিকাশ সম্ভৱ নহয়। সমাজৰ পৰিৱৰ্তনৰ স'তে ৰজিতা খুৱাই পৰিস্থিতিৰ লগত খাপ খোৱাকৈ অৰ্থবহ আঁচনি গ্ৰহণ কৰিব লাগিব।

*গোটেই বছৰটো পঢ়াৰ অন্তত পৰীক্ষাই শৈক্ষিক জীৱনৰ মূল্যায়নৰ মাপকাঠী। গতিকে মাতৃগৰাকীয়ে সন্তানক পৰীক্ষাৰ বাবে উপযুক্তভাৱে সাজু কৰি তোলাটো অত্যন্ত প্ৰয়োজন। নিয়মানুৱৰ্তিতা, একাগ্ৰতা আৰু অধ্যৱসায় পৰীক্ষাত সফলতা লাভৰ উপায়। গতিকে অভিভাৱকে সন্তানক সময়ৰ অপচয় নকৰাকৈ একাগ্ৰতাৰে নিয়মিতভাৱে পঢ়া-শুনা কৰাৰ বাবে আগ্ৰহী কৰি তুলিব লাগে। সম্পূৰ্ণ পাঠ্যক্ৰম নিয়মিতভাৱে পঢ়ি গ'লে পৰীক্ষাৰ আগমুহূৰ্তত টোপনি ক্ষতি কৰি পঢ়াৰ প্ৰয়োজন আহি নপৰে। টোপনি ক্ষতিয়ে সন্তানৰ স্বাস্থ্যত নেতিবাচক প্ৰভাৱ পেলাব পাৰে যাৰ ফলস্বৰূপে শিশুটোৱে পৰীক্ষাগৃহত মূৰৰ বিষৰ নিচিনা সমস্যাত ভুগি পৰীক্ষাত ভাল ফল দেখুৱাবলৈ অসমৰ্থ হ'ব পাৰে। এই সময়ত খোৱা-লোৱাৰ ক্ষেত্ৰত যথেষ্ট সাৱধান হ'ব লাগে। বহু সময়ত দেখা যায় বহুতো পিতৃ-মাতৃয়ে সন্তানৰ পৰা অধিক নম্বৰ আশা কৰে, অইন ছাত্ৰ-ছাত্ৰীকৈ বেছি নম্বৰ পোৱাটো বিচাৰে। যাৰ ফলস্বৰূপে তেওঁলোকে সন্তানৰ ওপৰত মানসিক চাপ প্ৰদান কৰে। এইটো একেবাৰে অনুচিত।*

# সন্তানৰ পৰীক্ষাত অভিভাৱকৰ ভূমিকা

শেৱালী বৰ্মন


পৰীক্ষা শব্দটোৰ লগত জড়িত হৈ থাকে আৱেগ, উৎকণ্ঠা, ভয় ইত্যাদি বহুতো অনুভূতি। পৰীক্ষা যদিও জ্ঞান বা যোগ্যতা নিৰূপণৰ সঠিক মাপকাঠী নহয় তথাপিও পৰীক্ষাৰ ফলাফলৰ ওপৰতেই শিশুৰ ভৱিষ্যৎ জীৱন ভালেখিনি নিৰ্ভৰশীল।

সন্তানৰ লগত মাতৃৰ সম্পৰ্ক অতি গভীৰ। সন্তান গৰ্ভত ধাৰণ কৰাৰ পৰা আৰম্ভ কৰি লালন-পালন, শিক্ষা-দীক্ষা সকলো ক্ষেত্ৰতে মাতৃৰ ভূমিকা সৰ্বোচ্চ। সেয়ে এগৰাকী মাতৃক হেজাৰজন শিক্ষকতকৈ শ্ৰেষ্ঠ বুলি কোৱা হয়। সন্তানৰ অতন্দ্ৰ প্ৰহৰী মাতৃয়ে সন্তানক জীৱনৰ প্ৰতিটো মুহূৰ্তৰ বাবে সাজু কৰি তোলে।

গোটেই বছৰটো পঢ়াৰ অন্তত পৰীক্ষাই শৈক্ষিক জীৱনৰ মূল্যায়নৰ মাপকাঠী। গতিকে মাতৃগৰাকীয়ে সন্তানক পৰীক্ষাৰ বাবে উপযুক্তভাৱে সাজু কৰি তোলাটো অত্যন্ত প্ৰয়োজন। নিয়মানুৱৰ্তিতা, একাগ্ৰতা আৰু অধ্যৱসায় পৰীক্ষাত সফলতা লাভৰ উপায়। গতিকে অভিভাৱকে সন্তানক সময়ৰ অপচয় নকৰাকৈ একাগ্ৰতাৰে নিয়মিতভাৱে পঢ়া-শুনা কৰাৰ বাবে আগ্ৰহী কৰি তুলিব লাগে। সম্পূৰ্ণ পাঠ্যক্ৰম নিয়মিতভাৱে পঢ়ি গ'লে পৰীক্ষাৰ আগমুহূৰ্তত টোপনি ক্ষতি কৰি পঢ়াৰ প্ৰয়োজন আহি নপৰে। টোপনি ক্ষতিয়ে সন্তানৰ স্বাস্থ্যত নেতিবাচক প্ৰভাৱ পেলাব পাৰে যাৰ ফলস্বৰূপে শিশুটোৱে পৰীক্ষাগৃহত মূৰৰ বিষৰ নিচিনা সমস্যাত ভুগি পৰীক্ষাত ভাল ফল দেখুৱাবলৈ অসমৰ্থ হ'ব পাৰে। এই সময়ত খোৱা-লোৱাৰ ক্ষেত্ৰত যথেষ্ট সাৱধান হ'ব লাগে। বহু সময়ত দেখা যায় বহুতো পিতৃ-মাতৃয়ে সন্তানৰ পৰা অধিক নম্বৰ আশা কৰে, অইন ছাত্ৰ-ছাত্ৰীকৈ বেছি নম্বৰ পোৱাটো বিচাৰে। যাৰ ফলস্বৰূপে তেওঁলোকে সন্তানৰ ওপৰত মানসিক চাপ প্ৰদান কৰে। এইটো একেবাৰে অনুচিত। পৰীক্ষাগৃহত নকল কৰা এটা মাৰাত্মক ব্যাধি। গতিকে অভিভাৱকৰ কৰ্তব্য হ'ব শিশুটোক মৰমেৰে বুজাই এই অপকৰ্মৰ পৰা বিৰত ৰখাটো। যদি সন্তান সৰু থাকে তেন্তে পৰীক্ষাৰ সময়ত মাতৃগৰাকীয়ে শিশুটোক সম্পূৰ্ণৰূপে সংগ দি পাঠ্যপুথি খৰচি মাৰি অধ্যয়নত সহায় কৰিব লাগে। খৰচি মাৰি অধ্যয়ন কৰিলে পৰীক্ষাগৃহত সন্তানে সমস্যাৰ সন্মুখীন নহয়। মেট্ৰিক পৰীক্ষা জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষা। কাৰণ পোন প্ৰথমবাৰৰ বাবে ছাত্ৰ নাইবা ছাত্ৰীগৰাকীয়ে এটা বহল পৰিসৰত পৰীক্ষা দিয়ে। নিজৰ বিদ্যালয়ৰ বাহিৰত পৰীক্ষা দিবলগীয়া হয়, নিৰীক্ষকসকলো নিজৰ বিদ্যালয়ৰ নহয়। গতিকে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট ভীতিগ্ৰস্ত হয়। গতিকে অভিভাৱকৰ প্ৰধান কৰ্তব্য হ'ব শিশুটোক পৰীক্ষাৰ বাবে মানসিকভাৱে প্ৰস্তুত কৰি তোলা। বহুত সময়ত দেখা যায় বহুতো ছাত্ৰ-ছাত্ৰীয়ে মানসিকভাৱে ভীতিগ্ৰস্ত হৈ পৰীক্ষা দিবলৈ অসমৰ্থ হৈ পৰে। পিতৃ-মাতৃয়ে সন্তানক সাহস দিব লাগে। তেওঁলোকে সন্তানক বুজাব লাগে প্ৰতিজন নিৰীক্ষক ছাত্ৰৰ সহায়ৰ বাবেহে থাকে গতিকে তেখেতসকলক ভয় কৰাৰ কোনো কাৰণ নাই। পৰীক্ষা আৰম্ভ হোৱাৰ আগত চকু মুদি দীঘল দীঘলকৈ উশাহ ল'ব লাগে তেতিয়া মনতো শান্ত হৈ পৰে। পৰীক্ষাগৃহত ছাত্ৰৰ মৰ্যাদা ৰক্ষা কৰি শৃংখলাবদ্ধভাৱে পৰীক্ষা দিবলৈ, বহীত নাম-ৰোল নং শুদ্ধভাৱে লিখিবলৈ, প্ৰশ্নকাকত ভালদৰে পঢ়ি উত্তৰসমূহ পৰিপাটিকৈ লিখিবলৈ আগতীয়াকৈ কৈ থ'ব লাগে। বিগত কেইটামান বছৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ প্ৰতি যিটো ভয় সেইটো নাইকিয়া কৰিবলৈ 'পৰীক্ষা পে চৰ্চা' শীৰ্ষক এটা কাৰ্যসূচী হাতত লৈছে। এইটো এটা উৎসাহজনক কাৰ্য। সন্তানক এনেধৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব পাৰে যাতে তেওঁলোক পৰীক্ষা ভীতিৰ পৰা মুক্ত হ'ব পাৰে।

পদ্ধতিগতভাৱে আগবাঢ়িলে প্ৰতিটো কামত সফলতা লাভ কৰা সম্ভৱ। বৰ্তমান যুগ প্ৰতিযোগিতাৰ যুগ। সেয়া হ'লেও অকল নম্বৰৰ পিছত দৌৰি নিজৰ সন্তানে যাতে প্ৰকৃত জ্ঞান লাভৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতিও সজাগ হ'ব লাগিব পিতৃ-মাতৃ। সন্তানৰ বৌদ্ধিক বিকাশৰ লগে লগে নৈতিক বিকাশৰ দিশতো চকু দিব লাগিব মাতৃগৰাকীয়ে। কিয়নো শিশু হৈছে দেশৰ ভৱিষ্যৎ। মুঠতে সন্তানৰ পৰীক্ষাৰ সফলতাৰ আঁৰত মাতৃগৰাকীৰ ভূমিকা সৰ্বোচ্চ বুলি ক'লেও অত্যুক্তি কৰা নহয়।





# আমেৰিকাৰ অহংকাৰ, ইউৰোপৰ দূৰত্ব, চীনৰ সুযোগ

সত্যব্ৰত বৰা

আমাৰ আজিৰ বিশ্বখন দ্ৰুতগতিত সলনি হৈ আছে। আগতে যিবোৰ দেশে একত্ৰিত হৈ বিশ্ব শাসনৰ নিয়ম গঢ়ি তুলিছিল, এতিয়া সেই একে দেশবোৰৰ মাজতেই সন্দেহ, ভয় আৰু দূৰত্ব বাঢ়ি আহিছে। আমেৰিকা বহু বছৰ ধৰি বিশ্বৰ এক শক্তিশালী নেতৃত্ব হিচাপে পৰিচিত আছিল। ইউৰোপৰ বহু দেশ, কানাডা, জাপান, অষ্ট্ৰেলিয়া আদি দেশ আমেৰিকাৰ ওপৰত নিৰ্ভৰ কৰিছিল, বিশেষকৈ নিৰাপত্তা, বাণিজ্য আৰু কূটনৈতিক সহায়ৰ ক্ষেত্ৰত। কিন্তু ড'নাল্ড ট্ৰাম্পৰ নেতৃত্বত আমেৰিকাৰ আচৰণ আৰু বক্তব্যই বহু মিত্ৰ দেশক অস্বস্তিত পেলাইছে। ট্ৰাম্পে গ্ৰীনলেণ্ড সম্পৰ্কে কৰা দাবী আৰু ডাভোছত দিয়া বক্তব্যই ৰাজনৈতিক বিতৰ্কৰে সৃষ্টি কৰিছে এনে নহয়, ই এক বৃহৎ ভূ-ৰাজনৈতিক সংকেতো। আমেৰিকাৰ এনে ধৰণৰ আচৰণে নিজৰ মিত্ৰ দেশবোৰক লাহে লাহে চীনৰ প্ৰতি আকৰ্ষিত কৰিব পাৰে! তেনেহ'লে বিশ্বৰ শক্তিৰ সমীকৰণত এক ডাঙৰ পৰিৱৰ্তন আহিব।

গ্ৰীনলেণ্ড নামটো শুনিলে বহু লোকৰ মনত বৰফেৰে ঢকা এটা বিশাল দ্বীপৰ ছবি আহে। গ্ৰীনলেণ্ড বাস্তৱতে ডেনমাৰ্কৰ অধীনত থকা এক স্বশাসিত অঞ্চল। গ্ৰীনলেণ্ডৰ নিজা চৰকাৰ আছে, নিজা সাংস্কৃতিক পৰিচয় আছে। সৰ্বোপৰি গ্ৰীনলেণ্ড তাৰ জনসাধাৰণৰ ভূমি। গ্ৰীনলেণ্ডৰ মানুহে নিজৰ ভৱিষ্যৎ কিদৰে গঢ়িব সেই বিষয়ে বহু সময় ধৰি আলোচনা কৰি আহিছে। কিছুমানে স্বাধীনতা বিচাৰে, কিছুমানে ডেনমাৰ্কৰ সৈতে সম্পৰ্ক বজাই ৰাখিব খোজে কিন্তু প্ৰায় সকলোৰে একে কথা যে তেওঁলোকে কোনো বিদেশী শক্তিৰ সম্পত্তি হৈ থাকিব নিবিচাৰে। ট্ৰাম্পে প্ৰথমবাৰৰ বাবে গ্ৰীনলেণ্ড ক্ৰয় কৰাৰ কথা যেতিয়া কৈছিল তেতিয়া বহুতে তাক এক ধৰণৰ অদ্ভুত চিন্তা বুলি ভাবিছিল। কিন্তু দ্বিতীয়বাৰৰ বাবে ক্ষমতালৈ আহি ট্ৰাম্পে সেই কথাটো পুনৰ জোৰেৰে উত্থাপন কৰাৰ লগে লগে বিষয়টো অধিক গম্ভীৰ হৈ পৰিল। এইবাৰ বিষয়টোৰ লগত জড়িত হ'ল কূটনৈতিক চাপ, বাণিজ্যিক হুমকি আৰু শক্তি প্ৰদৰ্শনৰ সুৰ।

ট্ৰাম্পৰ দৃষ্টিত গ্ৰীনলেণ্ড কেৱল এক ভূখণ্ড নহয়। তেওঁ ইয়াক এক 'কৌশলগত সম্পদ' হিচাপে দেখে। আৰ্কটিক অঞ্চল এতিয়া বিশ্ব ৰাজনীতিত নতুন কেন্দ্ৰবিন্দু হৈ উঠিছে। জলবায়ু পৰিৱৰ্তনৰ ফলত বৰফ গলিছে, নতুন সমুদ্ৰ পথ মুকলি হৈছে আৰু সেই অঞ্চলত খনিজ সম্পদ, গেছ, তেল আদি বহু মূল্যৱান সম্পদ আছে বুলি বহু বিশেষজ্ঞই কয়। ইয়াৰ লগতে আৰ্কটিক অঞ্চলৰ সামৰিক গুৰুত্বও বৃদ্ধি পাইছে। ৰাছিয়াই ইতিমধ্যে আৰ্কটিকত নিজৰ সামৰিক উপস্থিতি বঢ়াইছে। চীনেও নিজকে 'নিকট আৰ্কটিক ৰাষ্ট্ৰ' বুলি ঘোষণা কৰি আৰ্কটিকত গৱেষণা, বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত আগবঢ়ি আহিছে। এনে পৰিস্থিতিত আমেৰিকাৰ বাবে গ্ৰীনলেণ্ড এক গুৰুত্বপূৰ্ণ স্থান। কাৰণ গ্ৰীনলেণ্ড উত্তৰ আটলাণ্টিক অঞ্চলৰ মাজত অৱস্থিত আৰু ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা আৰু সামৰিক নিয়ন্ত্ৰণৰ বাবে ই অতি মূল্যৱান। কিন্তু স্থান এখন গুৰুত্বপূৰ্ণ হ'লেই সেই স্থানৰ ওপৰত দাবী কৰা বা ক্ৰয় কৰাৰ কথা কোৱাটো নৈতিক আৰু কূটনৈতিকভাৱে সঠিক নহয়।

আধুনিক বিশ্বত দেশৰ সীমা আৰু জনগোষ্ঠীৰ অধিকাৰক সন্মান কৰাটো এক মৌলিক নীতি। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সমগ্ৰ বিশ্বই বহু চেষ্টা কৰি এক নিয়মভিত্তিক আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা গঢ়ি তুলিছিল, য'ত শক্তিশালী দেশেও একপক্ষীয়ভাৱে অন্য দেশৰ ওপৰত শক্তি খটুৱাব নোৱাৰে। কিন্তু ট্ৰাম্পৰ গ্ৰীনলেণ্ড বিষয়ক বক্তব্য শুনি বহু দেশে পুৰণি ঔপনিৱেশিক যুগৰ প্ৰতিফলন দেখিছে। ঔপনিৱেশিক যুগত ইউৰোপীয় শক্তিসমূহে বহু দেশ দখল কৰি সম্পদ লুটি লৈছিল। সেয়া কেৱল সামৰিক শক্তিৰ দ্বাৰাই নহয়, বহু সময়ত বাণিজ্যিক চাপ, চুক্তি আৰু ৰাজনৈতিক ষড়যন্ত্ৰৰ দ্বাৰাও হৈছিল। আজিৰ যুগত সেই ধৰণৰ দখল হয়তো কম, কিন্তু 'নৱ-ঔপনিৱেশিকতা' নামৰ এক ধাৰণা আছে, য'ত শক্তিশালী দেশবোৰে অৰ্থনৈতিক চাপ, কূটনৈতিক প্ৰভাৱ আৰু সামৰিক উপস্থিতিৰ জৰিয়তে অন্য অঞ্চলক নিজৰ স্বাৰ্থত নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে। ট্ৰাম্পৰ গ্ৰীনলেণ্ড দাবী আৰু হুমকি বহু লোকৰ চকুত নৱ-ঔপনিৱেশিক মনোভাবৰ দৰে লাগিল।

ট্ৰাম্পৰ নীতিৰ এটা বিশেষ দিশ হ'ল 'লেনদেনমূলক কূটনীতি'। তেওঁ বহু সময়ত মিত্ৰতা আৰু অংশীদাৰিত্বকো এক ধৰণৰ ব্যৱসায়িক চুক্তিৰ দৰে ভাবে। তেওঁৰ মতে, যদিহে কোনো এখন দেশে আমেৰিকাৰ পৰা সুৰক্ষা বা সহায় পায়, তেন্তে সেই দেশখনে বিনিময়ত আমেৰিকাক অধিক সুবিধা দিব লাগিব। এই ধৰণৰ চিন্তাধাৰা ঘৰুৱা ৰাজনীতিত কিছুমান লোকৰ বাবে আকৰ্ষণীয় হ'ব পাৰে, কাৰণ ই 'আমেৰিকা প্ৰথম' বুলি কোৱা এক সহজ শ্ল'গানৰ লগত খাপ খায়। কিন্তু আন্তঃৰাষ্ট্ৰীয় মিত্ৰতা কেৱল লাভ-লোকচানৰ অংক নহয়। মিত্ৰতা হ'ল বহু দশক ধৰি গঢ়ি উঠা বিশ্বাস, একেলগে কৰা যুদ্ধ আৰু সংকট মোকাবিলা কৰা অভিজ্ঞতা। একে মূল্যবোধৰ ওপৰত বৰ্তি থকা সম্পৰ্কই মিত্ৰতা শক্তিশালী কৰে। ট্ৰাম্পে যেতিয়া নিজৰ মিত্ৰ দেশকো টেৰিফ বা বাণিজ্যিক শাস্তিৰ হুমকি দিয়ে,

■ ১৩ পৃষ্ঠাত


> *এতিয়া সেই একে দেশবোৰৰ মাজতেই সন্দেহ, ভয় আৰু দূৰত্ব বাঢ়ি আহিছে। আমেৰিকা বহু বছৰ ধৰি বিশ্বৰ এক শক্তিশালী নেতৃত্ব হিচাপে পৰিচিত আছিল। ইউৰোপৰ বহু দেশ, কানাডা, জাপান, অষ্ট্ৰেলিয়া আদি দেশ আমেৰিকাৰ ওপৰত নিৰ্ভৰ কৰিছিল, বিশেষকৈ নিৰাপত্তা, বাণিজ্য আৰু কূটনৈতিক সহায়ৰ ক্ষেত্ৰত। কিন্তু ড'নাল্ড ট্ৰাম্পৰ নেতৃত্বত আমেৰিকাৰ আচৰণ আৰু বক্তব্যই বহু মিত্ৰ দেশক অস্বস্তিত পেলাইছে। ট্ৰাম্পে গ্ৰীনলেণ্ড সম্পৰ্কে কৰা দাবী আৰু ডাভোছত দিয়া বক্তব্যই ৰাজনৈতিক বিতৰ্কৰে সৃষ্টি কৰিছে এনে নহয়, ই এক বৃহৎ ভূ-ৰাজনৈতিক সংকেতো। নাটোত আমেৰিকাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ যদিও ইউৰোপীয় নেতাসকলে 'ইউৰোপীয় কৌশলগত স্বায়ত্ততা' বুলি কোৱা এক ধাৰণাক অধিক গুৰুত্ব দিছে। অৰ্থাৎ ইউৰোপে নিজৰ সামৰিক সক্ষমতা বৃদ্ধি কৰিব, নিজৰ অস্ত্ৰ উৎপাদন আৰু সুৰক্ষা নীতি শক্তিশালী কৰিব, যাতে আমেৰিকাৰ ৰাজনৈতিক পৰিৱৰ্তনৰ লগে লগে ইউৰোপ অনিশ্চয়তাত নপৰে।*



# তুমি অহাৰ বাটেৰে...

**দুৰ্লভ সোণোৱাল**

আবেলিটো মোৰ, নদীখন তোমাৰ,
আৰু সময়ৰ আহ্বানত দুয়ো-দুয়োৰে
হাতখন-শীততো, গ্ৰীষ্মতো
এসোপা সেন্দুৰীয়া ভালপোৱাত।
তুমি অহালৈ ফুলবোৰে ৰৈ থাকে
মোৰ পৰা তোমালৈ,
নতুন দিনৰ নতুন পুৱাৰ
প্ৰেমৰ শৃংগাৰ বিচাৰি।
এতিয়া বুকুৰে বুকুৰে একুৰা জুই জ্বলে,
পাৰাপাৰহীন হেঁপাহৰ ঢৌত উটি-ভাহি
স্বপ্নময় উদ্যানত নীৰৱে শুই পৰে।
ৰ'দ-ৰাগিণী নদীখন আৰু
বেলিটো তোমাৰ কপালত
জোনফোঁট যেন দেখি।
অভিমানৰ টোপোলাটোৰ সৈতে
হেঙুলীয়া ঠিকনা এটা কঢ়িয়াই
নিজম গালত চুমি বতাহজাকে কৈ যায়
বহুতো অলিখিত, নোকোৱা কথা
তুমি অহাৰ বাটেৰে... !



# তোমাৰ চকুতে মোৰ অসীম আকাশ

**পৰিস্মিতা শইকীয়া**

য'ত নক্ষত্ৰবোৰ নীৰৱে জ্বলি থাকে উৰে নিশা
সেই পোহৰে মোৰ বুকুত সপোন জগাই তুলি,
বিৰিঙাই কোমল জ্যোতি

তোমাৰ হাঁহি যেন প্ৰভাতৰ প্ৰথম সূৰ্যকিৰণ
যি নিঃশব্দে মোক সাহস দিয়ে,
মই দিশহীন পথিক হৈও
তোমাৰ পোহৰতেই পথ বিচাৰি পাওঁ।

যদি কেতিয়াবা নিশা বহুত গভীৰ হয়,
মই আকাশলৈ চাই হাঁহি মাৰো...
কাৰণ জানো, সেই অসীম নীলাতেই
মোৰ সকলো হেৰোৱা শব্দই আশ্ৰয় পায়।

# জোনাক মোৰ সঁচাই ভাল লাগে

**নীতিক্ষা মেচ**

ভাল লাগে জোনাক নিশাৰ
আকাশৰ তিৰবিৰাই
মনোমোহা দৃশ্যৰ সৃষ্টি
কৰা তৰাবোৰক

তুমি মন কৰিছানে কেতিয়াবা
জোনাকে তৰাৰ লগত খেলা কৰা

জোনাক ভাল পাওঁ বাবেই
সদায় খোলা ৰাখো
মোৰ কোঠাৰ খিৰিকী

সেই জোনাকৰ কোমল পোহৰ
পৰে মোৰ কোঠাৰ মজিয়াত
ৰ লাগি চাওঁ

নিশাৰ আকাশৰ সৌন্দৰ্য
মাজে মাজে দুটি এটি জোনাকী
সোমাই আহে খিৰিকীয়েদি

জোনাকীবোৰক সৰগৰ পৰা
সৰি পৰা তৰা যেন দেখি
চেষ্টা কৰো থপিয়াই ধৰিবলৈ,

কিন্তু নোৱাৰো
ভাবো পাছত,
ইহঁতক এনেকৈ থাকিবলৈ দিওঁ
বৰ ধুনীয়া দেখি।





# মই এগৰাকী ক্ৰছ সন্তানে কৈছো

**হেৰম্ব নাথ**

মোৰ পিতৃ উচ্চ বৰ্ণ-গোত্ৰৰ
আৰু মাতৃ নিম্ন বৰ্ণ-গোত্ৰৰ
তাৰ বাবে
যদি মই ক্ৰছ সন্তান হিচাপে পৰিচিত
যদি মোৰ কোনো জাতি নাই
কোনো কথা নাই
মোৰ ভুল ক'ত?
কোনে দেখুৱাই দিব
সাহস আছেনে কাৰোবাৰ
ক্ৰছ সন্তানৰ তেজৰ ৰঙৰ
কিবা ব্যতিক্ৰম থাকে বুলি
আচলতে, মানুহৰ মনবোৰ কলুষ আৰু ঠেক;
প্ৰেমৰ ৰসায়ন নাজানে
যদি মই অৱহেলিত কোনোবা
শিক্ষিত প্ৰেমিকৰ মনত
কোনোবা উচ্চ বৰ্ণৰ প্ৰবক্তাৰ
দুৰাৰডলিত যদি প্ৰাচীৰেই আছে
তেন্তে মই ঈশ্বৰক প্ৰশ্ন কৰিম...
মোৰ ভুল ক'ত ঈশ্বৰ?
কৰ্ণৰ কিবা ভুল আছিল জানো
কিন্তু কৰ্ণই নিজৰ পুৰুষত্বক
কৃচ্ছ্ৰসাধনাৰে উজলাই তুলিছিল
আজি ময়ো চেলেঞ্জ কৰিছো
মোৰ ৰূপ-যৌৱনক
মেকুৰীয়ে পোৱা মাছক টানি-আঁজুৰি
ভক্ষণ কৰিবলৈ অহা অহংকাৰী জাত্যভিমানিক।
মই বিয়া হ'ম ঃ সেইজনৰ লগত
যাৰ আত্মা পবিত্ৰ-নিৰ্লোভ
সেইজনে মোক কদাপি নকয়
ক্ৰছ সন্তান বুলি
সি নিবিচাৰে কদাপি
মই উচ্চ বৰ্ণ-গোত্ৰৰ হয় নে নহয়।



# ভিক্ষাৰী

**জ্যোতিমণি মাহত্ব**

এই ৰাজপথৰ ভিক্ষাৰী মই
এমুঠি অন্নৰ তাড়নাত,
দিনে নিশাই ৰাজপথৰ গভীৰ
জনঅৰণ্যত ভিক্ষা মাগিছো।

ৰ'দ বৰষুণ ঠাণ্ডা গৰম কি
মই নাজানো,
ৰাতি নামিলে আশ্ৰয় নাই
ফুটপাথৰ কাষতে কটাইছো জীৱন।

মই এজন ভিক্ষাৰী
গাত ফটা বস্ত্ৰ, মলিয়ন শৰীৰ,
মোক কোনে সহায় কৰিব
আছেনে কোনোবা শুনিবলৈ মোৰ দুখৰ কবিতা।

মানৱ সমুদ্ৰত মই অকলশৰীয়া
দিবনে মোক এমুঠি অন্ন,
দুচকুত এতিয়াও জ্বলন্ত সপোন
ভিক্ষাৰ কাঁহীখনে জীৱনৰ আইনা।

মানৱতাৰ এটি মিঠা হাঁহি
হ'ব পাৰে এটি মৰমৰ ভিক্ষা,
ঘৃণা চকুৰে দিয়া অৰ্থ
নহয় আপোনাৰ পুণ্য।

ভিক্ষা মাগিছো মই
দুহাতেৰে লিখিছো দুখৰ কবিতা,
আকাশৰ জোন মোৰ নীৰৱ সাক্ষী
এই ৰাজপথেই হ'ব মোৰ স্বৰ্গৰ ছায়া।




# পূৰ্বাকাশত সূৰ্যাস্ত

কিশোৰ কুমাৰ কলিতা

‘সোণ ৰূপেৰেও জুখি চাব নোৱাৰি
এইয়া অকমাণি আমাৰে পৃথিৱী
বতাহে বতাহে মৰম বয় থাকে উমলি... ’

কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে বুলি বাৰে বাৰে কৈ জাতিৰ প্ৰতি অগাধ ভালপোৱাৰ চানেকি দাঙি ধৰা মানুহগৰাকী গ’লগৈ। ভাগৰৰ বুকুতেই ভাগৰ জিৰাই ভালপোৱা মানুহগৰাকীক আজি বিদায় জনালৈও সাহসৰ অভাৱ। যাওঁ বুলিয়েই যে




তেওঁ গ’লগৈ। স্বাভিমানী অসমীয়াৰ সিৰাই-উপসিৰাই প্ৰবাহিত হৈ থকা অমিয়া কণ্ঠৰ অধিকাৰী খেয়ালী মনৰ প্ৰিয় মানুহগৰাকী সঁচাকৈয়ে গ’লগৈ। জাতিক ভালপোৱা, মাটি আৰু মানুহৰ গান গাই গাই ভাগৰি নপৰা মানুহগৰাকীয়ে হঠাতে একো নোহোৱাকৈয়ে বোকোচাত এআকাশ অভিমান কঢ়িয়াই তৰাৰ দেশলৈ গুচিয়েই গ’লগৈ। যি অভিমানত নিহিত হৈ আছিল জাতিটোৰ হকে কিবা এটা কৰাৰ দুৰ্বাৰ হেঁপাহ, যি অভিমানত নিহিত হৈ আছিল মানুহক ভালপোৱাৰ দুৰ্বাৰ হেঁপাহ। প্ৰতিপল নিজে বিচৰা ধৰণেই জীৱনক উদ্‌যাপন কৰি অহা খেয়ালী মনৰ মানুহগৰাকীয়ে মৃত্যু এতিয়া সহজ বুলি প্ৰমাণ কৰিবলৈ সাগৰ তলিত শুবলৈ আৰু কিছুবছৰ পিছত গ’লেও হ’লহেঁতেন। তথাপি খেয়ালী মনেৰেই তেওঁ আৰু কোনোদিনেই উভতি নহাৰ বাটতে খোজ থ’লে। আৰু যদি একুৰি বছৰমান হ’লেও থাকিলহেঁতেন বুলি সকলোৱে দুখৰ হুমুনিয়াহ কাঢ়িছে, চকুলো টুকিছে। পৃথিৱীখনকেই যেন কন্দুৱাই যাওঁ বুলিয়েই তেওঁ গ’লগৈ। তেওঁ তৰাৰ দেশৰ য’তেই থাকে থাকক, মাথোঁ কুশলে থাকক।

‘ৰ’দ ৰ’দ আজি কেনি পাওঁ
ৰ’দ ৰ’দ আজি কেনি চাওঁ
খিৰিকী মেলি সমুখত এন্ধৰহে পাওঁ
কোঠালি এৰি বাহিৰত পথ হেৰাওঁ...’

সংগীতৰ মাধ্যমেৰে মই মোৰ হৃদয়ৰ কথা প্ৰকাশ কৰো আৰু মানুহৰ হৃদয়ত স্থান পাওঁ বুলি অকপটে স্বীকাৰ কৰি যোৱা মানুহগৰাকীৰ যাদুকৰী কণ্ঠ প্ৰতিগৰাকী অসমীয়াৰ প্ৰতিটো উশাহ- প্ৰতিটো নিশাহ যেন সন্মোহিত হৈ আছে। যি গানে জীৱনক মোহাচ্ছন্ন কৰিব পাৰে, যি গানে দুখৰ দিনৰ সাহস হ’ব পাৰে, যি গানে টোপনি আনিব পাৰে, যি গানে ভাগি পৰা নিৰীহক দিব পাৰে হৃদয়ৰ অন্য এক আকুলতাৰ আহ্বান, যি গানে অসমীয়াৰ সকলো জাতি-জনগোষ্ঠীৰ প্ৰাণ-প্ৰাচুৰ্যক দিব পাৰে অনন্য আয়তন, যি গানে স্বাভিমানী অসমীয়াক আৰু শত সহস্ৰ বছৰ আয়ুস দিলে— এনেবোৰ গীতেৰেই বিশ্ব জয় কৰিলে তেওঁ। বয়সৰ জোখাৰে মানুহগৰাকীয়ে জীৱনৰ দুই কুৰি বাৰটা বসন্ত গৰকি হঠাতে আৰু কোনোদিনেই উভতি নহাৰ বাটেৰে বাট বুলিব বুলি কোনেও ভবাই নাছিল। জাতিটোক ভালপোৱাৰ আৱেগেৰে সাৰে ৰাখিছিল তেওঁ। প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ৰ স্পন্দন হৈ পৰিছিল তেওঁ। সুৰীয়া গানেৰে সকলোকে সকলো সময়তে সন্মোহিত কৰি ৰাখিব পৰিছিল তেওঁ। আজিৰ পৰা প্ৰায় তেৰ বছৰ পূৰ্বে সুধাকণ্ঠ নামৰ যুগস্ৰষ্টাগৰাকীৰ মহাপ্ৰয়াণ ঘটা সময়ৰো এই লেখক সাক্ষী হৈছিল। সেইদিনাও শত সহস্ৰজনৰ চকুলোৰে অসমী আইৰ আঁচলখন তিতিছিল। সকলোৱে একেলগে গাইছিল— ‘মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে অকণি সহানুভূতিৰে ভাবিব কোনেনো...’। যুগস্ৰষ্টাগৰাকীৰ বিদায়ৰ ক্ষণতো একেই পৰিৱেশ, গোমা আকাশ-স্তব্ধ বতাহ। বহু দিনলৈ সকলো যেন স্থবিৰ হৈ পৰিল। সকলোৱে বিষাদগধুৰ মনেৰে গাইছে কেৱল তেওঁৰেই গান। অসমীয়াৰ প্ৰাণৰ বিহুগীতৰ পৰা বৰগীতলৈকে, বনগীত-টোকাৰী গীতৰ পৰা লোকগীতলৈকে সকলোতে আছে সুৰৰ অমিয়া আয়তন। যি সংগীতৰ মায়াজালেৰে সমগ্ৰ বিশ্বকেই মোহাচ্ছন্ন কৰিব পাৰিছে। প্ৰায় ৩৮ হাজাৰ অসমীয়াকে ধৰি ৪০ টাতকৈও অধিক ভাষাৰ গীতত কণ্ঠদান কৰি সংগীতৰ বিশাল পৃথিৱীখনত অসমীয়া হিচাপে সুকীয়া পৰিচয় দাঙি ধৰা মানুহগৰাকী আজি আমাৰ মাজত নাই বুলি বিশ্বাসেই কৰিব নোৱাৰি। অথচ অজুহাত এটাৰ মাজতেই তেওঁক আমি হেৰুৱালো। ৰ’দ বিচাৰি সুৰৰ মায়াৰে সাগৰ তলিত শুব খোজা হাৰ্টথ্ৰ’ব হৈ পৰিল নিথৰ দেহ। স্তব্ধ হৈ পৰিল এটা যুগ। তেওঁৰ আৰু কেতিয়াও জন্ম হ’ব নোৱাৰে। তেওঁ অমৰ, নিজৰ কালজয়ী সৃষ্টিৰাজিৰে তেওঁ লাভ কৰিলে অমৰত্ব। অসমীয়া জাতি জীয়াই থকালৈকে থাকিব তেওঁৰ যাদুকৰী কণ্ঠৰে নিগৰিত কালজয়ী সৃষ্টিৰাজি।

‘ৰাম নাম মুখে লোৱা
হৰি নাম দলে বান্ধা
মনো ভাই অ’
ভব তৰিবলৈ উপায় কৰা
ৰাম নামৰ নৌকাত উঠা।
নামৰ বিনে নাহি কলিত গতি
কলিৰ লোক হৈবে পাপ মতি... ’

‘মই যেনেকৈ অৰ্জন কৰিছো, মই যেনেকৈ লৈছো, মানুহে মোক দিছে, মই আকৌ মানুহক ঘূৰাই দি থৈ যাম। মোৰ ঘৰ-বাৰী সব মানুহক দি থৈ যাম। মই নিজৰ কাৰণে একো নাৰাখো, অকল



চিতাখনৰ বাহিৰে। চিতাখন খালী মানুহে জ্বলাব লাগিব।’ তেওঁ কৈ যোৱা ধৰণেই সঁচাকৈয়ে লক্ষ লক্ষ অনুৰাগীৰ উপস্থিতিত জ্বলোৱা হ’ল তেওঁক। কেৱল চিতাখনেই লৈ গ’ল লগত। বাকী সকলো দি গ’ল আমাক। প্ৰতিগৰাকী অসমীয়াই আজি হিয়া ঢাকুৰি কান্দিছে, কেৱল কান্দিছে। স্বাভিমানী অসমীয়াৰ এটা যুগৰ স্ৰষ্টা আছিল তেওঁ। গীতৰ সুকীয়া সুৰৰ মায়াজালেৰে বিশ্ব জয় কৰিবলৈ সক্ষম হোৱা হাৰ্টথ্ৰ’বগৰাকী আৰু নাই। স্বাভিমানী অসমীয়াৰ এটা যুগৰ অৱসান ঘটিল। জুবিন যুগৰ সমাপ্তি ঘটিল। শেষ হ’ল অসমীয়াৰ জুবিন যুগ। যিটো যুগৰ স্ৰষ্টাই জাতিটোক দি গ’ল শত সহস্ৰ বছৰৰ আয়ুস। চন, তাৰিখ মনত নাই। আজিৰ পৰা প্ৰায় বাৰ বছৰ পূৰ্বৰ এটি সন্ধিয়া। হঠাতে খবৰ পাইছিলো যে মহানগৰীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত হাৰ্টথ্ৰ’ব জুবিন গাৰ্গে সতীৰ্থৰ সৈতে গৈ কিবা প্ৰকাৰে কাজিয়াত লিপ্ত হৈ ৰৈ আছে। খবৰ লাভ কৰিয়েই বাতৰি সংগ্ৰহৰ বাবে উধাতু খাই সতীৰ্থৰ সৈতে গৈ পাইছিলো। তেতিয়া বিমান বন্দৰৰ বাহিৰত জুবিন গাৰ্গ ৰৈ আছিল। খণ্ডত অগ্নিশৰ্মা হৈ থকা মানুহগৰাকীৰ ওচৰত থিয় হৈ জানিব বিচাৰিলো ঘটনাৰ সবিশেষ। সেইদিনা নিশা হেনো কলিকতাত তেওঁৰ সংগীতানুষ্ঠান আছে। তালৈ যোৱাৰ বাবে বাদ্যযন্ত্ৰীসকলৰ সৈতে বিমান বন্দৰৰ ভিতৰত প্ৰৱেশ কৰি নিয়মমাফিক কাম-কাজবোৰ কৰি আছিল। সেই সময়তে হেনো হিন্দীভাষী দুগৰাকীমান নিৰাপত্তাৰক্ষীয়ে নিৰীক্ষণ কৰি আছিল। জুবিন গাৰ্গকো হিন্দী ভাষাতে সম্বোধন কৰি নিৰীক্ষণ কৰিছিল। তেতিয়া হেনো বিমান বন্দৰৰ ভিতৰতে অসমীয়া মানুহ ৰাভা-গাৰো-কাৰ্বিসকল কিয় বিমান বন্দৰত নিয়োজিত নহয়, হিন্দীভাষীসকলেহে দপদপাই থাকে

■ ১২ পৃষ্ঠাত

> সংগীতৰ মাধ্যমেৰে মই মোৰ হৃদয়ৰ কথা প্ৰকাশ কৰো আৰু মানুহৰ হৃদয়ত স্থান পাওঁ বুলি অকপটে স্বীকাৰ কৰি যোৱা মানুহগৰাকীৰ যাদুকৰী কণ্ঠ প্ৰতিগৰাকী অসমীয়াৰ প্ৰতিটো উশাহ- প্ৰতিটো নিশাহ যেন সন্মোহিত হৈ আছে। যি গানে জীৱনক মোহাচ্ছন্ন কৰিব পাৰে, যি গানে দুখৰ দিনৰ সাহস হ’ব পাৰে, যি গানে টোপনি আনিব পাৰে, যি গানে ভাগি পৰা নিৰীহক দিব পাৰে হৃদয়ৰ অন্য এক আকুলতাৰ আহ্বান, যি গানে অসমীয়াৰ সকলো জাতি-জনগোষ্ঠীৰ প্ৰাণ-প্ৰাচুৰ্যক দিব পাৰে অনন্য আয়তন, যি গানে স্বাভিমানী অসমীয়াক আৰু শত সহস্ৰ বছৰ আয়ুস দিলে— এনেবোৰ গীতেৰেই বিশ্ব জয় কৰিলে তেওঁ। বয়সৰ জোখাৰে মানুহগৰাকীয়ে জীৱনৰ দুই কুৰি বাৰটা বসন্ত গৰকি হঠাতে আৰু কোনোদিনেই উভতি নহাৰ বাটেৰে বাট বুলিব বুলি কোনেও ভবাই নাছিল। জাতিটোক ভালপোৱাৰ আৱেগেৰে সাৰে ৰাখিছিল তেওঁ। প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ৰ স্পন্দন হৈ পৰিছিল তেওঁ। সুৰীয়া গানেৰে সকলোকে সকলো সময়তে সন্মোহিত কৰি ৰাখিব পৰিছিল তেওঁ। আজিৰ পৰা প্ৰায় তেৰ বছৰ পূৰ্বে সুধাকণ্ঠ নামৰ যুগস্ৰষ্টাগৰাকীৰ মহাপ্ৰয়াণ ঘটা সময়ৰো এই লেখক সাক্ষী হৈছিল।

# মনময়ূৰী

## এগৰাকী মাতৃৰ জীৱন কাহিনী

**নাচিমা য়াচমিন**

শুই উঠাৰে পৰা মনময়ূৰীৰ নেৰানেপেৰা ব্যস্ততা। 'মা মোৰ ইউনিফৰ্মযোৰ পোৱা নাই, বিচাৰি দিয়া না, মা মোক চুলি ফণিয়াই দিয়া, মা মোৰ টিফিন ৰেডি হ'লনে? পদূলিত স্কুলভেন ৰৈ আছে...' — তাইৰ উশাহ ল'বলৈও আজৰি নাই। দুই সন্তানৰ মাতৃ তাই। ল'ৰাটো ডাঙৰ, এইবাৰ দশম শ্ৰেণীত, ছোৱালীজনী সৰু। তাইৰ নয়নৰ মণি দুটা।

সময় ইমান সোনকালে পাৰ হৈ যায়-সৌ সিদিনাখনেইচোন তাইৰ কোলা শুৱনি কৰি প্ৰথম সন্তানৰ জন্ম হৈছিল। কণমানি শিশুটিক কোলাত লৈ তাই প্ৰাণ ভৰাই চাই ৰৈছিল। নাই, এয়া যদিও সৌ সিদিনাৰ কথাৰ দৰে অনুভৱ হয়; কিন্তু মাজত দহটা বিষাদভৰা বছৰ পাৰ হৈ গৈছে। এতিয়া সেইবোৰ তাইৰ জীৱন নামৰ কিতাপত কেৱল স্মৃতিৰ তালিকাতহে অন্তৰ্ভুক্ত। আমি যিমানেই এই তিক্ত স্মৃতিবোৰক পিছ এৰুৱাবলৈ চেষ্টা নকৰোঁ কিয়, শেষত বিফলতাৰ মুখত পৰিবই লাগে। স্মৃতিৰ গধুৰ কিতাপখন যিমানেই জপাই নিদিওঁ কিয়, ইয়াৰ প্ৰতিটো শব্দ, প্ৰতিশাৰী বাক্যই মন-মগজুক প্ৰত্যেক মুহূৰ্ততে আমনি কৰি থাকে।

'কি হ'ল মা? কি ভাবি আছা? দিয়া আক' মোৰ ভাগৰ টিফিন। লেট হৈ আছে ন?'— ল'ৰাৰ মাতত তাই পুৰণি স্মৃতিৰ কবলৰ পৰা ৰক্ষা পালে যেন।

ল'ৰা-ছোৱালী দুটাক তাই গে'টলৈকে আগুৱাই দি স্কুলভেনখন নেদেখা নোহোৱালৈকে একে ঠাইত ৰৈ থাকিল। সিহঁত যোৱাৰ পাছত তাইৰ মনটো যেন শূন্যতাৰে ভৰি পৰে। তাইৰ বাচি থকাৰ একমাত্ৰ সম্বল সিহঁতহাল। সিহঁতৰ হাঁহিত তাই হাঁহে। সিহঁতৰ দুখত তাই কান্দে। এই সুবিশাল পৃথিৱীখনত তাইৰ আপোন বুলিবলৈ আন কোনো নাই। কিছুমান নামত আপোন আছে, যিয়ে কেৱল নিজৰ নিজৰ স্বাৰ্থ অনুসৰিহে আপোনত্বৰ গান গায়।

লৰালৰিকৈ ভাত দুগৰাহমান মুখত ভৰাই তাই যেন তেন কাপোৰযোৰ সলাই চুলিখিনি ঠিক কৰিবলৈ আইনাখনত নিজকে এবাৰ চাই পঠিয়ালে। প্ৰতিবিম্বটিয়ে যেন তাইক পুতৌৰ দৃষ্টিত চাই আছে। খং উঠি যায় তাইৰ। চুলিকোছা ঢিলাকৈ খোপা এটি বান্ধি লৈ তাই আঁতৰি আহিবলৈ লয়। টেবুলৰ পিছফালে লুকুৱাই ৰখা ৰঙা ৰংখিনিয়ে যেন তাইক জুমি চাই আছে। তাইৰ ভৰি দুখন আগবাঢ়িব নোৱাৰিলে আৰু। ৰৈ গ'ল ঠাইতে।

অন্যদিনাৰ দৰেই তাই আজিও কোনেও নেদেখাকৈ অলপ ৰঙা ৰং সানি ল'লে তেওঁৰ নামৰ। ভয়ত? নহয়, তাই নিবিচাৰে লোকৰ অহেতুক প্ৰশ্নৰ উত্তৰবোৰ দিবলৈ। সেইবুলি তাই সপোনতো নিবিচাৰে তেওঁৰ অমংগল হওক। যদিওবা সেই মানুহজনে তাইক পৰ কৰি জীৱনৰ পৰা কেতিয়াবাই আঁতৰাই পঠিয়াইছে, তথাপিও তাই আজিও মানুহজন সুখী হোৱাটো বিচাৰে। তাইৰ লগত যি হৈছে, সেয়া কপালৰ লিখন বুলি মানি লৈছে কোন কাহানিতে।

এআকাশ অভিমান সামৰি মনটো গধুৰ কৰি ৰাখিলেই জানো ভালপোৱাখিনি শেষ হৈ যায়? হয়তো ভালপোৱাই কেতিয়াবা ঘৃণাৰ ৰূপ ল'ব পাৰে কিন্তু কোনোবা একোণত ই সদায় অক্ষয় থাকে।

মনময়ূৰী তাইৰ পৰিচয়, তাই এগৰাকী মাতৃ। ঋষভ আৰু মণিৰ মাতৃ। She's a single mother, এগৰাকী অকলশৰীয়া যোদ্ধা। নিতৌ তাই নিজৰ মনৰ সৈতে, একাকীত্বৰ সৈতে, সমাজৰ কিছু সুযোগী মানুহৰ বিৰুদ্ধে নীৰৱ যুদ্ধ কৰি জীৱন নিৰ্বাহ কৰি আছে।

পেছাত তাই এগৰাকী শিক্ষয়িত্ৰী। বিদ্যালয়ৰ ঘণ্টাটো বাজি উঠাৰ লগে লগে মনময়ূৰীৰ চেতনাৰ জগতখন বাস্তৱৰ মাটিত উভতি আহে। ক্লাছৰুমসমূহক ল'ৰা-ছোৱালীৰ কোলাহলত ভৰি পৰে। পলম নকৰি তাই শেষৰ ক্লাছটো ল'বলৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰে। শৰীৰত শক্তি নোহোৱা অনুভৱ হৈছে তাইৰ। শৰীৰৰ শক্তিতকৈ মনৰ শক্তি বেছি প্ৰয়োজনীয়। মনৰ পৰা দুৰ্বল হ'লে শৰীৰৰ শক্তিও দুৰ্বল হৈ পৰে।

ব'ৰ্ডত চক ধৰি তাই পাঠ আৰম্ভ কৰে— ভাষাৰ পাঠ। কিন্তু কিতাপৰ পাঠতকৈ জীৱনৰ পাঠ শিকাহে বেছি প্ৰয়োজন। জীৱন নামৰ পৰীক্ষাত সফল হ'বলৈ হ'লে কিতাপৰ জ্ঞানৰ লগতে জীৱনৰ কঠোৰ সত্যখিনিও শিকি লোৱা দৰকাৰ। ক'বলৈ মন গৈছিল তাইৰ বহুত কিবা। জীৱনৰ পাঠৰ বিষয়ে। কিন্তু তাই নোৱাৰিলে।

ছাত্ৰ-ছাত্ৰীবিলাক সেই কঠোৰ সত্যখিনিৰ মুখামুখি হ'বলৈ এতিয়াও তেনেই সৰু। সিহঁতৰ মনবোৰ এই কঠিন শব্দবোৰৰ মাজত আবদ্ধ নহয়, সিহঁত এতিয়া মুকলি আকাশৰ একো একোটা চৰাই। যি আপোন মনে উৰি ফুৰিব পাৰে। মায়া-মোহৰ শিকলিৰ বন্ধনৰ পৰা হাজাৰ মাইল আঁতৰত।

মনময়ূৰীৰ মনৰ গভীৰত জমা হৈ থকা শব্দবোৰ এতিয়া শিল এচটাৰ দৰেই ৰূপ লৈছে। তাই সকলোৰে আগত সুখী থকাৰ অভিনয় কৰি যায়। কিন্তু ঋষভৰ চকুৱে ঠিকেই পঢ়িব পাৰে তাইৰ মনৰ কষ্টখিনি।

সি কেতিয়াবা মাকক কয়— 'মা, তুমি কিবা ক'বা মোক? মা তোমাৰ বহুত বেছি কষ্ট হৈছে নি? কোৱা না মা মই কি কৰিলে তোমাৰ কষ্টখিনি কম হ'ব? এবাৰ কোৱা মা, মই সব কৰিম।'

তাই ল'ৰাৰ মুখলৈ ৰ লাগি চাই থাকে। ল'ৰাটো ইমান ডাঙৰ হৈ গ'ল নে, সি বুজি পোৱা হ'ল মাকৰ মনৰ দুখ কষ্টখিনি।

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বহি থকা সৰু-সৰু মুখবোৰ তাই মনোযোগে চাই থাকে। কিছুমান মুখত তাই সৰুকালৰ ঋষভক দেখা পায়, কিছুমানত মণিক। চাকৰিৰ লগতে সিহঁতক কম কষ্টত ডাঙৰ দীঘল কৰিছেনে? এই যাত্ৰাত ঋষভে তাইক বৰ সহায় কৰিছে। মাকৰ অনুপস্থিতিত ভনীয়েকক তাই বৰ যত্ন সহকাৰে ৰাখিছিল। মাকক চাই সি কম বয়সতে সকলো বুজি পোৱা হৈ পৰিছিল। কেতিয়াবা তাইৰ বুকুখন অলপ জোৰকৈ টানি ধৰে। তাইৰ বাবেই ঋষভৰ শৈশৱকাল নষ্ট হৈছে। সি যিটো বয়সত খেলা-ধূলা কৰাৰ কথা আছিল, সেই সময়ত সি ভনীয়েকক নিচুকাইছিল।

ব্ৰেকৰ সময়ত শিক্ষকসকলৰ কোঠাত তাই একো নকয়। আনসকলে হাঁহি-ঠাট্টা কৰে, চাহ খায়, ঘৰুৱা কথা পাতে। মনময়ূৰী খিৰিকীৰ কাষত বহি বাহিৰৰ আকাশখন চাই থাকে। আকাশখনো তাইৰ মনৰ দৰেই ডাৱৰীয়া। মেঘবোৰ গুচাৰ নামেই নলয়।

'মনময়ূৰী, আজি অলপ ক্লান্ত দেখাইছে তোমাক। গা ভাল নহয় নি?'— সহকৰ্মী এজনীৰ কথাত তাই মিচিকিয়া হাঁহি এটা দিছিল মাথোঁ। কিমান কথা ক'ব খুজিও কোৱা নাযায় এই হাঁহিটোৱেই তাৰ উত্তৰ।

ঘণ্টাবোৰ পাৰ হৈ যায়। বিদ্যালয় ছুটী হোৱাৰ পাছত তাই নিজৰ বেগটো কান্ধত লৈ ওলাই আহে। অগণন পথচাৰীৰ মাজত তাই অকলশৰীয়া, এই একাকীত্ব নতুন নহয় তাইৰ বাবে।

ঋষভৰ কপি এখনত শিক্ষকজনে লিখা মন্তব্যটো পঢ়ি তাই অলপ থমকি ৰয়। 'Very sincere student.'

এই শব্দকেইটাই তাইক শক্তি দিয়ে। ৰাতি নামি আহে। ল'ৰা-ছোৱালী দুয়ো শুই পৰাৰ পাছত ঘৰখন আকৌ নীৰৱ হৈ পৰে। তেতিয়া তাই টেবুলৰ ড্ৰয়াৰখন খুলি পুৰণি ডায়েৰীখন উলিয়াই লয়। লগতে লুকুৱাই ৰখা ফটোকপি। আকৌ তাই ডায়েৰীৰ ভাঁজত সুমুৱাই থয়। আজিও ভাল পায় মানুহজনক। এবাৰ যদি তেওঁ উভতি আহিলে হয়? সকলো

■ ১১ পৃষ্ঠাত



*কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাঙৰ বতৰ। অসমৰ সামাজিক, সাংস্কৃতিক আৰু কৃষিভিত্তিক জীৱনত মিচিং সমাজৰ অৱদান অতিকে গুৰুত্বপূৰ্ণ। ভাৰতীয় সংবিধানত তেওঁলোক অনুসূচিত ভৈয়াম জনজাতি হিচাপে 'মিৰি' নামেৰে স্বীকৃতি লাভ কৰিছে যদিও মিচিং সমাজত 'মিৰি' শব্দটো সাধাৰণ জনগণৰ বাবে ব্যৱহৃত নহয়। এই শব্দটো কেৱল পুৰোহিত বা ধৰ্মীয় আচাৰ সম্পাদন কৰা ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰচলিত। মিচিং সমাজে নিজ পৰিচয় হিচাপে 'মিচিং' নামটোকে অধিক গুৰুত্ব দিয়ে। উৎসৱৰ দিনটোত পুৰুষ আৰু মহিলা উভয়ে পৰম্পৰাগত মিচিং পোছাক পৰিধান কৰে। মহিলাসকলে ৰিবি-গাছেং, ৰিহা-মেখেলা আদি পিন্ধে আৰু পুৰুষসকলে মিবু গালুগ, গনৰ, চিনি, টঙালি, দুমৌৰ আদি পোছাক ব্যৱহাৰ কৰে। এই পোছাকসমূহ হাতে বোৱা, উজ্জ্বল ৰঙেৰে সজ্জিত আৰু মিচিং শিল্পকলাৰ উৎকৃষ্ট নিদৰ্শন। প্ৰতিটো নক্সা আৰু ৰঙৰ আঁৰত সমাজৰ বিশ্বাস, প্ৰকৃতি আৰু জীৱনধাৰাৰ প্ৰতিফলন সুস্পষ্ট হয়।*



# ঐক্য, সংস্কৃতি কৃষি জীৱনৰ উৎসৱ আলি-আয়ে-লৃগাং

**ঝৰ্ণা মিশ্ৰ ভট্টৰাই**

পলাশ, মদাৰ আৰু শিমলুৰ ৰঙাই আকাশ ৰাঙলী কৰাৰ এই ফাগুনৰ বতৰতেই ডেকা-গাভৰু, বুঢ়া-মেথা সকলোৰে মন আৰু হৃদয় আন্দোলিত কৰি নিগৰিত হয় ঐনিতম, কাবান। এয়া অসমৰ দ্বিতীয় সৰ্ববৃহৎ জনজাতি মিচিং জনগোষ্ঠীৰ ঐক্য, সংস্কৃতি আৰু কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাঙৰ বতৰ। অসমৰ সামাজিক, সাংস্কৃতিক আৰু কৃষিভিত্তিক জীৱনত মিচিং সমাজৰ অৱদান অতিকে গুৰুত্বপূৰ্ণ। ভাৰতীয় সংবিধানত তেওঁলোক অনুসূচিত ভৈয়াম জনজাতি হিচাপে 'মিৰি' নামেৰে স্বীকৃতি লাভ কৰিছে যদিও মিচিং সমাজত 'মিৰি' শব্দটো সাধাৰণ জনগণৰ বাবে ব্যৱহৃত নহয়। এই শব্দটো কেৱল পুৰোহিত বা ধৰ্মীয় আচাৰ সম্পাদন কৰা ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰচলিত। মিচিং সমাজে নিজ পৰিচয় হিচাপে 'মিচিং' নামটোকে অধিক গুৰুত্ব দিয়ে।

ভাষাগত দিশৰ পৰা মিচিং ভাষা চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অন্তৰ্গত। ইতিহাস অনুসৰি মিচিং জনগোষ্ঠীৰ আদিম বাসস্থান উত্তৰ লানি পাহাৰ অঞ্চল বুলি ধৰা হয়। যদিও এই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়, তথাপি বহু ইতিহাসবিদে বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ আবৰ পাহাৰ অঞ্চলৰ পৰাই জীৱিকাৰ সন্ধানত তেওঁলোক অসমলৈ প্ৰব্ৰজন কৰিছিল বুলি মত প্ৰকাশ কৰে। সময়ৰ লগে লগে তেওঁলোকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদী, উপনদীৰ কাষত স্থায়ী বসতি স্থাপন কৰি কৃষিক জীৱনৰ মুখ্য আধাৰ হিচাপে গ্ৰহণ কৰে।

এই কৃষিভিত্তিক জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এক অতি গুৰুত্বপূৰ্ণ উৎসৱ হৈছে আলি-আয়ে-লৃগাং। ই কেৱল এক আনন্দোৎসৱ নহয়, বৰঞ্চ ই মিচিং সমাজৰ কৃষি, সংস্কৃতি, ধৰ্মীয় বিশ্বাস আৰু সামাজিক একতাৰ এক উজ্জ্বল প্ৰতীক। আলি-আয়ে-লৃগাং ধান ৰোপণৰ আৰম্ভণিৰ শুভ সূচনাক সূচায় আৰু নতুন কৃষি বছৰৰ প্ৰথম পৱিত্ৰ পদক্ষেপ হিচাপে গণ্য কৰা হয়। 'আলি-আয়ে-লৃগাং' শব্দটো তিনিটা পৃথক অৰ্থবোধক পদৰ সমষ্টি আলি, আয়ে আৰু লৃগাং। 'আলি' মানে মাটিৰ তলত ৰোপণ কৰা বীজ, 'আয়ে' মানে গছ-গছনিৰ ওপৰত লগা ফল বা গুটি আৰু 'লৃগাং' মানে ধান ৰোপণৰ শুভাৰম্ভ কাৰ্যসূচী। এই তিনিটা শব্দৰ সংযোগে বীজৰ পৰা আৰম্ভ কৰি ফলনলৈকে কৃষিৰ পূৰ্ণ চক্ৰক প্ৰতিফলিত কৰে।

প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে আলি-আয়ে-লৃগাং উৎসৱ পালন কৰা হয়। এই দিন সাধাৰণতে ফেব্ৰুৱাৰী মাহৰ মাজভাগত পৰে। উৎসৱৰ দিনা মিচিং সমাজে নতুন কৃষিকাৰ্য আৰম্ভ কৰাৰ আগতে প্ৰকৃতি, দেৱ-দেৱী আৰু পূৰ্বপুৰুষক সন্মান জনাই আশীৰ্বাদ কামনা কৰে। এই আচাৰ-অনুষ্ঠানৰ জৰিয়তে তেওঁলোকে কৃষিক কেৱল জীৱিকাৰ মাধ্যম নহয়, বৰঞ্চ এক পৱিত্ৰ কৰ্ম হিচাপে সমূহীয়াকৈ স্বীকাৰ কৰে।

উৎসৱৰ দিনা মিচিং জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত পোছাক পৰিধান কৰি গুমৰাগ নৃত্য আৰু লোকগীতৰ মাধ্যমেৰে আনন্দ প্ৰকাশ কৰে। ঢোল, পেপা, গংগং আদি বাদ্যযন্ত্ৰৰ তালে তালে হোৱা নৃত্য-গীতে প্ৰতিখন মিচিং গাঁৱকে এক অনন্য আৰু মনোমোহা পৰিৱেশেৰে উদ্ভাসিত কৰি তোলে। গুমৰাগ নৃত্যত পুৰুষ-মহিলা উভয়ে একেলগে অংশগ্ৰহণ কৰে, যাৰ জৰিয়তে সামাজিক সমতা আৰু সহযোগিতাৰ ভাব পৰিস্ফুট হয়।

এই উৎসৱৰ আন এটা উল্লেখযোগ্য দিশ হৈছে পৰম্পৰাগত খাদ্য সংস্কৃতি। আলি-আয়ে-লৃগাঙৰ দিনা মিচিং সমাজে বিভিন্ন প্ৰকাৰৰ পৰম্পৰাগত খাদ্য গ্ৰহণ কৰে। চাউলৰ পৰা প্ৰস্তুত কৰা পৰম্পৰাগত পানীয় পুৱাং আপিন ইয়াৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ লগতে ঙচান অৰ্থাৎ পোৰা মাছ আৰু মাংস, বিভিন্ন প্ৰকাৰৰ শাক-পাচলি, বনশাক আৰু চাউলৰ পৰা বনোৱা পিঠা-পনা এই দিনা খাদ্যত অন্তৰ্ভুক্ত হয়। এই খাদ্যসমূহে নতুন ফচলৰ প্ৰতি কৃতজ্ঞতা আৰু সামাজিক মিলন আৰু আন্তৰিকতাৰ ভাব জাগ্ৰত কৰে।

উৎসৱৰ দিনটোত পুৰুষ আৰু মহিলা উভয়ে পৰম্পৰাগত মিচিং পোছাক পৰিধান কৰে। মহিলাসকলে ৰিবি-গাছেং, ৰিহা-মেখেলা আদি পিন্ধে আৰু পুৰুষসকলে মিবু গালুগ, গনৰ, চিনি, টঙালি, দুমৌৰ আদি পোছাক ব্যৱহাৰ কৰে। এই পোছাকসমূহ হাতে বোৱা, উজ্জ্বল ৰঙেৰে সজ্জিত আৰু মিচিং শিল্পকলাৰ উৎকৃষ্ট নিদৰ্শন। প্ৰতিটো নক্সা আৰু ৰঙৰ আঁৰত সমাজৰ বিশ্বাস, প্ৰকৃতি আৰু জীৱনধাৰাৰ প্ৰতিফলন সুস্পষ্ট হয়।

আলি-আয়ে-লৃগাং উৎসৱে সমাজলৈ বহু ইতিবাচক বাৰ্তা কঢ়িয়াই আনে। সকলোৰে একেলগে মিলিজুলি উৎসৱ পালন কৰাৰ জৰিয়তে এই উৎসৱৰ মাধ্যমেৰে গাঁওবাসীৰ মাজত একতা আৰু ভাতৃত্ববোধ বৃদ্ধি পায়। নৃত্য, গীত, পোছাক আৰু আচাৰ-অনুষ্ঠানৰ জৰিয়তে মিচিং সংস্কৃতি নতুন প্ৰজন্মলৈ সজীৱ ৰূপত স্থানান্তৰিত হয়। কৃষিৰ প্ৰতি সন্মান বৃদ্ধি পায় আৰু ধান ৰোপণৰ আগতে উৎসৱ পালন কৰি কৃষিক জীৱনৰ মূল আধাৰ হিচাপে স্বীকৃতি দিয়া হয়। ইয়াৰ লগতে উৎসৱে দৈনন্দিন জীৱনৰ ক্লান্তিৰ পৰা মানুহক কিছু সময়ৰ বাবে মানসিক বিশ্ৰাম আৰু আনন্দও প্ৰদান কৰে।

এই উৎসৱত বিশেষভাৱে লিগাং গীত আৰু গুমৰাগ গীত গোৱা হয়। এই গীতসমূহত কৃষিৰ আৰম্ভণি, প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা, সমাজৰ একতা আৰু সামূহিক আনন্দৰ কথা সুন্দৰভাৱে প্ৰকাশ পায়। ধান ৰোপণৰ শুভকামনা জনোৱা এই গীতবোৰ উৎসৱৰ প্ৰাণস্বৰূপ। উদাহৰণস্বৰূপে—

আইয়ে লিগাং, আইয়ে লিগাং,  
নতুন বীজেৰে মাটি সজাওঁ,  
সূৰ্যদেৱৰ আশীৰ্বাদ লওঁ,  
ভৰি উঠক সোণালী ধান।  
নাচো আহা, গাওঁ আহা,  
একেলগে সুখে থাকো,  
পৰিশ্ৰমেৰে পথ গঢ়ো,  
গাঁওখন সুখে ভৰাওঁ।

ইয়াৰ লগতে ধৰ্মীয় আৰু প্ৰাৰ্থনাৰ গীতো গোৱা হয়, যাক মিবু চেন্টছ বুলি কোৱা হয়। মিবু অৰ্থাৎ মিচিং সমাজৰ পুৰোহিতজনে মন্ত্ৰধ্বনি আৰু প্ৰাৰ্থনাৰ জৰিয়তে দেৱ-দেৱীক আহ্বান কৰে আৰু গাঁওখনৰ মংগল কামনা কৰে। মিচিং সমাজত প্ৰচলিত 'দঃঞি-পল' ধৰ্মবিশ্বাস অনুসৰি সূৰ্য আৰু চন্দ্ৰক সৃষ্টিকৰ্তা আৰু জীৱনৰ ৰক্ষক হিচাপে পূজা কৰা হয়। ইয়াৰ লগতে পূৰ্বপুৰুষৰ আত্মাকো স্মৰণ কৰি সন্মান জনোৱা হয়।

সাৰাংশত ক'ব পাৰি যে আলি-আয়ে-লৃগাং কেৱল এটা উৎসৱ নহয়; ই মিচিং সমাজৰ কৃষি জীৱন, সাংস্কৃতিক ঐতিহ্য আৰু সামাজিক একতাৰ এক উজ্জ্বল প্ৰতীক। এই উৎসৱে মানুহক একেলগে মিলি আনন্দেৰে নতুন কাম আৰম্ভ কৰিবলৈ উৎসাহ দিয়ে আৰু প্ৰকৃতিৰ সৈতে মানৰ জীৱনৰ গভীৰ, অটুট সম্পৰ্কক অধিক সুদৃঢ় কৰি তোলে।



*“এই দৰ্শনিক ধাৰণাসমূহে দেখুৱায় যে মানুহে কেৱল বাহ্যিক জগতখন বুজিবলৈ নহয়, নিজৰ অন্তৰজগতটোও অন্বেষণ কৰিবলৈ চেষ্টা কৰে। বিজ্ঞান বাহ্যিক জগতৰ নিয়ম ব্যাখ্যা কৰে, আনফালে বিশ্বাস আৰু দৰ্শনে মানুহৰ আভ্যন্তৰীণ অনুভৱ, নৈতিকতা আৰু চেতনাৰ বিষয়ে আলোচনা কৰে। ইতিহাসত মহাকাশ আৰু আধ্যাত্মিক ধাৰণা প্ৰাচীন সভ্যতাসমূহে আকাশক ঈশ্বৰীয় শক্তিৰ নিবাস বুলি ভাবিছিল। মিছৰ, মেছ’পটেমিয়া, ভাৰত আৰু চীনৰ সভ্যতাত সূৰ্য, চন্দ্ৰ আৰু নক্ষত্ৰক দেৱতাৰ সৈতে সংযোগ কৰা হৈছিল। এইবোৰ আছিল মানুহৰ প্ৰাৰম্ভিক প্ৰচেষ্টা-প্ৰাকৃতিক ঘটনাবোৰ বুজিবলৈ। পিছলৈ গৈ বৈজ্ঞানিক পদ্ধতিৰ বিকাশ হোৱাৰ লগে লগে মানুহে আকাশী বস্তুবোৰৰ পৰিমাপ কৰিবলৈ আৰম্ভ কৰে।”*

# বিজ্ঞান আৰু বিশ্বাস ব্ৰহ্মাণ্ড আৰু দেৱদূতৰ সংযোগ

কানুপ্ৰিয়া ডেকা

মানৱ সভ্যতাৰ ইতিহাসত দুটা শক্তিশালী ধাৰণা সদায় একেলগে চলি আহিছে— বিজ্ঞান আৰু বিশ্বাস। এফালে বিজ্ঞান প্ৰকৃতিৰ নিয়ম, মহাকাশৰ বিস্তৃতি আৰু ব্ৰহ্মাণ্ডৰ গঠন ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে; আনফালে বিশ্বাসে জীৱনৰ অৰ্থ, নৈতিকতা আৰু অতীন্দ্ৰিয় শক্তিৰ উপস্থিতি বুজাবলৈ চেষ্টা কৰে। এই দুয়ো দৃষ্টিভংগীৰ মাজতেই ব্ৰহ্মাণ্ড আৰু দেৱদূতৰ (Angel) ধাৰণাই এক বিশেষ স্থান অধিকাৰ কৰি আছে।

**ব্ৰহ্মাণ্ড ঃ বিজ্ঞানৰ দৃষ্টিত—** বিজ্ঞানৰ মতে, ব্ৰহ্মাণ্ড প্ৰায় ১৩.৮ বিলিয়ন বছৰ আগতে Big Bang নামৰ এক বৃহৎ বিস্ফোৰণ সদৃশ ঘটনাৰ পৰা আৰম্ভ হৈছিল। তাৰ পিছত সময়ৰ সৈতে সৈতে গেলাক্সী, নক্ষত্ৰ, গ্ৰহ আৰু সূৰ্যজগত গঢ় লৈ উঠে। আধুনিক জ্যোতিৰ্বিজ্ঞানীসকলে দূৰবীণ, উপগ্ৰহ আৰু মহাকাশযান ব্যৱহাৰ কৰি এই বিস্তৃত জগতখন অধ্যয়ন কৰিছে।

Black Hole, ডাৰ্ক মেটাৰ, ডাৰ্ক এনাৰ্জী আদিৰ দৰে বিষয়সমূহে দেখুৱাইছে যে ব্ৰহ্মাণ্ড এতিয়াও বহু ক্ষেত্ৰত মানুহৰ বাবে ৰহস্যময়। বিজ্ঞান অনুসন্ধানমূলক-প্ৰমাণ, পৰীক্ষা আৰু গণনাৰ ওপৰত আধাৰিত।

**দেৱদূত ঃ বিশ্বাস আৰু আধ্যাত্মিকতাৰ দৃষ্টিত—** বিশ্বাসৰ ক্ষেত্ৰত বহু ধৰ্ম আৰু সংস্কৃতিত দেৱদূতক ঈশ্বৰীয় দূত, সুৰক্ষাদাতা বা পথ প্ৰদৰ্শক হিচাপে কল্পনা কৰা হয়। তেওঁলোকক সাধাৰণতে নৈতিকতা, পবিত্ৰতা আৰু শুভ শক্তিৰ প্ৰতীক হিচাপে চোৱা হয়। বিভিন্ন ধৰ্মীয় গ্ৰন্থ আৰু লোককথাত দেৱদূতৰ উল্লেখ পোৱা যায়, যিয়ে মানুহক সঠিক পথ দেখুৱাই বা ঈশ্বৰীয় বাণী আনে বুলি বিশ্বাস কৰা হয়।

ইয়াত দেৱদূত বিজ্ঞানৰ দৰে পৰীক্ষাযোগ্য বস্তু নহয়; ই বিশ্বাস, আধ্যাত্মিক অভিজ্ঞতা আৰু সাংস্কৃতিক পৰম্পৰাৰ সৈতে গভীৰভাৱে জড়িত।

**বিজ্ঞান আৰু বিশ্বাস ঃ দ্বন্দ্ব নে সহাৱস্থান? —** বহুতে ভাবে যে বিজ্ঞান আৰু বিশ্বাস ইটো সিটোৰ বিপৰীত; কিন্তু বহু চিন্তাবিদৰ মতে, এই দুয়ো ক্ষেত্ৰ ভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। বিজ্ঞান প্ৰশ্ন কৰে— ‘ব্ৰহ্মাণ্ড কেনেকৈ সৃষ্টি হ’ল?’ বা ‘ই কেনেকৈ কাম কৰে?’

বিশ্বাসে প্ৰশ্ন কৰে— ‘আমি কিয় আছো?’ বা ‘নৈতিকতা ক’ৰপৰা আহিল?’

এই দৃষ্টিত ব্ৰহ্মাণ্ডৰ বৈজ্ঞানিক ব্যাখ্যা আৰু দেৱদূতৰ আধ্যাত্মিক ধাৰণা একে ঠাইতে সংঘৰ্ষ নোহোৱাকৈ সহাৱস্থান কৰিব পাৰে। কিছুমানে ব্ৰহ্মাণ্ডৰ নিয়মসমূহক ঈশ্বৰীয় ব্যৱস্থাৰ অংশ হিচাপে চায়, আনহাতে আন কিছুমানে দেৱদূতক মানৱ মনৰ নৈতিক আদৰ্শৰ ৰূপক হিচাপে ব্যাখ্যা কৰে।

**সংযোগৰ ধাৰণা ঃ**

ব্ৰহ্মাণ্ডৰ বিস্তৃতি আৰু জটিলতা দেখি বহু মানুহে এক গভীৰ বিস্ময় অনুভৱ কৰে। এই বিস্ময়েই কেতিয়াবা আধ্যাত্মিক চিন্তালৈ লৈ যায়। দেৱদূতৰ ধাৰণাক কিছুমানে এই বিস্ময় আৰু আশাৰ প্ৰতীক বুলি ভাবে- অচিন্তনীয় জগতখনৰ মাজতো মানুহে সুৰক্ষা আৰু অৰ্থ বিচাৰে।

আধুনিক সাহিত্য আৰু চলচ্চিত্ৰতো বিজ্ঞান আৰু বিশ্বাস একেলগে দেখা যায়- মহাকাশযাত্ৰা, ভিন গ্ৰহ আৰু তাৰ মাজতে আধ্যাত্মিক সত্তাৰ কল্পনা। ই দেখুৱায় যে মানৱ মন সদায় জ্ঞান আৰু অৰ্থ দুয়োটাই সন্ধান কৰে।

বিজ্ঞান আৰু বিশ্বাস দুয়ো মানৱ চিন্তাৰ গুৰুত্বপূৰ্ণ স্তম্ভ। ব্ৰহ্মাণ্ডৰ অধ্যয়নে আমাক প্ৰকৃতিৰ বিস্তৃতি আৰু নিয়ম বুজিবলৈ সহায় কৰে, আনফালে দেৱদূতৰ দৰে আধ্যাত্মিক ধাৰণাই নৈতিকতা, আশাবাদ আৰু জীৱনৰ গভীৰ অৰ্থৰ বিষয়ে ভাবিবলৈ উৎসাহিত কৰে।

এই দুয়ো একেলগে থাকি মানুহক এটা কথাই শিকায়— জগতখন কিমান ডাঙৰ আৰু ৰহস্যময় আৰু সেই ৰহস্য বুজিবলৈ বিজ্ঞান আৰু বিশ্বাস দুয়োটাই নিজৰ নিজৰ পথৰে আগবাঢ়ি যায়। মানৱ সভ্যতাত দৰ্শনে সদায় বিজ্ঞান আৰু বিশ্বাসৰ মাজত সংযোগ বিচাৰি আহিছে। প্ৰাচীন গ্ৰীচত প্লেটো আৰু এৰিষ্ট’টলে বিশ্বব্ৰহ্মাণ্ডৰ গঠন আৰু আত্মাৰ অস্তিত্বৰ বিষয়ে গভীৰ চিন্তা কৰিছিল। ভাৰতীয় দৰ্শনত উপনিষদ, বেদান্ত আৰু যোগশাস্ত্ৰত জগতখনৰ মূল সত্য আৰু চেতনাৰ ভূমিকা বিশ্লেষণ কৰা হৈছে।

এই দৰ্শনিক ধাৰণাসমূহে দেখুৱায় যে মানুহে কেৱল বাহ্যিক জগতখন বুজিবলৈ নহয়, নিজৰ অন্তৰজগতটোও অন্বেষণ কৰিবলৈ চেষ্টা কৰে। বিজ্ঞান বাহ্যিক জগতৰ নিয়ম ব্যাখ্যা কৰে, আনফালে বিশ্বাস আৰু দৰ্শনে মানুহৰ আভ্যন্তৰীণ অনুভৱ, নৈতিকতা আৰু চেতনাৰ বিষয়ে আলোচনা কৰে।

ইতিহাসত মহাকাশ আৰু আধ্যাত্মিক ধাৰণা

প্ৰাচীন সভ্যতাসমূহে আকাশক ঈশ্বৰীয় শক্তিৰ নিবাস বুলি ভাবিছিল। মিছৰ, মেছ’পটেমিয়া, ভাৰত আৰু চীনৰ সভ্যতাত সূৰ্য, চন্দ্ৰ আৰু নক্ষত্ৰক দেৱতাৰ সৈতে সংযোগ কৰা হৈছিল। এইবোৰ আছিল মানুহৰ প্ৰাৰম্ভিক প্ৰচেষ্টা-প্ৰাকৃতিক ঘটনাবোৰ বুজিবলৈ।

পিছলৈ গৈ বৈজ্ঞানিক পদ্ধতিৰ বিকাশ হোৱাৰ লগে লগে মানুহে আকাশী বস্তুবোৰ পৰিমাপ কৰিবলৈ আৰম্ভ কৰে। ক’পাৰনিকাছ, গেলিলিও, নিউটনৰ দৰে বিজ্ঞানীসকলে দেখুৱালে যে গ্ৰহবোৰ সূৰ্যৰ চাৰিওফালে ঘূৰে আৰু প্ৰকৃতি নিৰ্দিষ্ট নিয়ম মানি চলে। তথাপিও বহু বিজ্ঞানী নিজেও আধ্যাত্মিক চিন্তাৰে প্ৰভাৱিত আছিল, যিয়ে এই কথাটো বুজায় যে ইতিহাসত বিজ্ঞান আৰু বিশ্বাস সম্পূৰ্ণ পৃথক নহয়।

**দেৱদূতক ৰূপক হিচাপে বুজা ঃ**

আধুনিক চিন্তাধাৰাত বহু পণ্ডিতে দেৱদূতৰ ধাৰণাক আক্ষৰিক সত্তা নহয়, বৰঞ্চ ৰূপক (symbol) হিচাপে ব্যাখ্যা কৰে। ই মানুহৰ আশাবাদ, সুৰক্ষা-বোধ আৰু নৈতিক আদৰ্শৰ প্ৰতিফলন হ’ব পাৰে। কঠিন সময়ত কোনো সহায়কাৰী শক্তিৰ ওপৰত বিশ্বাস কৰা মানৱ মনৰ স্বাভাৱিক প্ৰবৃত্তি।

মনোবিজ্ঞানীৰ মতে, এনে ধাৰণাবোৰে মানৱক মানসিক শক্তি যোগায়, ভয় কমায়, সাহস দিয়ে আৰু জীৱনৰ অৰ্থ সন্ধানত সহায় কৰে। এই দৃষ্টিত দেৱদূত ব্ৰহ্মাণ্ডৰ বাহিৰৰ কোনো দৃশ্যমান সত্তা নহয়, বৰঞ্চ মানৱ চিন্তাৰ ভিতৰৰ এক শক্তিশালী ধাৰণা।

**চেতনা আৰু ব্ৰহ্মাণ্ড ঃ**

আধুনিক বিজ্ঞানত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ’ল— চেতনা (Consciousness) কি? মানুহে নিজকে আৰু জগতখন অনুভৱ কৰিব পৰা এই ক্ষমতা ক’ৰপৰা আহে? কিছুমানে ভাবে ই কেৱল মগজুৰ জৈৱিক কাৰ্যৰ ফল, আন কিছুমানে ইয়াত কোনো গভীৰ, এতিয়াও অজ্ঞাত স্তৰৰ অস্তিত্ব কল্পনা কৰে।

এইখিনিতে বিজ্ঞান আৰু আধ্যাত্মিক চিন্তাৰ মাজত সংলাপ আৰম্ভ হয়। ব্ৰহ্মাণ্ডৰ বিস্তৃতি আৰু নিয়মসমূহ অধ্যয়ন কৰি কিছুমানে কয়— এই সুবিশাল ব্যৱস্থাৰ মাজত মানুহৰ চেতনাও কোনো বৃহৎ বাস্তৱতাৰ অংশ হ’ব পাৰে। দেৱদূতৰ ধাৰণাও কেতিয়াবা এই বৃহৎ ব্যৱস্থাৰ সৈতে মানুহৰ মানসিক আৰু নৈতিক সংযোগৰ প্ৰতীক হিচাপে বুজা যায়।

**সাহিত্য আৰু সংস্কৃতিত সংযোগ ঃ**

সাহিত্যত বহু লেখকে বিজ্ঞান আৰু বিশ্বাসক একেলগে ব্যৱহাৰ কৰিছে। কল্পবিজ্ঞান (science fiction) গল্পত মহাকাশযাত্ৰা, ভিন গ্ৰহ আৰু উন্নত প্ৰযুক্তিৰ লগতে আধ্যাত্মিক সত্তাৰ কল্পনাও দেখা যায়। ইয়াৰ জৰিয়তে লেখকসকলে মানৱ অস্তিত্ব, নৈতিক দায়িত্ব আৰু ভৱিষ্যৎ সমাজৰ বিষয়ে প্ৰশ্ন তোলে।

চিনেমা আৰু চিত্ৰকলাতো মহাকাশৰ বিশালতা আৰু স্বৰ্গীয় সত্তাৰ চিত্ৰায়ণ একেলগে দেখা যায়। এইবোৰে দেখুৱায় যে আধুনিক যুগতো মানুহে কেৱল বৈজ্ঞানিক উত্তৰেৰেই সন্তুষ্ট নহয়; তেওঁলোকে অনুভৱ আৰু অৰ্থ বিচাৰি থাকে।

**ভৱিষ্যৎ দৃষ্টিভংগী ঃ অনুসন্ধান আৰু বিশ্বাস—** ভৱিষ্যতে মানুহক অধিক গভীৰভাৱে ব্ৰহ্মাণ্ড অনুসন্ধান কৰিব। নতুন গ্ৰহ, ভিন নক্ষত্ৰ জগত আৰু হয়তো জীৱনৰ নতুন ৰূপ আৱিষ্কাৰ কৰিব পাৰে। এনে আৱিষ্কাৰে বিশ্বাস আৰু আধ্যাত্মিক চিন্তাক নতুন প্ৰশ্নৰ মুখামুখি কৰাব।

যদি কেতিয়াবা ব্ৰহ্মাণ্ডৰ আন ঠাইত জীৱন পোৱা যায়, তেন্তে মানুহে নিজৰ ধৰ্মীয় আৰু দৰ্শনিক ধাৰণাবোৰ পুনৰ ভাবিব লাগিব। দেৱদূতৰ দৰে ধাৰণাও নতুন দৃষ্টিত ব্যাখ্যা কৰা হ’ব পাৰে— প্ৰতীক, আধ্যাত্মিক শক্তি বা মানৱ নৈতিকতাৰ প্ৰতিফলন হিচাপে।

**মানৱ সভ্যতাৰ বাবে শিক্ষাসমূহ ঃ**

বিজ্ঞান আৰু বিশ্বাসৰ এই সংযোগে মানুহক কিছুমান গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে— বিনয় ঃ ব্ৰহ্মাণ্ডৰ বিশালতা দেখি মানুহে নিজৰ সীমাবদ্ধতা বুজে।

অনুসন্ধান ঃ অজ্ঞাত বিষয় জানিবলৈ আগ্ৰহ জন্মে।

নৈতিকতা ঃ বিশ্বাসে সমাজত মূল্যবোধ গঢ়ে।

সংলাপ ঃ ভিন্ন মতামত থকা মানুহৰ মাজত সহিষ্ণুতা বৃদ্ধি পায়।

এইবোৰেই সভ্যতাক আগবঢ়াই নিয়ে।

ব্ৰহ্মাণ্ড আৰু দেৱদূতৰ ধাৰণাক কেন্দ্ৰ কৰি বিজ্ঞান আৰু বিশ্বাসৰ মাজৰ সংলাপ মানৱ সভ্যতাৰ এক প্ৰাচীন আৰু অবিৰত প্ৰক্ৰিয়া। বিজ্ঞান মানুহক জগতখন কেনেকৈ কাম কৰে সেয়া বুজায়, আনফালে বিশ্বাসে কিয় আমি এই জগতখনত আছো, আমাৰ দায়িত্ব কি— এইবোৰ প্ৰশ্ন তুলিছে।

এই দুয়ো পথ একে লক্ষ্য লৈ সত্যৰ সন্ধান বিভিন্ন দিশে আগবাঢ়ি যায়। কেতিয়াবা ইহঁতৰ মাজত বিতৰ্ক হয়, কেতিয়াবা সহাৱস্থান। কিন্তু দুয়োটাই মানুহক গভীৰ চিন্তা কৰিবলৈ বাধ্য কৰে, নিজৰ স্থান বুজিবলৈ সহায় কৰে আৰু ব্ৰহ্মাণ্ডৰ বিস্ময়ৰ সন্মুখত থিয় কৰায়।

এইদৰে বিজ্ঞান আৰু বিশ্বাসৰ সংযোগ মানৱ ইতিহাসৰ এটা চলি থকা অধ্যায়, য’ত প্ৰশ্ন আছে, উত্তৰো আছে আৰু অনন্ত অনুসন্ধানৰ পথো খোলা আছে।

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

## মনময়ুৰী এগৰাকী

অভিমান পাহৰি আঁকোৱালি ল'লে হয়। তাইৰ আত্মসন্মানে যিমানেই বাধা নিদিয়ক

কিয় হৃদয়ে যে আজিও মানি ল'ব পৰা নাই।

তথাপিও তাই ভাঙি পৰা নাই। কাৰণ তাই জানে, তাই ভাঙি পৰিলে দুটা জীৱনো ভাঙিব। সেয়ে তাই প্ৰতিদিনে নিজৰ ভিতৰৰ যুদ্ধটো জয় কৰিবলৈ চেষ্টা কৰে। নীৰৱে, দৃঢ়তাৰে।

মনময়ূৰীৰ পুত্ৰই সুখ্যাতিৰে জীৱনৰ প্ৰথম ঢাপটি পাৰ কৰিলে। প্ৰত্যেকটো বিষয়ত লেটাৰ মাৰ্কসহ ৯৩%। তাই অত দিনে মনত পুহি ৰখা যন্ত্ৰণা, কষ্টখিনি উৰি গৈ কোনোবাখিনি পালেগৈ। চাৰিওফালে, আত্মীয়-স্বজনৰ মাজত পুত্ৰৰ নাম লৈ গৌৰৱ কৰি ফুৰিব দেউতাকজনেও পিছ পৰি থকা নাই। সৰুতে মাক-পুতেকক ঘৰৰ পৰা উলিয়াই দি অন্য নাৰীক জীৱন সংগিনী কৰি তোলাৰ কথা পাহৰি গৈছিল তেওঁ। পুত্ৰই কিন্তু পাহৰা নাছিল। সন্ধিয়া সময়ত তেওঁ নিলাজৰ দৰে হৈ সিহঁতৰ ঘৰ আহি ওলাইছিল। ল'ৰাৰ পৰা নানানভাৱে অপমানিত হৈও আজি তেওঁ নিজৰ মূৰ দাঙিব পৰাকৈ শক্তি বিচাৰি পোৱা নাছিল। মনময়ূৰী ৰৈ আছিল একে ঠাঁইত-তাই কি কৰিব কি নকৰিব হৈ পৰিছিল। তেওঁৰ অপমান নে ভালপোৱা কোনখিনিক প্ৰাধান্য দিব, ছোৱালীজনীয়ে একো বুজি নাপায় দুৱাৰৰ খুঁটাত ধৰি থিয় দি আছিল। তাই ইমানখিনি অন্ততঃ বুজি পাইছে যে মানুহজন তাইৰ জন্মদাতা। তাইৰ দেউতাক। যিজনক তাই আজি প্ৰথমবাৰৰ বাবে দেখিছে। তাইৰ বৰ মন গৈছে দেউতাকক সাবটি ধৰিবলৈ, ইমান দিনৰ শূন্যতাখিনি নোহোৱা কৰিবলৈ। কিন্তু তাই পৰা নাই। মাকৰ চলচলীয়া চকুযোৰ আৰু ককায়েকৰ খংখিনিয়ে তাইক বাধা দিছে যেন।

ঃ 'বাবা, তুমি নিজৰ ৰুমত যোৱা। ভণ্টীকো লগত লৈ যোৱা।'— যিমানেই খং উঠি থাকিলেও মাকৰ আদেশ অমান্য কৰাৰ সাহস নাই তাৰ। সি নিজৰ ৰুমলৈ গুচি যায়। যোৱাৰ আগতে নিজৰ খংখিনিক দুৱাৰখনতে মাৰি পঠিয়ালে।

ঃ 'কিয় আহিছা ইমান বছৰৰ পাছত? কিয়?'

ঃ 'কোনটো মুখত তোমাৰ পৰা ক্ষমা বিচাৰিম বুজি পোৱা নাই ময়ূৰী। তোমাৰ লগত কৰা অন্যায়ৰ শাস্তি মোক ভগৱানে দিছে। কেন্সাৰৰ লাষ্ট ষ্টেজত আছো মই। এবাৰ তোমাক আৰু আমাৰ সন্তানক চাব মন আছিল। আজি আছো কি ঠিক কাইলৈ নাথাকিবও পাৰো। তুমি মোক ক্ষমা কৰি দিয়া ময়ূৰী।'

ঃ 'কি কৈ আছা এইবোৰ? আৰু তোমাৰ অৱস্থা এনেকুৱা কেনেকৈ হ'ল?'

ঃ 'পাপৰ ফল এইবোৰ। আজি কেইবাবছৰ আগতে গম পাইছো মোৰ বেমাৰৰ কথা।'


ঃ 'তোমাৰ পত্নী?'

ঃ 'তাই মোক এৰি গুচি গৈছে। মোৰ বেমাৰৰ কথা গম পোৱাৰ পাছতে।'

ঃ 'ময়ূৰী, কেইটামান দিন তোমালোকৰ ঘৰত থাকিব দিবা মোক? মোৰ ল'ৰা-ছোৱালী দুটাই মোক ঘৃণা কৰিলেও মই সিহঁতৰ লগত অলপ সময় কটাব বিচাৰো। প্লিছ, না নকৰিবা।'

ময়ূৰীয়ে তেওঁক অনুৰোধ ৰাখিলে। যিজন মানুহে তাইৰ পৰা সকলো কাঢ়ি লৈ ঘৰৰ পৰা উলিয়াই দিছিল। সেই মানুহজনেই আজি তাইৰ আগত ভিক্ষা মাগিছে। সময়-সকলো সময়ৰ খেল। কেতিয়া কাৰ সময় ভাল হয় কাৰ বেয়া হয় কোনে জানে...

তাইৰ অত বছৰৰ অপেক্ষাখিনিৰ অন্ত পৰিল যদিও তাই সম্পূৰ্ণভাৱে সুখী হ'ব পৰা নাই। মানুহজন কেইটামান দিনৰ আলহীহে মাত্ৰ। তাই আজি আৰু লুকুৱাই ৰঙা ৰংখিনি সনা নাই। সকলোৱে দেখাকৈ লগাইছে। এয়া তাইৰ ভালপোৱাৰ চিহ্ন। মানুহ বেয়া হ'ব পাৰে, দোষ কৰিব পাৰে; কিন্তু ভালপোৱাখিনি সদায় পবিত্ৰ।



# তথাগত বুদ্ধই ভিক্ষু সংঘক দিয়া আমিষ খাদ্যৰ নিয়মাৱলী

**ড° লক্ষহীৰা শ্যাম**

তথাগত বুদ্ধ আছিল খাদ্য-ভোগ্য ভৈষজ্য বিশাৰদ হেতুকে, কি খাদ্য খালে ক্ষতি হয়? কি খাদ্য খালে ক্ষতি নহয় এই বিষয়ে ভালদৰে জানিছিল।

তথাপি তথাগত বুদ্ধই তেওঁক অন্তিম আহাৰ প্ৰদত্ত স্বৰ্ণকাৰ চুন্দৰ 'শুকৰ-মদ্দক' অতি শ্ৰদ্ধাৰে আগবঢ়াইছিল। তথাগত বুদ্ধই গ্ৰহণ কৰিছিল কিন্তু ভিক্ষু সংঘক দিবলৈ নিষেধ কৰিছিল। এনেদৰে ভিক্ষু সংঘক ১০ প্ৰকাৰৰ মাংস তথাগত বুদ্ধই খাবলৈ নিষেধ কৰিছিল। কিয়নো সেই মাংসবিলাক খালে শৰীৰ লগত জীৱ-জন্তুৰ মাংস খাই শৰীৰৰ পৰা জীৱ-জন্তুৰ গোন্ধ বাহিৰ হয় আৰু লোক নিন্দা ভয় থাকে। ভিক্ষুসকলে হাবি-বননি, অৰণ্য, পৰ্বত-পাহাৰ, গুহা আদিত ৰাতি ধ্যান-সাধনা কৰিবলৈ যায়। ধ্যান-সাধনা কৰিবলৈ গ'লে জীৱ-জন্তুবিলাকে গোন্ধ পাই আক্ৰমণ কৰিব পাৰে। গতিকে এনে কিছুমান জীৱ-জন্তুৰ মাংস তথাগত বুদ্ধই ভিক্ষু সংঘক খাবলৈ নিষেধ কৰিছিল। যেনে— ১। নৰ মাংস, ২। বাঘৰ মাংস, ৩। কুকুৰৰ মাংস, ৪। সিংহৰ মাংস, ৫। শৃগালৰ মাংস, ৬। হাতীৰ মাংস, ৭। ঘোঁৰাৰ মাংস, ৮। সাপৰ মাংস, ৯। চিতা বাঘৰ মাংস আৰু ১০। ভালুকৰ মাংস।

তথাগত বুদ্ধই আৰু নিষেধ কৰিছিল যে (ক) কোনো ব্যক্তিয়ে যদি ভিক্ষু সংঘক উদ্দেশ্য কৰি প্ৰাণী হত্যা কৰে আৰু ভিক্ষু সংঘই যদি দেখা পাই আৰু সেই মাংস ভিক্ষু সংঘক খাবলৈ দান কৰিছে, তেতিয়া সেই মাংস খাবলৈ নিষেধ কৰিছে।

(খ) ভিক্ষু সংঘই খাবলৈ আয়োজন কৰা মাংস যদি ভিক্ষুৱে দেখা পায়, তেতিয়া খাবলৈ নিষেধ কৰিছে।

(গ) ভিক্ষু সংঘৰ উদ্দেশ্য কৰি আয়োজন কৰা মাংসৰ বাবে জীৱ হত্যা কৰা বা কটা আদি শুনিলেও খাবলৈ নিষেধ কৰিছে।

(ঘ) ভিক্ষু সংঘক উদ্দেশ্য কৰি আয়োজন কৰা মাংস, জীৱ-জন্তুৰ হত্যা কৰা দেখা বা শুনা নাপালেও, খোৱাৰ সময়ত যদি সন্দেহ হয় যে ভিক্ষু সংঘৰ উদ্দেশ্য জীৱ হত্যা কৰিছে নেকি?

তেনে সন্দেহ উদয় হ'লেও খাবলৈ নিষেধ কৰিছে।

ওপৰত উল্লেখ কৰা দেখা, নুশুনা আৰু সন্দেহ নথকা মাংস পৰিশুদ্ধ আৰু ত্ৰিকুটিক। তেনে মাংস খোৱাৰ কোনো আপত্তি নাই বুলি তথাগত বুদ্ধই মধ্যম নিকায়ৰ জীৱক সূত্ৰত উল্লেখ কৰিছে।

আজি মোৰ অধ্যয়নৰ বিষয়ে ভিক্ষু সংঘৰ আমিষ খাদ্যৰ ওপৰত ব্যাখ্যা কৰি প্ৰকাশ কৰাৰ প্ৰয়াস কৰিলো।

সাধু সাধু সাধু।



# ভগৱানৰ লাঠিৰ শব্দ নাথাকে প্ৰতিশোধতকৈ ক্ষমা আৰু বিশ্বাসৰ শক্তি বেছি

**শৈলেন কুমাৰ**

মানৰ জীৱনত সুখ আৰু দুখ, জয় আৰু পৰাজয় এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। সমাজত বসবাস কৰোতে আমি বহু সময়ত অন্যায় বা লোকৰ পৰা অহিতৰ সন্মুখীন হওঁ। কোনোবাই আমাক আঘাত দিলে বা আমাৰ অনিষ্ট কৰিলে আমাৰ মনত স্বাভাৱিকতেই প্ৰতিশোধৰ জুই জ্বলি উঠে। কিন্তু আমাৰ পূৰ্বপুৰুষসকলে এটা অতি অৰ্থবহ কথা কৈ গৈছে— 'ভগৱানৰ লাঠিৰ শব্দ নাথাকে।'

যেতিয়া কোনো ব্যক্তিয়ে আমাৰ সৈতে অন্যায় কৰে, তেতিয়া প্ৰতিশোধ ল'বলৈ গৈ আমি নিজৰ মানসিক শান্তি ভংগ কৰো। খঙে আমাৰ বিচাৰ-বুদ্ধি লোপ কৰে আৰু আমি একেই অন্যায় কামত লিপ্ত হওঁ। কিন্তু মহৎ লোকসকলে কয় যে অন্যায় কৰাজনক নিজৰ হাতেৰে শাস্তি দিয়াতকৈ সকলোখিনি সৃষ্টিকৰ্তা বা সময়ৰ ওপৰত এৰি দিয়াটোৱে বুদ্ধিমানৰ কাম। কাৰণ মানুহৰ বিচাৰত ভুল হ'ব পাৰে; কিন্তু প্ৰকৃতি তথা ভগৱানৰ বিচাৰত কোনো ভুল নহয়।

অনুশোচনাৰ জুই হাতত উঠাই কাৰোবাক আঘাত কৰিলে শৰীৰত বিষ হয়; কিন্তু মনৰ পৰিৱৰ্তন নহয়। আনহাতে, যদি আমি আমাৰ ওপৰত হোৱা অন্যায়ৰ বিৰুদ্ধে ধৈৰ্য ধৰো আৰু ভগৱানৰ ওপৰত বিশ্বাস ৰাখো, তেন্তে সেই অন্যায়কাৰী ব্যক্তিয়ে এদিন নিজৰ ভুল বুজি পাব। যিদিনা তেওঁৰ বিবেক দংশন হ'ব, সেই অনুশোচনাৰ জুই যিকোনো দৈহিক শাস্তিতকৈ বেছি শক্তিশালী হ'ব। এই অনুশোচনাই মানুহক ভিতৰৰ পৰা দগ্ধ কৰে আৰু শুদ্ধ হ'বলৈ বাধ্য কৰে।

ক্ষমা দুৰ্বলতা নহয়, ই হ'ল আটাইতকৈ ডাঙৰ শক্তি। ভগৱানক বিশ্বাস কৰা মানেই এয়া মানি লোৱা যে কোনো কৰ্মই অথলে নাযায়। প্ৰত্যেকটো কৰ্মৰ ফল আমাৰ ওচৰলৈ ঘূৰি আহে। ভাল কৰ্মৰ ফল ভাল আৰু বেয়া কৰ্মৰ পৰিণতি বেয়া। যিয়ে কাৰোবাৰ অহিত চিন্তিছে, তেওঁ সময়ৰ সোঁতত নিজৰ কৰ্মৰ ফল ভোগ কৰিবই। ইয়াৰ বাবে আমি হাতত অস্ত্ৰ লোৱাৰ বা বেয়া ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই। অশান্ত পৃথিৱীখনত শান্তিৰে জীয়াই থাকিবলৈ হ'লে আমি আনৰ ওপৰত ভাৰসা কৰাতকৈ সত্য আৰু ন্যায়ৰ ওপৰত বিশ্বাস ৰখা উচিত। কাৰোবাৰ অহিতৰ বিপৰীতে অহিত কৰিলে সমাজত কেৱল শত্ৰুতাহে বাঢ়িব। গতিকে কোনোবাই অনিষ্ট কৰিলে তাক ঈশ্বৰৰ ওপৰত এৰি দি আমি নিজৰ কৰ্মত মনোনিবেশ কৰা উচিত। মনত ৰখা ভাল, ঈশ্বৰৰ বিচাৰ নীৰৱে আহে; কিন্তু সেই বিচাৰ হ'লে সাৰি যোৱাৰ কোনো উপায় নাথাকে।

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

# পূৰ্বাকাশত সূৰ্যাস্ত

বুলি চিঞৰ-বাখৰ কৰিছিল। তেতিয়াই তেওঁক নিৰাপত্তাৰক্ষীসকলে দুৰ্ব্যৱহাৰ কৰিছিল। খণ্ডতে তেওঁ পিন্ধি থকা জোতাযোৰ খুলি তাতেই দলিয়াই দিছিল। খণ্ডযুদ্ধৰ সৃষ্টি হোৱাৰ ফলত সেইদিনা আৰু কলকাতালৈ যোৱা নহ'ল। খালী ভৰিৰেই বাহিৰলৈ ওলাই আহি বিমান বন্দৰত কিয় অসমীয়া ল'ৰাবোৰ নিয়োজিত নহয় বুলি প্ৰতিবাদৰ দৃষ্টিৰে চিঞৰ-বাখৰ কৰিছিল। সেই একেই প্ৰতিবাদৰ সুৰ আমিও প্ৰত্যক্ষ কৰিছিলো। এগৰাকী সঁচা অসমীয়া হিচাপে জুবিন গাৰ্গৰ এনে প্ৰতিবাদৰ উদাহৰণ বহু আছে। অৱশ্যে বিমান বন্দৰ কৰ্তৃপক্ষই পৰৱৰ্তী সময়ত আদালতৰ দ্বাৰস্থ হৈছিল আৰু জুবিন গাৰ্গে কেইবছৰমান পিছত জোতা দলিওৱাৰ অভিযোগত অভিযুক্ত হৈ দহ হাজাৰ টকা জৰিমনা ভৰিব লগা হোৱা বুলিও শুনিবলৈ পাইছিলো। তেওঁ কেতিয়াও মৰিবলৈ ভয় নকৰা এগৰাকী সঁচা অসমীয়া আছিল।

'মই মৰিম যিদিনা অ'
একেডাল বাঁহকে তিনি ছেও কৰিব অ'
মাজৰ ছেও চঁচালিৰ কামী
চাৰিজন মানুহে কান্ধত তুলি নিব
নৈৰ ঘাটলৈ বুলি মোৰ মনাই অ'
দেহৰ ভাৰসা নাই বুজিছা নে নাই...'

তেওঁ গীতত গোৱাৰ দৰে সঁচাকৈয়ে দেহৰ ভাৰসা নাই। অথচ তেওঁ গোৱাৰ দৰেই পিৰালিৰ চুকত আয়ে অকলে উচুপি থকাও নাই। ১৯৭২ চনৰ ১৮ নৱেম্বৰত জন্মগ্ৰহণ কৰি ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত আকস্মিকভৱে সুদূৰ ছিংগাপুৰত সাগৰ তলিত চিৰদিনৰ বাবে শুই থকা মানুহগৰাকীয়ে চল্লিশটাতকৈও অধিক ভাষাত ৩৮ হাজাৰতকৈও অধিক গীতত কণ্ঠদান কৰিবলৈ সক্ষম হোৱাটো সঁচাকৈয়ে দুৰূহ কাম। অসমীয়া, ইংৰাজী, হিন্দী, তামিল, মণিপুৰী, কোচ ৰাজবংশী, ওৰিয়া, মাৰাঠী, তেলুগু, মালয়ালম, সংস্কৃত, বড়ো, বঙালী, মিচিং, গাৰো, কাৰ্বি, তিৱা, উৰ্দু, কন্নড়, হাজং, চাহ বাগানীয়া, নেপালী, নিচি, সিন্ধী, ভোজপুৰী, ৰাভা, পাতিৰাভা, দেউৰী, ডিমাচা, টাই আহোম, গোৱালপাৰীয়া আদি বিভিন্ন ভাষাত কণ্ঠদান কৰি ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। প্ৰাণৰ সংলাপেৰে সৃষ্টি কৰা 'মায়াবিনী ৰাতিৰ বুকুত... ' শীৰ্ষক এই গীতটি তেওঁৰ মৃত্যুত সকলোকে গাবলৈ কৈছিল। এতিয়া এই গীতটি অসমীয়াৰ বাবে হৈ পৰিছে প্ৰাৰ্থনাসদৃশ। আকাশে-বতাহে এতিয়া কেৱল 'মায়াবিনী ৰাতিৰ বুকুত... '

'বাটৰে শেষতে বাট চাওঁ তোমালে'
ৰৈ যোৱাহি আজি তোমাৰ বাটেৰে
তুমি আহিলে নামে বুকুৰে শাওণ
তুমি নহ'লে উকা উকা মোৰ ফাগুন
বাটৰে শেষতে বাট চাওঁ তোমালে'...'

এইগৰাকী যুগস্ৰষ্টাক বিভিন্ন সময়ত ধৰণে এই লেখকৰো লগ পোৱাৰ সৌভাগ্য ঘটিছিল। সাংবাদিকতাৰ পৃথিৱীখনত থকা হেতু আৰু তেওঁৰ অনুৰাগী হোৱাৰ বাবেই বিভিন্ন সময়ত খন্তেকৰ বাবে হ'লেও ক'ৰবাত কেতিয়াবা কেনেবাকৈ আছুতীয়াভাৱে লগ পোৱাৰ সৌভাগ্য ঘটিছিল। তেওঁক ভালপোৱা মানুহৰ সমান্তৰালভাৱে বিভিন্ন সময়ত সমালোচনা কৰা এচাম মানুহৰো কিন্তু অভাৱ নাছিল। ভালৰ সমান্তৰালভাৱে অনাকাংশিত পৰিৱেশতো কেতিয়াবা লগ পাইছিলো। তাৰ পিছতো মানুহগৰাকীৰ মন-মগজুত জাতিটোৰ প্ৰতি ভালপোৱা, মানুহক সহায় কৰাৰ মানসিকতা, কথা-বতৰাত অসমীয়াগিৰি সদায়ে আছিল। যিয়ে এই লেখকক সদায়ে সন্মোহিত কৰি ৰাখিছিল। আৰু বিদায়ৰ সেই দিনবোৰত সাংবাদিকতাৰ মাধ্যমেৰে দিন-ৰাতি অবিৰতভাৱে ব্যস্ততাৰ মাজেৰেই পাৰ হৈছিল। মনৰ মাজত উকমুকাই থকা কথাবোৰেই এফালৰ পৰা লিখি যোৱাৰ এয়া বিনম্ৰ প্ৰয়াস মাথোঁ।

'নিদাৰুণ কৌৰৱে বেষ্টখন সজালে
অন্যায় সমৰে মা মোক মাৰিলে
ক'ত আছা চাই যোৱা মৰমৰে আই
তোমাৰ পুত্ৰ অভিমন্যু যমৰ ঘৰে যায়
তোমাৰ নয়নমণি নাপাবা দুনাই... '

বিশ্বতেই বিৰল প্ৰতিভাৰ এগৰাকী কণ্ঠশিল্পী। সমান্তৰালভাৱে সংগীত পৰিচালক, অভিনেতা, গীতিকাৰ, সৰকাৰ, চলচ্চিত্ৰ প্ৰযোজক- পৰিচালক, বাদ্যযন্ত্ৰী, কবি আদিৰেও নিজৰ সুকীয়া প্ৰতিভা আৰু খেয়ালী মনৰ সুন্দৰ প্ৰতিভাৰ চানেকি দাঙি ধৰিছিল। অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ প্ৰসংগত জুবিন গাৰ্গে কৈছিল— ' ইণ্ডিয়াৰ যিমান ভাষা আছে পালি, প্ৰাকৃত, সংস্কৃতৰ পৰা আহিছে। সেইটো ভাৰত চৰকাৰে দিব নোৱাৰে। ভাৰত চৰকাৰে আমাক কি স্বীকৃতি দিব? আমি সব দি আছো। আমি তেল দি আছো, আমি চাহ দি আছো, গঁড় দি আছো, জুবিন গাৰ্গ দি আছো।' সঁচা অৰ্থত আইৰ মুখৰ ভাষাটোক সুৰীয়া কণ্ঠৰে এইগৰাকী সুৰৰ যাদুকৰে অনন্য সুন্দৰ মাত্ৰা দিবলৈ সক্ষম হৈছে। অসমীয়া ছবি জগতকো অনন্য মাত্ৰা দিবলৈ সক্ষম হৈছিল এইগৰাকী জুবিন গাৰ্গে। যাৰ বাবে তেওঁৰ শেষবখন ছবি 'ৰৈ ৰৈ বিনালে...' অসমীয়া ছবি জগতৰ প্ৰায় সকলোবোৰ অভিলেখেই ভংগ কৰি ভাৰতীয় ছবি জগতৰো বহু অভিলেখ ভংগ কৰিবলৈ সক্ষম হ'ল। তেওঁৰ অবৰ্তমানত তেওঁক এবাৰ জীৱন্ত ৰূপত এবাৰ চোৱাৰ বাবে যেন ছবিগৃহবোৰত বহুদিন ধৰি অনুৰাগীয়ে ভিৰ কৰিয়েই থাকিল।

'মই নথকাৰ অনুভৱ যিদিনা হ'ব তোমাৰ
সিদিনা অশ্ৰু নিগৰিবনে কোৱা।
মোৰ কবিতাৰ ছন্দ-গানৰ সুৰ
বুজিবা তুমি সেইদিনা
যিদিনা মই নাথাকিম জানা
তোমাৰ প্ৰিয় গীত গাবলৈ'...'

যোৱা ১৯ ছেপ্টেম্বৰৰ দুপৰীয়া হঠাতে খবৰটো ভাহি আহিছিল। মূৰৰ ওপৰৰ আকাশখন খহি পৰা যেন লাগিছিল। ভৰিৰ তলৰ মাটিকণো যেন মুহূৰ্তৰ ভিতৰতে নাইকিয়া হোৱা যেন লাগিছিল। সকলো স্তব্ধ হৈ পৰিছিল। বিভিন্ন কথাই মন-মগজু ভাৰাক্ৰান্ত কৰি তুলিছিল। এবোজা দুখে যেন বুকুখন শিললৈকে ৰূপান্তৰ কৰিছিল। বাকৰুদ্ধ হৈ পৰিছিলো। সাপ্তাহিক 'কৰচ' কাকতখনৰ সম্পাদনাৰ কামত ভাইটি সুনীল দাসৰ স'তে বিজয়নগৰৰ কাৰ্যালয়ত ব্যস্ত হৈ আছিলো। বৈদ্যুতিন মাধ্যম ডি ৱাই ৩৬৫ ত পেছাগতভাৱে কৰ্মৰত বাবেই সকলো আধাতে সামৰি দুপৰীয়াটো মূৰৰ ওপৰত লৈ উধাতু খাই বিমান বন্দৰলৈ খবৰৰ সন্ধানত ঢাপলি মেলিছিলো। লগৰীয়াৰ সৈতে দুপৰ নিশালৈকে বিমান বন্দৰতে আছিলো। বিভিন্ন চিন্তা আৰু দুখবোধে মন-মগজুত দোলা দিছিল। জুবিন গাৰ্গৰ দৰে মানুহগৰাকীয়ো মৰিব পাৰেনে বুলি হেজাৰবাৰ নিজকে প্ৰশ্ন কৰিছিলো। নিষ্ঠুৰ সত্যক স্বীকাৰ কৰিবলৈ মনটোক পতিয়ন নিয়াব পৰা নাছিলো। বিভিন্ন কথা-বতৰাই এই মৃত্যুৰ ঘটনাৰাজিক আউল লগাই দিছিল। কোনোৱে যেন বুজিব পৰা নাছিল, জানিব পৰা নাছিল প্ৰকৃত ঘটনা। চাৰিওফালে, সকলোতে কেৱল চেপা চেপা কণ্ঠৰে বাজি উঠিছিল 'মায়াবিনী ৰাতিৰ বুকুত...'।

'নিটাল নিশা আজি বাজে কি গহীন গান
উৰি যাব খোজে মোৰ আকুল উদাস প্ৰাণ
উৰি যাব খোজে মোৰ আকুল উদাস প্ৰাণ...'

এই মৃত্যুক কোনোৱে স্বীকাৰ কৰিব পৰা নাছিল যদিও দুপৰীয়াৰ পৰা নিশালৈ সময়বোৰ যেন কেনেকৈ পাৰ হৈ গৈছিল গমেই পোৱা নাছিলো। ৰাতিটো সঁচাকৈয়ে মায়াৱী হৈ পৰা যেন অনুভৱ হৈছিল। বিমান বন্দৰত একেলগে থকা সাংবাদিকসকলৰ লগতে উপস্থিত বহু লোকে যেন মুখ ঢাকি উচুপি উঠিছিল। সকলোৱে মনে-প্ৰাণে বিচাৰিছিল, খবৰটো যেন মিছা হওক। বিমান বন্দৰলৈ ডাঙৰ ডাঙৰ মানুহবোৰৰ সঘন আহ-যাহ চলিছিল। তেনেকৈয়ে ১৯ ছেপ্টেম্বৰৰ নিশাটো পাৰ হৈ জুবিনবিহীন ২০ ছেপ্টেম্বৰৰ পুৱাটো আৰম্ভ হৈছিল। গতানুগতিকভাৱেই পুৱাটোৱে সকলোকে আদৰণি জনাইছিল যদিও প্ৰতিগৰাকী অসমীয়াই অনুভৱ কৰিছিল, অসমীয়াগিৰি কৰা এটা যুগ যেন মানুহগৰাকীয়ে বোকোচাত কঢ়িয়াই কোনোদিনেই আৰু উভতি নহাৰ বাটেৰে গুচি গ'লগৈ। চৌদিশে বাজি থকা 'মায়াবিনী ৰাতিৰ বুকুত...' গীতটোৰ স'তে যেন লক্ষ লক্ষ অসমীয়াৰ উচুপনিৰ শব্দ একাকাৰ হৈ পৰিছিল। চকুলোৰে তিতিছিল অসমী আইৰ আঁচল। আৰু অৱশেষত ২০ ছেপ্টেম্বৰৰ নিশাটোও সকলোৱে উজাগৰী পাৰ কৰাৰ পিছত ২১ ছেপ্টেম্বৰৰ পুৱাটোৱে যেন স্বাগতম জনাই লৈ আহিছিল সুদূৰ ছিংগাপুৰৰ পৰা যুগস্ৰষ্টাৰ নিথৰ দেহ। বিমান বন্দৰৰ ভিতৰে-বাহিৰে বিৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হৈছিল। ওৰে নিশা উজাগৰী পাৰ কৰি বাতৰি সংগ্ৰহৰ বাবে ব্যস্ত হৈ থাকিও ভাগৰি পৰাৰ অনুভৱ হোৱা নাছিল। ক'ব নোৱাৰাকৈয়ে যেন ওলাই আহিছিল উচুপনিৰ শব্দ, চকুলোৰ বানভঙা প্লাৱন। তেনেকৈয়ে লক্ষ লক্ষ অনুৰাগীয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায়ৰ দাবী জনাই কঢ়িয়াই লৈ যোৱা হৈছিল তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহলৈ। নিথৰ দেহটোৰ কাষতে গাড়ীখনৰ ভিতৰত এসাগৰ চকুলোৰে প্ৰিয়তমা গৰিমা গাৰ্গ নিঃসংগ নিৰ্বাক মানুহ এগৰাকী হৈ বহি আছিল। যিটো দৃশ্য কোনো এগৰাকী অসমীয়াই প্ৰত্যক্ষ কৰিব বুলি কোনো কালেই কল্পনা কৰা নাছিল। কাহিলীপাৰাস্থিত বাসগৃহত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত সৰুসজাই ষ্টেডিয়ামত সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ ৰাখি থোৱা হৈছিল তিনিটাকৈ দিন। এই তিনিটা দিনৰ প্ৰতিটো ক্ষণ হেজাৰ হেজাৰ অনুৰাগীয়ে দিন-ৰাতি একাকাৰ কৰি, ৰ'দ-বৰষুণ কাতি কৰি ভিৰ কৰিছিল সৰুসজাইত। মহাপুৰুষ শংকৰ-মাধৱে বিভিন্ন জাতি-জনগোষ্ঠীক সামৰি অনৈক্যৰ মাজতো একতাৰ বান্ধোনেৰে সকলোকে বান্ধি বৰ অসমখনৰ যি কল্পনা কৰিছিল, সেই একেই চিন্তাধাৰা আছিল এইগৰাকী জুবিন গাৰ্গৰ। আৰু তাকেই প্ৰতিপন্ন কৰি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে লক্ষ লক্ষ অসমীয়াই হিয়া ঢাকুৰি কান্দিছে। মৃত্যুৰ পিছতো বিশ্বত নিজৰ কৰ্মৰাজিৰে খোজৰ চিন চিৰকালৰ বাবে ৰাখি থ'বলৈ সক্ষম হোৱা এইগৰাকীৰ মনীষাৰ অস্বাভাৱিক মৃত্যুত সমগ্ৰ বিশ্ববাসীয়ে চকুলো টুকিছে। সেইদিনাই নিশাই সৰুসজাইৰ পৰা পুনৰ ঢাপলি মেলিছিলো বৰঝাৰ বিমান বন্দৰলৈ। মুম্বাইৰ পৰা পাপন আহিছে শ্ৰদ্ধাঞ্জলি জনাবলৈ। বিমান বন্দৰত পাপনৰ স'তে হোৱা সাক্ষাৎকাৰত এটা কথাই তেওঁ কৈছিল— 'এই মৃত্যুত বহুত ক্ষতি হ'ল। মই কেতিয়াও জুবিন গাৰ্গ হ'ব নোৱাৰো।' সঁচাই জুবিন গাৰ্গ কোনেও হ'ব নোৱাৰে।

'মোৰ মন তুলসীৰ তলতে
জ্বলোৱা এগছি চাকি
শৰাই এখনি দিবানে তুমি...'

অৱশেষত গতিশীল সময়ৰ বোকোচাত উঠি ২৩ ছেপ্টেম্বৰৰ পুৱাটো আৰম্ভ হৈছিল সকলোৰে বাবে শেষ বিদায়ৰ ক্ষণৰূপে। বন্ধুবৰ নিৰনেদা, হিতেনদা, বিকাশ, পংকজ আৰু অজয়ৰ স'তে একেখন গাড়ীৰে ঢপলিয়াই গৈছিলো সোণাপুৰৰ সেই বিশেষ স্থানলৈ। পুৱা ন মান বজাত আমি গৈ পাইছিলো। সোণাপুৰত শেষকৃত্য সম্পন্ন কৰাৰ বাবে সাজু কৰি ৰখা ঠাইত তেতিয়া বিৰ দি বাট নোপোৱা অৱস্থা। চাৰিওফালে কেৱল মানুহ আৰু মানুহ। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বহু দূৰলৈ গাড়ী আৰু গাড়ী। গন্তব্যস্থানলৈ প্ৰায় তিনি কিলোমিটাৰ দূৰ থকা অৱস্থাতে আমাৰ গাড়ীখন ৰাখি মানুহৰ ভিৰ ঠেলি সেইস্থানলৈ বুলি খোজ লৈছিলো। একেলগে যোৱা কেইবাগৰাকীও সংবাদকৰ্মীয়ে নিজৰ নিজৰ কাৰ্যালয়ৰ সংবাদকৰ্মীসকলৰ সৈতে লগ হৈ সংবাদৰ কামত ব্যস্ত হৈ পৰিলো। চৰকাৰীভাৱে অতি কম দিনৰ ভিতৰত যৎপৰোনাস্তি চেষ্টাৰে পৰিৱেশটো সৰ্বাংগসুন্দৰকৈ সজোৱাত ত্ৰুটি নকৰা বুলি ধাৰণা হৈছিল যদিও ঠাইৰ পৰিসৰৰ তুলনাত অনুৰাগী ইমানেই ভিৰ কৰিছিল যে নিঠৰ দেহ আহি পোৱাৰ আগতেই সকলো যেন নিয়ন্ত্ৰণহীন হৈ পৰিছিল। আৰক্ষীৰ পৰা চিকিৎসাকৰ্মীলৈকে সকলোৱে নিজৰ নিজৰ দায়িত্বত নিয়োজিত হৈ আছিল যদিও মানুহৰ ভিৰ সময় বাগৰাৰ লগে লগে ইমানেই বাঢ়িছিল যে কোনোফালেই সেয়া নিয়ন্ত্ৰণ কৰিব পৰা পৰিৱেশ নাছিল। সূৰ্য দেৱতায়ো প্ৰিয় মানুহগৰাকীক হেৰুওৱাৰ দুখ আৰু বেদনাত যেন জৰ্জৰিত হৈ সেইদিনা একেবাৰে খাওঁ খাওঁ মূৰ্তি ধৰি ৰ'দ আৰু গৰমৰ মাত্ৰা অত্যধিক দিবলৈ প্ৰয়াস কৰিছিল। তেতিয়ালৈকে নিথৰ দেহ সৰুসজাইৰ পৰা আহি পোৱা নাছিল যদিও মানুহৰ ভিৰৰ মাজত বহু মানুহ যেন লেবেজান হৈ পৰিছিল। কোনোৱে হয়তো ৰুগীয়া দেহাৰে, কোনোৱে আকৌ নিশাই আহি উপস্থিত হৈছিল অথবা আবাল-বৃদ্ধ-বনিতায়ো ভিৰ কৰিছিল। যাৰ পৰিণতিত বহু লোক অসুস্থ হৈ পৰিছিল। তাৰ মাজতেই পুষ্পসজ্জিত বাহনত হিয়াৰ আমঠুগৰাকীৰ নিথৰ দেহ কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে লৈ অহা হৈছিল। তাৰ আগে আগে প্ৰেয়সী গৰিমা গাৰ্গ, পিতৃ কপিল ঠাকুৰসহ পৰিয়ালৰ লোক আৰু মুখ্য মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাসহ চৰকাৰী পক্ষৰ বহু মন্ত্ৰী, বিধায়ক, প্ৰশাসনীয় বিষয়াসকল উপস্থিত হৈছিল। সময়ৰ প্ৰতি লক্ষ্য ৰাখি কোনো বিলম্ব নকৰাকৈয়ে হিয়াৰ আমঠুগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পৰ্ব আৰম্ভ হৈছিল। অৱশ্যে তেতিয়ালৈ অসুস্থ হৈ পৰা মানুহৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছিল। আৰক্ষী আৰু চিকিৎসাকৰ্মীৰ ব্যস্ততা বাৰুকৈয়ে বাঢ়িছিল। নিথৰ দেহটো চিতাত তুলিছিলহে মাথোঁ। তেতিয়া আমিও সংবাদকৰ্মী হিচাপে অত্যন্ত আৱেগবিহ্বলভাৱে দায়িত্ব পালন কৰি আছিলো। সেই মুহূৰ্ততে সতীৰ্থ সংবাদকৰ্মী বিকাশ দাসে হঠাতে গাটো অসুস্থ হোৱা বুলি কৈয়ে মুহূৰ্তৰ ভিতৰতে থকা ঠাইতে বহি পৰিছিল। ততাতৈয়াকৈ বিকাশক মূৰত পানী অলপ ঢালি দি সেই ঠাইৰ পৰা বাহিৰলৈ লৈ অহাৰ চেষ্টা চলাইছিলো। শ্বাস-প্ৰশ্বাসত অসুবিধা পোৱা বুলি বুজি পোৱা-নোপোৱা ভাষাৰে কৈ সি একপ্ৰকাৰ

■ ১৩ পৃষ্ঠাত

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# আমেৰিকাৰ অহংকাৰ, ইউৰোপৰ দূৰত্ব, চীনৰ

তেতিয়া সেই বিশ্বাস ভংগ হৈ যায়।

গ্ৰীনলেণ্ড বিষয়ত ডেনমাৰ্ক আৰু ইউৰোপৰ দেশসমূহে স্পষ্টভাৱে কৈছে যে গ্ৰীনলেণ্ড বিক্ৰীযোগ্য বস্তু নহয়। গ্ৰীনলেণ্ডৰ জনগণৰ ইচ্ছা আৰু ডেনমাৰ্কৰ সাৰ্বভৌমত্বক সন্মান কৰিব লাগিব। কিন্তু ট্ৰাম্পে আকৌ বিষয়টো একপক্ষীয়ভাৱে ঠিক কৰিব পাৰে বুলিহে ভাবিছে। ডাভোছৰ দৰে এক বিশ্বমঞ্চত তেওঁ এই কথা পুনৰ উত্থাপন কৰাত ইউৰোপীয় নেতাসকল অতি অস্বস্তিত পৰিল। ডাভোছৰ মঞ্চখনক সাধাৰণতে বিশ্ব অৰ্থনীতি, জলবায়ু, বিনিয়োগ আৰু সহযোগিতাৰ কথা পাতিবলৈ ব্যৱহাৰ কৰা হয়। তাত যদি এজন বিশ্বনেতাই মিত্ৰ দেশৰ ওপৰত দাবী, হুমকি আৰু শক্তিৰ ভাষা ব্যৱহাৰ কৰে, তেন্তে সমগ্ৰ বিশ্বলৈ এক অশান্তিৰ সংকেত যায়। এই ধৰণৰ বক্তব্যই  কূটনৈতিক বিতৰ্কৰ লগতে বিশ্বৰ বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰতো অনিশ্চয়তা সৃষ্টি কৰে।

যেতিয়া আমেৰিকাৰ দৰে এক শক্তিশালী দেশে নিজৰ মিত্ৰ দেশৰ ওপৰত চাপ সৃষ্টি কৰে, তেতিয়া মিত্ৰ দেশবোৰে বিকল্প পথ বিচাৰিবলৈ বাধ্য হয়। ইউৰোপৰ বহু দেশ ইতিমধ্যে চিন্তা কৰিছে যে তেওঁলোকে নিজৰ নিৰাপত্তাৰ ক্ষেত্ৰত আমেৰিকাৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি থাকিব নোৱাৰে। নাটোত আমেৰিকাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ যদিও ইউৰোপীয় নেতাসকলে 'ইউৰোপীয় কৌশলগত স্বায়ত্ততা' বুলি কোৱা এক ধাৰণাক অধিক গুৰুত্ব দিছে। অৰ্থাৎ ইউৰোপে নিজৰ সামৰিক সক্ষমতা বৃদ্ধি কৰিব, নিজৰ অস্ত্ৰ উৎপাদন আৰু সুৰক্ষা নীতি শক্তিশালী কৰিব, যাতে আমেৰিকাৰ ৰাজনৈতিক পৰিৱৰ্তনৰ লগে লগে ইউৰোপ অনিশ্চয়তাত নপৰে। এইটো এক ডাঙৰ পৰিৱৰ্তন, কাৰণ বহু দশক ধৰি ইউৰোপে আমেৰিকাৰ নেতৃত্বত এক প্ৰকাৰৰ নিশ্চিন্ত বুলি অনুভৱ কৰিছিল।

এই পৰিস্থিতিত চীনৰ বাবে এক নতুন সুযোগ সৃষ্টি হৈছে। চীনে বহু বছৰ ধৰি বিশ্বৰ বিভিন্ন অঞ্চলত অৰ্থনৈতিক সম্পৰ্ক বঢ়াই আহিছে। ইউৰোপৰ সৈতে চীনৰ বাণিজ্য ইতিমধ্যে বৃহৎ। যদিও ইউৰোপে চীনক লৈ বহু উদ্বেগ প্ৰকাশ কৰিছে, বিশেষকৈ প্ৰযুক্তি, সুৰক্ষা আৰু ৰাজনৈতিক প্ৰভাৱৰ ক্ষেত্ৰত, তথাপি ইউৰোপৰ বহু দেশে চীনৰ সৈতে সম্পৰ্ক সম্পূৰ্ণভাৱে নোহোৱা কৰিব নিবিচাৰে। তেওঁলোকে চীনক এক বিকল্প বজাৰ আৰু বিনিয়োগৰ উৎস হিচাপে দেখে। যদি আমেৰিকাই ইউৰোপক বাৰে বাৰে অপমান কৰে বা চাপ সৃষ্টি কৰে, তেন্তে ইউৰোপৰ কিছুমান অংশই চীনৰ সৈতে সম্পৰ্ক অধিক মজবুত কৰাৰ দিশলৈ যাব পাৰে। 'হেজিং' বুলি কোৱা এক কৌশল দেখা দিব পাৰে, য'ত দেশবোৰে একাধিক শক্তিৰ সৈতে সম্পৰ্ক বজাই ৰাখি নিজৰ বিকল্প পথ খোলা ৰাখে।

ট্ৰাম্পৰ আচৰণে কেৱল ইউৰোপকেই নহয়, বিশ্বৰ বহু উন্নয়নশীল দেশকো এক সংকেত দিছে। আফ্ৰিকা, লেটিন আমেৰিকা আৰু এছিয়াৰ বহু দেশৰ ইতিহাসত ঔপনিৱেশিক শাসনৰ দুখজনক অভিজ্ঞতা আছে। সেই দেশবোৰে যেতিয়া দেখে যে আমেৰিকাৰ নেতাজনে এখন স্বশাসিত অঞ্চলক 'কিনিব' বুলি ক'ব পাৰে, তেতিয়া তেওঁলোকে আমেৰিকাক লৈ সন্দেহ অনুভৱ কৰে। আমেৰিকাই বহু সময়ত নিজকে গণতন্ত্ৰ আৰু স্বাধীনতাৰ ৰক্ষক বুলি দাবী কৰে। কিন্তু যদি স্বয়ং আমেৰিকাৰ নেতৃত্বই অন্যৰ ভূমি আৰু অধিকাৰক তুচ্ছজ্ঞান কৰে, তেন্তে সেই নৈতিক দাবী দুৰ্বল হৈ পৰে। নৈতিক বিশ্বাসযোগ্যতা হেৰুৱালে কূটনৈতিক শক্তিও কমে।  আমেৰিকাৰ বাবে ই এক ডাঙৰ ক্ষতি, কাৰণ বিশ্ব ৰাজনীতিত কেৱল সামৰিক শক্তিয়েই  নহয়, বিশ্বাস আৰু আকৰ্ষণো এক ডাঙৰ অস্ত্ৰ।

আৰ্কটিক অঞ্চলত প্ৰতিযোগিতা বৃদ্ধি পাইছে। ইয়াত সঠিক নীতি লোৱা অতি প্ৰয়োজন। গ্ৰীনলেণ্ডৰ ক্ষেত্ৰত আমেৰিকাই যদি ডেনমাৰ্ক আৰু গ্ৰীনলেণ্ডৰ সৈতে সহযোগিতামূলকভাৱে কাম কৰিলেহেঁতেন, তেন্তে সকলোৰে বাবে লাভজনক হ'ব পাৰিলেহেঁতেন। যৌথ সামৰিক  উন্নয়ন, জলবায়ু গৱেষণা, স্থানীয় উন্নয়ন প্ৰকল্প আৰু খনিজ সম্পদৰ সুষম ব্যৱহাৰৰ বাবে চুক্তি হ'লহেঁতেন। কিন্তু ট্ৰাম্পৰ কথা কোৱাৰ ধৰণে সহযোগিতাৰ পথ সংকুচিত কৰি তুলিছে। মিত্ৰ দেশবোৰে ভাবিবলৈ আৰম্ভ কৰিছে যে আমেৰিকাই কেৱল নিজৰ লাভৰ কথাহে ভাবে, তেওঁলোকৰ স্বাৰ্থক সন্মান নকৰে। এনে ভাবনাই মিত্ৰতাক দুৰ্বল কৰি পেলাইছে আৰু প্ৰতিদ্বন্দ্বী শক্তিক সুবিধা দিছে।

ডাভোছত ট্ৰাম্পে দিয়া বক্তব্যৰ এক বিশেষ সমস্যা হ'ল ভাষাৰ ধৰণ। বিশ্বমঞ্চত কথা কওঁতে নেতাসকলে সাধাৰণতে কূটনৈতিক ভাষা ব্যৱহাৰ কৰে। তেওঁলোকে কঠোৰ সত্য ক'ব পাৰে, কিন্তু শব্দ বাছনিত সাৱধান হ'ব লাগে। ট্ৰাম্পৰ বক্তব্যত সেই সাৱধানতা কমকৈ দেখা যায়। তেওঁৰ ভাষা বেছি আক্ৰমণাত্মক আৰু নাটকীয়। ই সংবাদ শিৰোনাম দখল কৰিব পাৰে; কিন্তু কূটনৈতিক সমাধান সহজ নকৰে। এনে বক্তব্যই অন্য দেশকো উচটায়, তেওঁলোকে নিজৰ ৰাষ্ট্ৰীয়তাবাদী শক্তিক উজ্জীৱিত কৰে আৰু সংকট বৃদ্ধি পায়।

এতিয়া প্ৰশ্ন হ'ল, ট্ৰাম্পৰ এই ধৰণৰ আচৰণে আমেৰিকাক  শক্তিশালী কৰিবনে নে দুৰ্বল কৰিব। বাহ্যিকভাৱে শক্তি দেখুওৱা এক সহজ কৌশল। কিন্তু বাস্তৱত বিশ্ব নেতৃত্ব বজাই ৰাখিবলৈ মিত্ৰতা আৰু বিশ্বাস অতি প্ৰয়োজন। যদি মিত্ৰ দেশবোৰ ভয় খায়, অপমানিত হয় বা অনিশ্চয়তা অনুভৱ কৰে, তেন্তে তেওঁলোকে নিজে নিজে শক্তিশালী হ'বলৈ চেষ্টা কৰিব। এইটো এক স্বাভাৱিক প্ৰতিক্ৰিয়া। আৰু যেতিয়া তেওঁলোকে বিকল্প পথ বিচাৰিব তেতিয়া চীনৰ দৰে শক্তিয়ে সুযোগ পাব। চীনে নিজকে অধিক স্থিৰ আৰু ধৈৰ্যশীল অংশীদাৰ হিচাপে  দেখুৱাব পাৰে। যদিও চীনৰো নিজস্ব চাপৰ নীতি আছে, তথাপি আমেৰিকাৰ আচৰণ যদি বেছি অস্থিৰ হয়, তেন্তে চীনৰ তুলনাত আমেৰিকা অধিক অনিশ্চিত বুলি ধৰা হ'ব পাৰে। এইটো আমেৰিকাৰ বাবে হ'ব এক কৌশলগত ক্ষতি।

গ্ৰীনলেণ্ডৰ ঘটনা এক বৃহৎ শিক্ষা। ই দেখুৱাইছে যে আধুনিক বিশ্বত কোনো অঞ্চলক কেৱল মানচিত্ৰৰ এক অংশ বুলি ভাবিব নোৱাৰি। সেয়া এক জনগোষ্ঠীৰ ঘৰ, এক সংস্কৃতি, এক স্বপ্ন আৰু এক অধিকাৰ। বিশ্ব ৰাজনীতিত শক্তি থাকিলেও নৈতিকতা আৰু নিয়মৰ প্ৰয়োজন আছে। যদি বিশ্ব পুনৰ শক্তিৰ ভাষালৈ ঘূৰি যায়, তেন্তে সৰু দেশ আৰু অঞ্চলবোৰৰ বাবে বিপদ বাঢ়িব। সেই ক্ষেত্ৰত বিশ্বত অস্থিৰতা বৃদ্ধি পাব আৰু শান্তি বজাই ৰখা কঠিন হ'ব।

ট্ৰাম্প, গ্ৰীনলেণ্ড আৰু ডাভোছৰ বিষয়টো কেৱল এটা ক্ষণস্থায়ী বিতৰ্ক নহয়। ই বিশ্বৰ শক্তিৰ পুনৰ বিন্যাসৰ এক চিহ্ন। আমেৰিকাৰ আচৰণে যদি মিত্ৰ দেশসমূহক দূৰত্বলৈ লৈ যায় তেন্তে সেই শূন্যস্থান পূৰণ কৰিবলৈ চীন আগবঢ়ি আহিব। ইউৰোপৰ দেশবোৰ হয়তো আমেৰিকাৰ পৰা সম্পূৰ্ণ আঁতৰি নাযায়; কিন্তু তেওঁলোকে অধিক স্বায়ত্তশাসন আৰু বিকল্প পথ বিচাৰিব। এই ধৰণৰ পৰিৱৰ্তনে বিশ্বক অধিক বহুমুখী আৰু জটিল কৰি তুলিব। গ্ৰীনলেণ্ড এক বৰফেৰে ঢকা দ্বীপ হ'লেও, আজিৰ বিশ্বত ই এক শক্তিশালী প্ৰতীক। ই দেখুৱাইছে যে আধুনিক যুগত নৱ-ঔপনিৱেশিক চিন্তাধাৰা এতিয়াও শেষ হোৱা নাই আৰু বিশ্বক সেই সংকটৰ পৰা মুক্ত কৰিবলৈ হ'লে সহযোগিতা, সন্মান আৰু স্থিৰ নেতৃত্বৰ প্ৰয়োজন আছে।

১২ পৃষ্ঠাৰ পৰা ঃ —

# পূৰ্বাকাশত সূৰ্যাস্ত

ঢলি পৰিছিল। তেতিয়া সংবাদকৰ্মীসকলৰ মাজত হৈ-চৈ লাগিছিল। লগে লগেই বন্ধুবৰ নিৰেনদা, পংকজ আৰু এই লেখকে  এগৰাকী আৰক্ষী জোৱানৰ সৈতে মিলি তাক একপ্ৰকাৰ ধৰি-মেলি বাহিৰলৈ লৈ আহিছিলো। তেতিয়া আমাৰ স'তে একেলগে থকা অজয়ে ভিৰৰ মাজত এই ঘটনা গমেই পোৱা নাছিল যদিও বন্ধুবৰ হিতেনদাই সম্পূৰ্ণ পৰিস্থিতি প্ৰত্যক্ষ কৰিও অজান কাৰণত তাতেই ৰৈ দিছিল। আমি তাক চিকিৎসাকৰ্মীৰ ছাউনীলৈ লৈ আহি চিকিৎসাকৰ্মীসকলক শীঘ্ৰেই অক্সিজেন দিয়াৰ ব্যৱস্থা কৰিবলৈ কাতৰ আহ্বান জনাইছিলো। কিছু মুহূৰ্ত পিছত সেয়া সম্ভৱ হৈছিল যদিও বিকাশক চিকিৎসাৰ বাৰুকৈয়ে প্ৰয়োজন হৈছিল। তেতিয়া অসুস্থ হোৱা লোকেৰে ছাউনীটো ভৰি পৰিছিল। বিৰ দি বাট নোপোৱা অৱস্থাৰ মাজতো এম্বুলেঞ্চকেইখনে ভিৰ ঠেলি বাৰে বাৰে অহা-যোৱা কৰিছিল। আমিও তাৰ মাজতে কিছু সময় অপেক্ষা কৰি অৱশেষত এম্বুলেঞ্চ এখনত বিকাশক সোণাপুৰ জিলা চিকিৎসালয়লৈ বুলি লৈ আহিছিলো। এম্বুলেঞ্চখনৰ ভিতৰত চাৰিগৰাকী অসুস্থ লোক আৰু তেওঁলোকৰ লগত থকা কেইবাগৰাকীও পাণ জপা দি উঠি আহিছিলো। এম্বুলেঞ্চখনত থকা অক্সিজেন আটাইকেইজনৰ বাবে পৰ্যাপ্ত হোৱা নাছিল বাবেই কিছু সময় আমাৰ বাবে দুখৰ ৰাতিটো নাযায় নুপুৱায় যেন হৈ পৰিছিল। অৱশেষত কোনো মতে চিকিৎসালয় পাইছিলোগৈ। তাতেই লগ পাইছিলো চিকিৎসাকৰ্মী ভানু বাইদেউহঁতক। তেওঁলোকৰ ব্যস্ততাৰ অন্ত নাছিল। এফালৰ পৰা মানুহ আহিয়েই আছে। এফালৰ পৰা চিকিৎসা চলায়ে আছে। চিকিৎসালয়খনৰ ভিতৰে-বাহিৰে কেৱল হৈ-চৈ। ভানু বাইদেউহঁতৰ বিৰামবিহীন ব্যস্ততাৰ মাজতো তেওঁলোকৰ মনৰ কথা অলপ পাতিবলৈ প্ৰয়াস কৰি যেন সফলো হ'লো। ঘৰৰ ল'ৰাটো হঠাতে নোহোৱা হোৱা বুলি কৈ কৈও বিষণ্ণ মনেৰে নিজৰ নিজৰ কামবোৰ এফালৰ পৰা কৰি গৈ থাকিল। মানুহবোৰো যেন ক্ৰমশঃ সুস্থ হ'বলৈ ধৰিলে। তাৰ মাজতে যেন দূৰণিৰ পৰা ৰিণি ৰিণি ভাহি আহিছে- মায়াবিনী ৰাতিৰ বুকুত...।

'জোন জ্বলি শেষ হয়  
মন গলি শেষ হয়  
এটি এটি পল যেন  
বুকু বিদাৰি ৰয়।  
তুমি নাহিলে সোণ  
ৰাতিয়ো নুপুৱায়,  
ভঙা কলিজা মোৰ  
ৰৈ ৰৈ বিনায়!!

কিছু সময় পিছত খবৰ লাভ কৰি অজয় আৰু হিতেনদা আহি চিকিৎসালয়ত উপস্থিত হৈছিল। দিনটোৰ বিৰামবিহীন ব্যস্ততাৰ অন্তত বেলি লহিয়াবলৈ আৰম্ভ কৰিছিল। তেতিয়ালৈ হিয়াৰ আমঠুগৰাকীৰ শেষকৃত্য সম্পন্ন হৈছিল। দাওদাওকৈ জ্বলা জুইকুৰা আমি নেদেখিলো। সেই লেলিহান শিখাই মাটিৰ স'তে আপোন মানুহগৰাকীক মিলাই দিয়াৰ দুৰ্লভ ঘটনাৰাজিৰ প্ৰত্যক্ষদৰ্শী হোৱাৰ সৌভাগ্য আমাৰ নহ'ল। বিষণ্ণ মনেৰে আমি ওভতনি যাত্ৰা আৰম্ভ কৰিলো। অৱশ্যে যাত্ৰাপথৰ সকলোতে কেৱল ভিৰ আৰু ভিৰ আছিল। আমি পুনৰ এম্বুলেঞ্চ এখনত উঠিয়েই পুনৰ সমাধিলৈ ঘূৰি আহিছিলো। তেতিয়ালৈ প্ৰায় সকলো শেষে হৈছিল। কিছুসংখ্যক মানুহে মনৰ বেজাৰত কান্দি কান্দি সেই ঠাইতে ৰৈ আছিল। মৰিশালিৰ নিস্তব্ধতাৰ মাজত যেন আপোনজনক হেৰুওৱাৰ বেদনাত স্বতঃস্ফূৰ্তভাৱে ওলাই অহা উচুপনিৰ শব্দই কোনোবাখিনিত কোলাহলৰ সৃষ্টি কৰিছিল। এবোজা দুখ বোকোচাত কঢ়িয়াই আমি তাৰ পৰা ওভতনি যাত্ৰা আৰম্ভ কৰি প্ৰায় দুই কিলোমিটাৰ নিলগত পুৱাই ৰাখি থোৱা গাড়ীখনলৈ বুলি খোজ ল'লো। তেনেকৈয়ে নিশাৰ আন্ধাৰৰ মাজে মাজে আহি ঘৰ পাইছিলো। তাৰ পিছতো যেন চৌদিশে মায়াবিনী ৰাতিৰ বুকুত... গীতটি গাই গাই প্ৰতিগৰাকী অসমীয়াই হিয়াৰ আমঠুগৰাকীৰ ৰহস্যজনত মৃত্যুৰ ন্যায় বিচাৰি হাহাকাৰ কৰিছিল।

বিভিন্ন কথা, বিভিন্ন বাতৰিৰ মাজে মাজে ন্যায় বিচৰা মানুহবোৰক  যেন কৌতূহলী পৃথিৱী এখনৰ অতল গহ্বৰলৈ লৈ গৈ থাকিল, আজিও গৈয়ে আছে। ন্যায়ৰ অপেক্ষাত আজিও ৰৈ আছে। অপৰাধী বুলি ভবা কেইবাজনো লোক ইতিমধ্যে আৰক্ষীৰ জালতো পৰিল। চৌদিশে জুবিন গাৰ্গৰ ন্যায় বিচাৰি উত্তাল হোৱা পৰিৱেশৰ মাজত আমিও ন্যায় পোৱাৰ আশাত বন্দী হৈ আছো। অসমীয়া সমাজ জীৱনৰ বাবে এটা যুগৰ সৃষ্টি কৰিব পৰা খেয়ালী মনৰ মানুহগৰাকী নাই যদিও তেওঁৰ অবৰ্তমানত আমি তেওঁৰ সৃষ্টিৰাজিৰে সদায় স্মৰণ কৰি থাকিব লাগিব।  আমাৰ প্ৰতিটো উশাহ, প্ৰতিটো নিশাহত তেওঁৰ যাদুকৰী কণ্ঠৰ অমিয়া লহৰ বিৰাজমান হৈ থাকে। প্ৰতিগৰাকী অসমীয়াই চিৰকাল তেওঁক মনৰ মাজত লৈ থাকিব। যিগৰাকী মানুহে জীৱনৰ ৫২ টা বসন্ত গৰকি এই ধৰাৰ বুকুত এনেকৈ খোজ কাঢ়িলে যে নিজৰ কৰ্মৰাজিৰে প্ৰতিটো খোজৰ চিন চিৰকালৰ বাবে ৰৈ গ'ল। এয়াই মহান মনীষী। জুবিন গাৰ্গ অসাধাৰণ হৈও সদায়ে সাধাৰণ হৈ আছিল। আৰু সাধাৰণভাৱেই প্ৰতিগৰাকী অসমীয়াৰ বুকুৰ মাজত চিৰকাল ৰৈ থাকিব। এয়াই জুবিন গাৰ্গ...।

সঁচাকৈয়ে অসমীয়া সমাজ জীৱনৰ এটা যুগৰ অৱসান ঘটিল। জুবিন যুগৰ অৱসান ঘটিল। পূৰ্বাকাশত এতিয়া যেন সূৰ্যাস্ত। সঁচাকৈয়ে পূৰ্বাকাশত সূৰ্যাস্ত...।।

# মিৰ্জাত বিজ্ঞান কৰ্মীক সম্বৰ্ধনা অসম বিজ্ঞান সমিতিৰ

**ৰামপুৰ ঃ** যোৱা ১৩ ফেব্ৰুৱাৰীত অসম বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আৰু অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি দক্ষিণ কামৰূপ (মিৰ্জা) শাখাৰ উদ্যোগত তিনিগৰাকী জ্যেষ্ঠ বিজ্ঞানকৰ্মী ক্ৰমে দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা গুৱাহাটীৰ গোটানগৰ নিবাসী ড° অনিল কুমাৰ তালুকদাৰ, ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা মিৰ্জা নিবাসী ড° হৰিশংকৰ কাকতি আৰু সু-চিকিৎসক ডাঃ দেৱেশ্বৰ দাসক ফুলাম গামোচা আৰু মানপত্ৰৰে ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে উক্ত তিনিওগৰাকী সন্মানীয় ব্যক্তি বিজ্ঞান সমিতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। এই কাৰ্যসূচীত অংশ লয় বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ সাধাৰণ সম্পাদক প্ৰতাপ মালী, কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য প্ৰসেনজিৎ কলিতা, আজীৱন সদস্য ৰবীন দাস, যুগলানন্দ দাস আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক দুৰ্লভ নাৰায়ণ সিংহই।





# অসমৰ মুখ্য মন্ত্ৰী মহোদয়লৈ এখন চিঠি

মাননীয় মুখ্য মন্ত্ৰী মহোদয়, শ্ৰদ্ধা গ্ৰহণ কৰিব। বৰ দুখেৰে আজি চিঠিখন লিখিব লগা হ'ল। আপুনি এজন সফল মুখ্য মন্ত্ৰী বুলি নিজেও দাবী কৰে আৰু আমিও আপোনাৰ কাম-কাজক লৈ গৌৰৱ অনুভৱ কৰো। নিশ্চিতভাৱে আপুনি বহুবোৰ মুখ্য মন্ত্ৰীতকৈ বহুত বেছি কাম-কাজ কৰি দেশখন আগুৱাই লৈ গৈছে। তাৰ মাজত বহু বিতৰ্ক আছে আৰু থাকিব। কাৰণ কাম কৰিলে ভুল হ'বই। আৰু সকলোকে সন্তুষ্ট কৰি কাম কৰাটোও সম্ভৱ নহয়। যি কি নহওক, আপুনি আৰু আপোনাৰ চৰকাৰখনে অসমত বসবাস কৰা প্ৰতিটো জাতি, জনজাতি, জনগোষ্ঠীৰ উন্নয়নৰ বাবে বহুবোৰ কাম কৰিছে আৰু সমূহীয়া উন্নয়নৰ বাবে উন্নয়ন পৰিষদ গঠন কৰি দিছে। তাৰ বাবে আপোনাক আৰু চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিলো। কিন্তু দুৰ্ভাগ্যৰ কথা যে আপোনালোকে অসমৰ ভূমিপুত্ৰ ব্ৰাহ্মণসকলৰ বাবে একো কাম-কাজ নকৰিলে। অসমত ব্ৰাহ্মণৰ জনসংখ্যা বোধহয় সকলোতকৈ কম। গতিকে সংবিধানৰ নিয়ম অনুসৰি সংখ্যালঘুৰ সুবিধাখিনি ব্ৰাহ্মণসকলেহে পাব লাগে। সকলোবোৰ জাতি-জনজাতিয়ে উন্নয়ন পৰিষদ লাভ কৰিলে; কিন্তু দুৰ্ভাগ্যৰ কথা যে আপোনাক লগ ধৰি বহুবাৰ অনুৰোধ কৰাৰ পাছতো আপুনি পৰিষদখনত চহী নকৰিলে। ব্ৰাহ্মণ সংগঠনসমূহে আপোনাৰ সাক্ষাৎকাৰ বিচাৰিলে আপুনি সাক্ষাৎকাৰ নিদিয়ে। ব্ৰাহ্মণৰ কোনো অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আপুনি নাহে আৰু এপইচাও নিদিয়ে। কাৰণতো কি বাৰু? সকলো জাতি-জনজাতিৰ দৰে ব্ৰাহ্মণসকলো এটা জাতি বা সংস্কৃতি। গণতান্ত্ৰিক দেশ এখনত সকলোৱে সমঅধিকাৰ লাভ কৰিব লাগে। ব্ৰাহ্মণসকলো এই সমাজৰে এটা এৰাব নোৱৰা অংগ। সামাজিক কাম-কাজ, দেশৰ উন্নয়ন আদিৰ ক্ষেত্ৰত ব্ৰাহ্মণৰ অৱদানৰ কথা আপোনাসৱে জানে। পথৰুঘাটৰ ৰণ, ভাষা আন্দোলন, স্বাধীনতা আন্দোলনত প্ৰাণ বিসৰ্জন দিয়া ব্ৰাহ্মণৰ সংখ্যাও বৰ কম নহয়। দেশ স্বাধীন হোৱাৰ পাছৰে পৰা সংৰক্ষণ আইনখনৰ বাবে ব্ৰাহ্মণসকলৰ অৱস্থা বৰ দুখলগা হৈছে। আমাক সংৰক্ষণ নালাগে কিন্তু দেশখনৰ বৃহত্তৰ স্বাৰ্থত মেধা ভিত্তিতহে সংৰক্ষণ হ'ব লাগে। হাজাৰ হাজাৰ গৰিব অথচ শিক্ষিত ব্ৰাহ্মণ সন্তানৰ চকুপানী আপুনি আৰু আপোনাৰ চৰকাৰে দেখি নোপোৱাটো অত্যন্ত দুখ আৰু লাজ লগা বিষয়। ভিতৰি ভিতৰি ব্ৰাহ্মণসকল জাগ্ৰত হৈ আছে। উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পাছতো বহুবোৰ ব্ৰাহ্মণ সন্তানে ভাত ৰান্ধনি, যোগালি, দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰি আছে। ধিক মানৱতা, ধিক আজিৰ শিক্ষা ব্যৱস্থা, ধিক অসম চৰকাৰ। আপোনালোকে ৰাইজক চমক দেখুৱাবলৈ বাহিৰৰ পুৰোহিত আনি ডাঙৰ ডাঙৰ যজ্ঞ কৰিলেই ফল নাপাব। দৈনিক পঞ্চ যজ্ঞ সম্পন্ন কৰিছে নে নাই সেইটোও লক্ষ্য কৰিব। এটা জাতি বা সংস্কৃতিক অৱজ্ঞা কৰি আপোনালোক আগুৱাই যাব নোৱাৰে। কাৰণ মানুহৰ মনত আঘাত দিয়াটোও পাপ। মুখ্য মন্ত্ৰী মহোদয়, ব্ৰহ্মপাপ বা ব্ৰহ্মশাপ কি বস্তু আপুনি নিশ্চয়কৈ জানে। প্ৰাচীন শাস্ত্ৰবোৰত সকলো লিখা আছে। নিৰ্বাচনলৈ মাত্ৰ কেইটামান দিন বাকী। এতিয়াও সময় আছে। আপোনাৰ দিনতে সংস্কৃত ভাষাটোক জীৱন্তে সমাধিস্থ কৰা হ'ল। মনত ৰাখিব ইতিহাসে কেতিয়াও কাকো ক্ষমা নকৰে। আপুনি বিদেশত বসবাস কৰিলেও শান্তিত থাকিব নোৱাৰিব। এই কথাবোৰ কাললৈ খ্যাতি থাকি যাব। ডিঙি ফুলাই ফুলাই বক্তৃতা প্ৰদান কৰা চন্দ্ৰমোহন পাটোৱাৰী, জয়ন্তমল্ল বৰুৱা, পৰমানন্দ ৰাজবংশী, পীযূষ হাজৰিকা আদি মন্ত্ৰীসকলেও আচল কথাবোৰত মাত নামাতে। ব্ৰাহ্মণৰ উপাধি লিখা বিধায়কসকলকো গৰিহণা দিছো। তেওঁলোক গাদী ৰখাৰ বাবে ব্যস্ত। পুনৰ কৈছো শিক্ষিত আৰু মেধাৱী ব্ৰাহ্মণ সন্তানসকলৰ জীৱনবোৰ ধ্বংস নকৰিব। মুখ্য মন্ত্ৰী মহোদয়, পৰীক্ষিত ৰজাৰ কাহিনীটো এবাৰ পুনৰ পঢ়িবচোন। বৃহত্তৰ স্বাৰ্থতহে কথাখিনি লিখিলো, মোক ব্যক্তিগতভাৱে আপোনাৰ পৰা একো নালাগে। অপৰাধ হ'লে ক্ষমা কৰিব।

■ পবিত্ৰ কুমাৰ শৰ্মা

## প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান

ভাষণত উল্লেখ কৰে। অসমীয়া চলচ্চিত্ৰৰ উত্তৰণৰ বাবে অসম চৰকাৰৰ ৫০ লাখকৈ টকা অনুদানেৰে ১০ টা ছবিগৃহ নিৰ্মাণ হৈ থকাৰ কথাও মন্ত্ৰীগৰাকীয়ে নিজৰ বক্তব্যত উল্লেখ কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই জ্যোতিপ্ৰসাদ আগৰৱালাই আৰম্ভ কৰা অসমীয়া চলচ্চিত্ৰৰ বিগত সময়ৰ পৰিক্ৰমা অসমীয়া সংস্কৃতিৰো এক পৰিক্ৰমা বুলি উল্লেখ কৰে। ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ দৰে মহান শিল্পীসকলে অসমীয়া চলচ্চিত্ৰৰ বাবে আগবঢ়াই যোৱা অৱদানৰ কথাও ভাষণত ৰাজ্যপাল আচাৰ্যই উল্লেখ কৰে। বঁটা প্ৰদান অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মন্ত্ৰী বিমল বড়াই ২০২০ আৰু ২০২১ বৰ্ষৰ অসমীয়া চলচ্চিত্ৰৰ বাবে বঁটাপ্ৰাপকসকলক ৰাজ্যিক বঁটা সমূহপ্ৰদান কৰে। উল্লেখ্য যে ২০২১ বৰ্ষত ধনজিৎ দাস পৰিচালিত 'শব্দ নিশব্দ কোলাহল' চলচ্চিত্ৰখনে শ্ৰেষ্ঠ চলচ্চিত্ৰ, শ্ৰেষ্ঠ পৰিচালকক ধৰি চাৰিটাকৈ বঁটা লাভ কৰে। ইয়াৰ বিপৰীতে ২০২০ বৰ্ষত শ্ৰেষ্ঠ চলচ্চিত্ৰ আৰু শ্ৰেষ্ঠ পৰিচালকৰ শিতানত বঁটা লাভ কৰে বিশ্বজিৎ বড়া পৰিচালিত 'বেলকনিত ভগৱান' চলচ্চিত্ৰখনে।

অনুষ্ঠানত দুয়োটা বৰ্ষৰ বাবে প্ৰায় ৪০ টা শিতানত ৰাজ্যিক চলচ্চিত্ৰ বঁটাপ্ৰদান কৰা হয়। উল্লেখ্য যে অসমীয়া চলচ্চিত্ৰ লৈ আগবঢ়োৱা অৱদানৰ বাবে জীৱনজোৰা সাধনা বঁটা ২০২১ আৰু ২০২০ বৰ্ষৰ বাবে প্ৰদান কৰা হয় অভিনেতাদ্বয় ক্ৰমে দিনেশ দাস আৰু জয়ন্ত ভাগৱতীক। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰে।

অনুষ্ঠানতে ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ড° বিপ্ৰ কল্যাণ চক্ৰৱৰ্তী আৰু সাংস্কৃতিক সঞ্চালক ৰাহুল চন্দ্ৰ দাসে জুৰিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

## প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# দেশৰ দ্ৰুততম বিকাশশীল ৰাজ্যত




হ'ব বুলি অনুমান কৰা হৈছে। এই বৃদ্ধিৰ গতিবেগ বৰ্তাই ৰাখি ২০৩০ চনৰ ভিতৰত ৰাজ্যখন ১০ লাখ কোটি টকাৰ (এক মিলিয়ন কোটি) অৰ্থনীতিলৈ পৰিণত কৰাৰ বাবে দিয়া আমাৰ প্ৰতিশ্ৰুতিতকৈ বহু আগবাঢ়ি ২০২৮ চনৰ ভিতৰতে এই লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা দেখা গৈছে। এই অৰ্থনৈতিক সম্প্ৰসাৰণে আমাৰ জনসাধাৰণৰ বাবেও অধিক আয়ৰ বাট মুকলি কৰিছে। বিত্তমন্ত্ৰীগৰাকীয়ে কয়— অসমৰ জনমূৰি আয় বৰ্তমানৰ মূল্যত দুগুণতকৈও অধিক বৃদ্ধি পাই ২০২০-২১ বিত্তীয় বৰ্ষৰ ৮৬,৯৪৭ কোটিৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষত ১,৮৫,৪২৯ কোটি টকা হৈছেগৈ, যিয়ে ১১৩ শতাংশ বৃদ্ধি প্ৰতিফলিত কৰিছে।

২০২০-২১ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ভিতৰত অসমৰ জনমূৰি আয়ৰ ৮৩ শতাংশ বৃদ্ধিয়ে ৰাজ্যখনক জনমূৰি আয়ৰ ক্ষেত্ৰত দেশৰ ভিতৰতে আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা ৰাজ্য হিচাপে পৰিগণিত কৰিছে। ইয়াৰ দ্বাৰা স্পষ্টভাৱে প্ৰমাণিত হৈছে যে আমাৰ প্ৰগতি কেৱল অৰ্থনৈতিক প্ৰতিবেদনতে আবদ্ধ নহয়, ই মানুহৰ জীৱনকো স্পৰ্শ কৰিছে। মন্ত্ৰী অজন্তা নেওগে ভাষণত কয়— আমাৰ অৰ্থনৈতিক বৃদ্ধিৰ আটাইতকৈ উল্লেখযোগ্য সূচক হৈছে আমাৰ নিজা কৰ ৰাজহ, যিটো যোৱা পাঁচ বছৰত গঢ়ে ১৩ শতাংশতকৈ অধিক হাৰত বৃদ্ধি পাইছে। সামগ্ৰিকভাৱে ২০২০-২১ বিত্তীয় বৰ্ষৰ ১৭,১৩৪ কোটি টকাৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ ৭৫ শতাংশ বৃদ্ধিৰে নিজা কৰ ৰাজহ সংগ্ৰহ ৩০,০৫২ কোটি টকা হৈছে। ঐতিহাসিকভাৱে উত্তৰ-পূবৰ বহু ৰাজ্যই কেন্দ্ৰীয় মঞ্জুৰি আৰু সাহায্য অনুদানৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰি আহিছে। যিহেতু আমাৰ নিজা উৎসৰ ৰাজহ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ মুঠ ৰাজহৰ ৩০ শতাংশৰ তুলনাত বৃদ্ধি পাই এতিয়া ৩৭ শতাংশ হৈছে, সেয়েহে ই কেন্দ্ৰীয় অনুদানৰ ওপৰত আমাৰ নিৰ্ভৰশীলতা হ্ৰাস কৰিছে আৰু এক শক্তিশালী, আত্মনিৰ্ভৰশীল আভ্যন্তৰীণ অৰ্থনীতি নিশ্চিত কৰিছে। শক্তিশালী ৰাজহ আহৰণ আৰু উন্নত বিত্তীয় ব্যৱস্থাপনাৰ ফলত ৰাজহুৱা ব্যয়ৰ পৰিসৰ আৰু ফলপ্ৰসূতা যথেষ্ট সম্প্ৰসাৰিত হৈছে। আমাৰ বাজেটৰ আকাৰ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ৭২,৫৭৩ কোটি টকাৰ পৰা দুগুণতকৈও অধিক বৃদ্ধি পাই ২০২৫-২৬ বিত্তীয় বৰ্ষত ১,৫৫,৯৮৫ কোটি টকা (প্ৰাক্কলিত) হৈছে, যিটোৱে সংশোধিত প্ৰাক্কলনত ২ লাখ কোটি টকা স্পৰ্শ কৰিব। দশক দশক ধৰি অসমৰ বাজেট আছিল কেৱল ইচ্ছাৰ তালিকা, য'ত পুঁজি ফাইলতে আবদ্ধ হৈ আছিল। ২০১৫-১৬ চনত আমাৰ বাজেটৰ পুঁজি ব্যৱহাৰৰ হাৰ ৫৮ শতাংশতে সীমাবদ্ধ আছিল। সেই বিলম্বিত সংস্কৃতি আৰু প্ৰশাসনিক শিথিলতা আঁতৰাই আমি বাজেটৰ পুঁজি ব্যৱহাৰ ২০২৪-২৫ বিত্তীয় বৰ্ষত ৮৫ শতাংশলৈ আগুৱাই যাবলৈ সক্ষম হৈছো। গুৰুত্বপূৰ্ণ কথাটো হ'ল এই সম্প্ৰসাৰণৰ লগে লগে উৎপাদনশীল ব্যয়ৰ দিশত নিৰ্ণায়ক পৰিৱৰ্তন হৈছে। মূলধনী ব্যয় আঠগুণতকৈও অধিক বৃদ্ধি পাই ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ২,৯৫১ কোটিৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৬,৪০৯ কোটি টকা হৈছেগৈ, যিয়ে ৭৯৫ শতাংশ উল্লেখনীয় বৃদ্ধিক প্ৰতিফলিত কৰিছে। এই মূলধনী পুঁজি ব্যয়ৰ ক্ষেত্ৰত ভাৰত চৰকাৰে অধিক সহায় কৰিছে। যোৱা পাঁচ বছৰৰ ভিতৰত ২৫,০০০ কোটি টকাৰো অধিক ধন লাভকৰি ৰাজ্যসমূহৰ বাবে থকা মূলধনী বিনিয়োগৰ বিশেষ সাহায্য আঁচনিৰ প্ৰধান হিতাধিকাৰীসমূহৰ মাজত অসম অন্যতম ৰাজ্য হিচাপে পৰিগণিত হৈছে। যদিও মূলধনী ব্যয় বৃদ্ধি পাইছে, ঋণ বিচক্ষণতাৰে পৰিচালনা কৰা হৈছে। তেওঁ কয় যে ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা অসমে মুঠ ১,০৪,৮৯৬ কোটি টকা মূলধনী ব্যয় সম্পন্ন কৰিছে, আনহাতে বকেয়া ঋণৰ বৃদ্ধি হৈছে ৮৪,০৩৭ কোটি টকা, যিয়ে সূচায় যে ঋণসমূহ বহুলাংশে সম্পদ সৃষ্টিৰ দিশত ব্যৱহাৰ কৰা হৈছে। ফলস্বৰূপে, ২০২৪-২৫ বিত্তীয় বৰ্ষত আমাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি)ৰ বিপৰীতে ঋণৰ অনুপাত আছিল ২৫.৫২%, যাৰ ফলত জি এছ ডি পিৰ বিপৰীতে ঋণ লোৱা দেশৰ ২৮ খন ৰাজ্যৰ ভিতৰত অসম আছে ২১ নং স্থানত। ই আমাৰ নিয়ন্ত্ৰিত আৰু বহনক্ষম ঋণৰ গতিপথ অনুমোদিত বিত্তীয় নিয়মৰ ভিতৰতে থকাটোকে প্ৰতিফলিত কৰিছে। বাজেটৰ উৎসৰ উপৰি অসমে ৰাজহুৱা বিনিয়োগ বৃদ্ধি কৰাৰ উদ্দেশ্যে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ (EAP) ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিছে। বিস্তৃত খণ্ডক সামৰি লোৱা এনে প্ৰকল্প ব্যয়ৰ পৰিমাণ ২০২১ চনৰ প্ৰায় ১৫,০০০ কোটি টকাৰ পৰা বৰ্তমান উল্লেখযোগ্যভাৱে বৃদ্ধি পাই প্ৰায় ৫৬,০০০ কোটি টকা হৈছে। ৰাজহুৱা বিনিয়োগৰ সম্পূৰক হিচাপে ৰাজ্যৰ ভিতৰত প্ৰাতিষ্ঠানিক ঋণৰ প্ৰবাহো অধিক শক্তিশালী কৰা হৈছে। ঋণ-জমাৰ অনুপাত ২০২১ চনৰ মাৰ্চ মাহৰ ৫৬.০৯%ৰ পৰা বৃদ্ধি পাই ২০২৫ চনৰ ডিচেম্বৰত ৭৪.৪৮% হৈছে, যিয়ে অসমত বেংকৰ আমানত অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ হোৱাটোকেই সূচাইছে। এই উন্নতিৰ প্ৰতিফলন হিচাপে ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা অগ্ৰাধিকাৰ খণ্ডত মুঠ ৩,৬৯,৩৪৩ কোটি টকাৰ ঋণ প্ৰদান কৰা হৈছে। ঋণৰ জৰিয়তে কৃষি, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যমিতা (MSME) আৰু সহযোগী খণ্ডক সহায় কৰাৰ লগতে সামগ্ৰিক আৰু অন্তৰ্ভুক্তিমূলক বিকাশক অধিক শক্তিশালী কৰা হৈছে।

নুমলীগড় শোধনাগাৰ লিমিটেডক শক্তিশালী কৰাৰ ক্ষেত্ৰত আমাৰ কৌশলগত বিনিয়োগ অব্যাহত আছে। শোধনাগাৰটোত ৰাজ্য চৰকাৰৰ অংশীদাৰিত্বৰ মূল্য এতিয়া ৫,১০০ কোটি টকা অতিক্ৰম কৰিছে।

একত্ৰিত ভাসমান পুঁজি, নিশ্চিত ঋণশোধক পুঁজি, অসম আন্তগাঁথনি বিত্ত প্ৰাধিকৰণ (AIFA)ৰ ভাসমান পুঁজি আদি প্ৰায় ১০,০০০ কোটি টকাৰ আমাৰ ভাসমান আৰু ঋণশোধক (Redemption) পুঁজিৰ বিত্তীয় সুৰক্ষাৰে অসমক সুদৃঢ় কৰিছো।

## পাঠশালাৰ লাচিতনগৰত কাঠৰ দলঙেৰে যাতায়াত ৰাইজৰ ঃ মেৰামতিৰ নামত লুণ্ঠন

# ঠিকাদাৰক কাম আবণ্টনৰ পিছতো পকী নহ'ল দলং

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী জিলাৰ সদৰ পাঠশালাৰ লাচিত নগৰৰ বিষন্নলা জানৰ ওপৰত অৱস্থিত কাঠৰ দলং বছৰ বছৰ ধৰি পকী নকৰাত যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভুগিছে অঞ্চলটোৰ ৰাইজৰ লগতে কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে। উল্লেখ্য যে পাঠশালা নগৰৰ লাচিত নগৰ-কৃষ্ণ নগৰ সংযোগী পথটোত বৃষন্নলা জানৰ ওপৰত থকা কাঠৰ দলংখনৰে ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে কেইবাখনো স্কুল কলেজলৈ ছাত্ৰ-ছাত্ৰীসকলে অহা-যোৱা কৰাৰ এটা অন্যতম পথ হিচাপে ব্যৱহাৰ কৰি আহিছে। কিন্তু পথটোত থকা জৰাজীৰ্ণ কাঠৰ দলংখনৰ বাবে জীয়াতু ভুগি অহা স্থানীয় বাসিন্দাসকলে দলংখন পকী কৰাৰ বাবে বছৰ বছৰ ধৰি বিভাগৰ লগতে বিগত সময়ৰ বিধায়কক আবেদন নিবেদন কৰিও সুফল লাভ নকৰাৰ উপৰি বৰ্তমানৰ বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসকো দলংখন পকী কৰাৰ বাবে আবেদন জনোৱাৰ পাছত এখন নতুন দলং নিৰ্মাণ কৰাৰ বাবে বিভাগীয়ভাৱে টেণ্ডাৰ প্ৰক্ৰিয়া সম্পন্ন হয়। বিগত প্ৰায় এবছৰ পূৰ্বে দলংখন নিৰ্মাণৰ দায়িত্ব লাভ কৰে MS Clarion Project নামৰ প্ৰতিষ্ঠানটোৱে; কিন্তু আচৰিতধৰণে



প্ৰতিষ্ঠানটোৰ চূড়ান্ত গাফিলতিৰ বাবে দলংখনৰ কাম এতিয়ালৈকেও নকৰাত বিভাগীয়ভাৱে চাৰিবাৰকৈ প্ৰতিষ্ঠানটোলৈ জাননী জাৰি কৰে যদিও কোনো সদুত্তৰ নপোৱাৰ পৰিপ্ৰেক্ষিতত শীঘ্ৰে দলংখনৰ কাম আৰম্ভ নকৰিলে প্ৰতিষ্ঠানটোৰ Security Money বাজেয়াপ্ত কৰাৰ উপৰি কামটো বাতিল কৰা হ'ব বুলিও বিভাগীয়ভাৱে জানিবলৈ দিছে। লক্ষণীয় বিষয় যে একপ্ৰকাৰ খিৰতী গাইত পৰিণত হোৱা পাঠশালাৰ মাজমজিয়াৰ এই কাঠৰ দলংখন বছৰে বছৰে কেইবাবাৰো মেৰামতি কৰি ধন লুণ্ঠনৰ ফান্দত পৰিনত কৰা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে।



## বজালীত দুখন পকী দলং নিৰ্মাণৰ কামৰ শুভাৰম্ভ

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী বিধানসভা সমষ্টিত যোৱা দেওবাৰে দুখনকৈ আৰচিচি দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ কৰে জ্যেষ্ঠ কেবিনেট মন্ত্ৰী তথা স্থানীয় বিধায়ক ৰঞ্জিত কুমাৰ দাসে। ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা দলং দুখন হৈছে— বনগাঁও-কাছকুৰি পথৰ এখন আৰচিচি দলং আৰু মহাভৈৰৱ মন্দিৰ সংযোগী পথৰ এখন আৰচিচি দলং। উক্ত আৰম্ভ অনুষ্ঠানত লোক নিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা নৱ কুমাৰ শৰ্মা, বিজেপিৰ জিলা সভাপতি মুকুট কলিতা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পদ্মনাথ শৰ্মা, পাটাছাৰকুছি মণ্ডলৰ সভাপতি ৰাজীৱ শৰ্মা, বজালী মণ্ডলৰ সভাপতি পৰাগ তালুকদাৰ, জিলা অ'বিচি মৰ্চাৰ সভাপতি চন্দ্ৰ ৰয়, পাটাছাৰকুছি গাঁও পঞ্চায়তৰ সভানেত্ৰী নৱনীতা ভট্টাচাৰ্য উপস্থিত থাকে।




## নলবাৰী জিলা মহিলা সমিতিৰ কুইজ প্ৰতিযোগিতা

**নলবাৰী ঃ** যোৱা ১৪ ফেব্ৰুৱাৰীত নলবাৰী জিলা মহিলা সমিতিৰ উদ্যোগত আয়োজিত কুইজ প্ৰতিযোগিতা এখন জিলা মহিলা সমিতিৰ কাৰ্যালয় পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনত অনুষ্ঠিত হৈ যায়। কুইজ মাষ্টাৰ অৰিন্দম শৰ্মাই পৰিচালনা কৰা আৰু শিক্ষক তথা বৃক্ষবন্ধু গংগাধৰ বৰ্মনে সহযোগ কৰা কুইজ প্ৰতিযোগিতাখনৰ প্ৰতিটো দলত পাঁচগৰাকীকৈ প্ৰতিযোগী আছিল। প্ৰতিযোগিতাৰ শেষত বঁটা বিতৰণী সভাখন পৰিচালনা কৰে নলবাৰী জিলা মহিলা সমিতিৰ সম্পাদিকা অনু বৰ্মনে। ফলাফল অনুসৰি প্ৰয়াত লক্ষ্মীপ্ৰিয়া দেৱীৰ সোঁৱৰণত ভৱানী ভট্টাচাৰ্যই দিয়া প্ৰথম পুৰস্কাৰ ৩০০১ টকা, মানপত্ৰ আৰু স্মাৰক লাভ কৰে ক্ৰমে মুনমী বেগম, শৃংগনা কলিতা, জুৰলী পাটোৱাৰী আৰু সুষমা দাসে। প্ৰয়াত ইন্দুপ্ৰভা মেধিৰ সোঁৱৰণত নীৰা বৰুৱাই দিয়া দ্বিতীয় পুৰস্কাৰ ২০০১ টকা, মানপত্ৰ আৰু স্মাৰক লাভ কৰে ক্ৰমে ডিম্বিকা চৌধুৰী, ললিতা গোস্বামী, মঞ্জু দেৱী, গীতিকা বৰুৱা আৰু ভাৰতী দাসে। প্ৰয়াত বীণাপাণি দাসৰ সোঁৱৰণত ৰুবী হাজৰিকাই দিয়া তৃতীয় পুৰস্কাৰ ১০০১ টকা, মানপত্ৰ আৰু স্মাৰক লাভ কৰে ক্ৰমে প্ৰণীতা বৰ্মা, ভাৰতী কলিতা মেধি, সেউতী মনি ডেকা, প্ৰণীতা দেৱী আৰু কৰবী ভট্টাচাৰ্যই।

## অসমত নিৰ্বাচন আয়োগৰ দল

**গুৱাহাটী ঃ** আগন্তুক অসম বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত উপস্থিত হৈছে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ এটা প্ৰতিনিধি দল। যোৱা সোমবাৰে বিয়লিৰ ভাগত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হোৱা নিৰ্বাচন আয়োগৰ উক্ত প্ৰতিনিধি দলটোক ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আদৰণি জনায়। অসমত উপস্থিত হোৱা নিৰ্বাচন আয়োগৰ প্ৰতিনিধি দলটোৰ অন্যান্য বিষয়ববীয়াসকল হৈছে নিৰ্বাচন আয়ুক্তদ্বয় ড° এছ এছ সান্ধু আৰু ড° বিবেক যোশী, জ্যেষ্ঠ উপ-নিৰ্বাচন আয়ুক্তদ্বয় মনীশ গাৰ্গ আৰু ড° পৱন কুমাৰ শৰ্মা, সঞ্চালক প্ৰধান আশীষ গোৱেল, উপদেষ্টা এন এন বুটোলিয়া, সঞ্চালক বিদ্যাৰাণী কষ্টৌজাম। দেশৰ নিৰ্বাচন আয়োগৰ উচ্চ পদস্থ বিষয়াৰ দলটোৱে আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ সন্দৰ্ভত বিভিন্ন কাৰ্যসূচী তথা বৈঠকত অংশগ্ৰহণ কৰিব। মঙলবাৰে মহানগৰীৰ ৰেডিছন ব্লু হোটেলত আয়োজন কৰা কাৰ্যসূচীত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হয়।



## নৱপ্ৰজন্মক শিপাৰ সন্ধান দিব লাগিব ঃ পংকজ লোচন গোস্বামী

# দক্ষিণ কামৰূপ সাহিত্য মঞ্চৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ৰামপুৰ ঃ** 'অসমীয়া সাহিত্যৰ চহকী ধাৰাক নতুন প্ৰজন্মৰ মাজত পৰিচয় কৰি দিব লাগিব প্ৰবীণ সাহিত্যৰ পূজাৰীসকলে। শিপাৰ সন্ধান নাজানিলে আমাৰ ঐতিহ্য-পৰম্পৰা হেৰাই যাব পাৰে' দক্ষিণ কামৰূপ সাহিত্য মঞ্চৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি পলাশবাৰীৰ অগ্ৰণী সমাজকৰ্মী পংকজ লোচন গোস্বামীয়ে যোৱা ১৩ ফেব্ৰুৱাৰীত খটিয়ামাৰীত এনেদৰে কয়। মঞ্চৰ




সভাপতি তিলক চন্দ্ৰ গোস্বামীৰ সভাপতিত্বত হোৱা সভাখনত গোস্বামীয়ে দক্ষিণ কামৰূপ সাহিত্য মঞ্চৰ কৰ্মকৰ্তাসকলে গ্ৰহণ কৰি অহা কৰ্মৰাজী অনুকৰণীয় বুলি মন্তব্য আগবঢ়ায়। ইয়াৰ পূৰ্বে সভাখন উদ্বোধন কৰে পলাশবাৰী বিজেপিৰ অগ্ৰণী সেৱক অনুপ কুমাৰ মেধিয়ে। উদ্বোধক মেধিয়ে সাহিত্য মঞ্চই তিনিটা দশকতকৈও অধিক কাল সাহিত্য-সংস্কৃতিৰ বোৱতী ধাৰা অব্যাহত ৰখাটো নতুন প্ৰজন্মই অনুসৰণ কৰা উচিত বুলি কয়। মুকলি সভাত মঞ্চৰ কাব্য সংকলন 'অনুভৱ'ৰ ষষ্ঠ সংখ্যা উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। তদুপৰি, বকোৰ কবি প্ৰফুল্ল চন্দ্ৰ দলৈৰ 'জীৱন বাটৰ স্মৃতি' শীৰ্ষক কবিতা পুথি মঞ্চৰ সম্পাদিকা অৰুন্ধতী দাসে আৰু ছয়গাঁৱৰ কবি দীপিকা নাথৰ কবিতা পুথি 'পোহৰৰ বাট' উন্মোচন কৰে অধ্যাপক ড° নগেন কলিতাই। পুৱাৰ ভাগত প্ৰতিষ্ঠা দিৱস উপলক্ষে পতাকা উত্তোলন কৰে মঞ্চৰ সভাপতি তিলক চন্দ্ৰ গোস্বামীয়ে আৰু আভা ঠাকুৰীয়া কলিতা সমন্বিতে সদস্য-সদস্যাসকলে গীত পৰিৱেশন কৰে। তদুপৰি, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কাৰ্যসূচীও ৰূপায়ণ হয়। মঞ্চৰ উপ-সভাপতি নীলমণি তালুকদাৰৰ সঞ্চালনাত এখন অন্তৰংগ আলাপো অনুষ্ঠিত হয়।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah